# সৌৰভ কুমাৰ চলিহাৰ গল্পত নাগৰিক জীৱন-চেতনা

ज्ञान-विज्ञान विमुक्तये

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ-সাহায্যৰে সম্পন্ন কৰা

গৌণ গৱেষণা-প্ৰকল্প

২০১১-১২ বৰ্ষ

**সোমনাথ বৰা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়
পুৰণিগুদাম ,নগাঁও, অসম

# সৌৰভ কুমাৰ চলিহাৰ গল্পত নাগৰিক জীৱন-চেতনা

ज्ञान-विज्ञान विमुक्तये

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ-সাহায্যৰে সম্পন্ন কৰা

গৌণ গৱেষণা-প্ৰকল্প

২০১১-১২ বৰ্ষ

**সোমনাথ বৰা**

সহকাৰী অধ্যাপক,অসমীয়া বিভাগ

ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়

পুৰণিগুদাম ,নগাঁও,অসম

# কৃতজ্ঞতা স্বীকাৰ

এই লঘু গৱেষণা প্ৰকল্পটো প্ৰস্তুত কৰোঁতে যোৱা ডেৰ বছৰত বিভিন্নজনে বিভিন্ন ধৰণে আমাক সহায় কৰিলে। ' সৌৰভ কুমাৰ চলিহাৰ গল্পত নাগৰিক জীৱন-চেতনা '---এই বিষয়টোৰ প্ৰতি আকৃষ্ট হৈ গৱেষণামূলক কাম-কাজ কৰিবলৈ মন মেলিলোঁ।এই লঘু গৱেষণা-কৰ্মৰ বাবে প্ৰয়োজন হোৱা ধন বিছাৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত আঁচনি দাখিল কৰি অৰ্থসাহায্যৰ বাবে আবেদন জনাওঁ।আয়োগে এই আঁচনি গ্ৰহণ কৰি অৰ্থসাহায্য দিয়া বাবে বিশববিদ্যালয় অনুদান আয়োগৰ প্ৰতি কৃতজ্ঞ হৈ ৰ'লোঁ।

এনেধৰণৰ গৱেষণা কাৰ্যৰ প্ৰতি আমাৰ কৰ্মক্ষেত্ৰ ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভূপেন শইকীয়া দেৱে অনুপ্ৰেৰণা যোগাই অহা বাবেই কামটি কৰিবলৈ লোৱা হ'ল।তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰসংগপুথি অধ্যয়নৰ বাবে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ পুথিভঁৰাল,নগাঁও জিলা পুথিভঁৰাল,গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল সঘনাই ব্যৱহাৰ কৰিছিলোঁ।এইসমূহ পুথিভঁৰালৰ কৰ্মচাৰীলৈ কৃতজ্ঞতা থাকিল।

এইসকলৰ উপৰি ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপকসকলে আমাক যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল। সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সোমনাথ বৰা

# অৱতৰণিকা

'জোনাকী' আলোচনীৰ পাতত জন্ম লাভ কৰা অসমীয়া চুটিগল্পই 'আৱাহন 'আলোচনীৰ মাজেদি আহি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সম্পাদনা কৰা সময়ছোৱাৰ 'ৰামধেনু ' আলোচনীত বিশেষ সমৃদ্ধ ৰূপত ধৰা দিয়ে। 'ৰামধেনু' যুগত গল্পকাৰ হিচাবে বিশেষ পৰিচিতি পোৱা সৌৰভ কুমাৰ চলিহাৰ গল্পই অসমীয়া চুটিগল্পক বিভিন্ন বৈশিষ্টৰে সমৃদ্ধ কৰি পাঠক সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।এওঁৰ 'অশান্ত ইলেক্ট্ৰন' গল্পটো ৰামধেনু আলোচনীত প্ৰকাশ পাওঁতে এটা জোকাৰণিৰ সৃষ্টি হৈছিল।গল্পটো লৈ এটা দীঘল আলোচনা হৈছিল।

কিন্তু পৰৱৰ্তী সময়ত সমালোচকসকলে চলিহাৰ গল্পৰ চমু আলোচনা বা চুটি মন্তব্য দিয়াৰ বাহিৰে বহল আলোচনা প্ৰায় কৰাই নাছিল।বহু সময়ত অসমীয়া গল্পৰ বিষয়ে আলোচনা কৰোঁতে,নহ'লে কোনো ধাৰাৰ বিষয়ে আলোচনা লিখোঁতে চলিহাৰ গল্পৰ বিষয়ে চমু আলোচনা হৈছিল মাত্ৰ।

যোৱা শতিকাৰ আশীৰ দশকৰ শেষৰ ফালৰ পৰা ক্ৰমে চলিহাৰ গল্পৰ বিষয়ে কিছু আলোচনা হ'বলৈ আৰম্ভ কৰে।মহেন্দ্ৰ বৰাই 'সাহিত্য আৰু সাহিত্য'(১৯৮৮)গ্ৰন্থত'আধুনিকতাৰ অসমীয়া লেখকত্ৰয়' প্ৰবন্ধত চলিহাৰ বিষয়ে কিছু বহল আলোচনা কৰে। ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীয়ে সম্পাদনা কৰা ' সৌৰভ কুমাৰ চলিহা আৰু অন্যান্য প্ৰবন্ধ '(১৯৯৫)গ্ৰন্থত চলিহাৰ বিষয়ে লিখা চাৰিটা প্ৰবন্ধ আৰু দুটা সাক্ষাৎ কৰে প্ৰকাশ কৰে যদিও তাৰে দুটা প্ৰবন্ধ ব্যক্তিগত অনুভৱযুক্ত হৈ বস্তুনিষ্ঠতা হেৰুৱাইছে।কাকত আলোচনীতো চলিহাৰ গল্পৰ বিষয়ে কিছু আলোচনা হোৱা দেখা গৈছে যদিও বেছিভাগতেই গল্প পাঠ কৰি হোৱা অনুভৱেহে প্ৰাধান্য পাইছে।

অথচ,সৌৰভ কুমাৰ চলিহাৰ গল্পৰ এক পদ্ধতিগত,বিদ্যায়তনিক আলোচনাৰ ক্ষেত্ৰখন অনালোচিত হৈ পৰি আছে।চলিহাৰ গল্পত নাগৰিক জীৱন,মানসিকতা,সাহিত্যকৌশল ইত্যাদি দিশত হোৱা আলোচনা বৰ তাকৰ।

সৌৰভ কুমাৰ চলিহাৰ গল্পৰ পদ্ধতিগত আলোচনা তেনেকৈ নোহোৱাত 'সৌৰভ কুমাৰ চলিহাৰ গল্পত নাগৰিক জীৱন-চেতনা '--দিশটো আমি আলোচনা কৰিবলৈ মন মেলিলোঁ।আমি কেৱল চলিহাৰ সাহিত্যৰ আলোচনাৰ এটি পদ্ধতিগত দিশহে মুকলি কৰিব খুজিছোঁ।তাৰ বাবে চলিহাৰ চাৰিখন গল্পপুথি ক্ৰমে 'অশান্ত ইলেক্ট্ৰন'(১৯৬২), 'দুপৰীয়া'(১৯৬৩),'এহাত ডাবা'(১৯৭২),আৰু 'গোলাম'(১৯৭৪)-ক নিৰ্বাচন কৰি লোৱা হৈছে।

তথাপি আমাৰ আলোচনা পূৰ্ণ হৈছে বুলি ক'ব নোৱাৰোঁ।আমাৰ আলোচনাই কেৱল সৌৰভ কুমাৰ চলিহাৰ নগৰকেন্দ্ৰিক গল্পৰ পটভূমি,চৰিত্ৰ আৰু প্ৰকাশভংগীৰ জৰিয়তে নাগৰিক জীৱন-চেতনা কেনেকৈ প্ৰকাশ পাইছে,সেই দিশটোহে সামৰিছে। কেৱল এই দিশটোতে অধিক বহল আলোচনাৰ থল আছে।

আমাৰ আলোচনাৰ বাবে ২০০৬ চনত ষ্টুডেণ্টছ্ ষ্ট'ৰছে প্ৰকাশ কৰা সৌৰভ কুমাৰ চলিহাৰ 'ছয় দশকৰ গল্প' পুথিখন ব্যৱহাৰ কৰা হৈছে। কাৰণ,এইখন পুথিতে আমাৰ আলোচনাৰ বাবে প্ৰয়োজন হোৱা চাৰিওখন পুথি সন্নিৱিষ্ট হৈছে।

# সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| কৃতজ্ঞতা স্বীকাৰ | ০.১ |
| অৱতৰণিকা | ০.২ |
| প্ৰথম অধ্যায় | |
| সৌৰভ কুমাৰ চলিহাৰ গল্পৰ পটভূমি | ১-২১ |
| দ্বিতীয় অধ্যায় | |
| সৌৰভ কুমাৰ চলিহাৰ গল্পৰ চৰিত্ৰ আৰু নাগৰিক জীৱন | ২২-৩৭ |
| তৃতীয় অধ্যায় | |
| সৌৰভ কুমাৰ চলিহাৰ গল্পৰ ৰচনা-ৰীতিৰ মাজত প্ৰতিফলিত নাগৰিক জীৱন-চেতনা | ৩৮-৫১ |
| চতুৰ্থ অধ্যায় | |
| মোখনি | ৫২-৫৩ |
| গ্ৰন্থপঞ্জী | ৫৪-৫৬ |

# সৌৰভ কুমাৰ চলিহাৰ গল্পৰ পটভূমি

**পাতনি ১.০** ঃ সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্ৰধান পটভূমি নগৰ। গ্ৰাম্য সমাজক পটভূমি হিচাপে সৌৰভ কুমাৰ চলিহাই অতি কম গল্প লিখিছে। সেয়ে তেওঁৰ গল্পত চহৰৰ পটভূমিৰ প্ৰাধান্য বেছি।

ভাৰতে স্বাধীনতা পোৱাৰ আগতো সৌৰভ কুমাৰ চলিহাই 'পাৰিজাত' আলোচনীত 'পাঞ্জাৱ সীমান্তৰ সহযাত্ৰী' (১৯৪৪) আৰু 'বাঁহী'ত 'কাৰ্লমাক্স, এৰা' (১৯৪৫) এই দুটা গল্প লিখিছিল যদিও স্বাধীনতাৰ পাছত লিখা গল্পবোৰহে উল্লেখযোগ্য। এইবোৰ গল্পতহে তেওঁৰ নাগৰিক জীৱন-চেতনা প্ৰতিফলিত হৈছে। সৌৰভ কুমাৰ চলিহাৰ গল্পৰ পটভূমি নিৰ্বাচন এনেদৰে ভাগ কৰি ল'ব পাৰি ঃ-

ক) অসমৰ চহৰৰ পটভূমিত লিখা গল্প।

খ) অসমৰ বাহিৰৰ, ভাৰতবৰ্ষৰ ভিতৰুৱা চহৰৰ পটভূমিত লিখা গল্প।

গ) ভাৰতৰ বাহিৰৰ চহৰৰ পটভূমিত লিখা গল্প।

এনেদৰে শ্ৰেণী বিভাজন কৰি সৌৰভ কুমাৰ চলিহাৰ গল্পৰ পটভূমিৰ বিষয়ে আলোচনা কৰা হৈছে।

## ২.১ অসমৰ চহৰৰ পটভূমিত লিখা গল্প ঃ-

সৌৰভ কুমাৰ চলিহাৰ গল্পত প্ৰতিফলিত নগৰ খন হল গুৱাহাটী। মাজে মাজে তেজপুৰ, শ্বিলং, নগাঁও নামবোৰ আহিছে যদিও এইবোৰ চহৰৰ পটভূমিত তেওঁ গল্প লিখা নাই। সাময়িকভাবেহে এনেবোৰ চহৰৰ নাম লৈছে। ১৯৫০ চনত 'অশান্ত ইলেক্ট্ৰন' গল্প লিখি বিশেষ পৰিচিতি পোৱা সৌৰভ কুমাৰ চলিহাই গুৱাহাটী চহৰকে এই গল্পৰ পটভূমি হিচাপে গ্ৰহণ কৰিছে। সেই সময়ছোৱাত ভাৰতে স্বাধীনতা পাইছিল আৰু চহৰৰ দ্ৰুত বিকাশ ঘটিবলৈ ধৰিছিল। অসমৰ চহৰ বোৰতো এই বিকাশ ঘটিবলৈ লৈছিল যদিও গুৱাহাটী চহৰৰেই বিকাশ দ্ৰুত আছিল। '১৯৪৮ চনৰ ১৬ জানুৱাৰীৰ পৰা গুৱাহাটী নগাঁও পথ ৰাষ্ট্ৰীয়কৰণ কৰি আঠখন বাছেৰে পৰীক্ষামূলকভাৱে ৰাজ্যিক পৰিৱহণ বিভাগ গঠন কৰে।' [১] এই পৰিবহণ ব্যৱস্থা আধুনিক গুৱাহাটী

সম্প্ৰসাৰণৰ বাবে এটা উল্লেখযোগ্য পদক্ষেপ আছিল বুলি ক'ব পাৰি। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় , গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটী উচ্চ ন্যায়ালয়, ডন্ বস্ক' হাইস্কুল স্হাপন হৈ শিক্ষা-সংস্কৃতি , সামাজিক, ৰাজনৈতিক ক্ষেত্ৰত গুৱাহাটীৰ গুৰুত্ব বঢ়াই তুলিলে। অসমীয়া সাহিত্যত এটি যুগৰ সুচনা কৰা ৰামধেনু আলোচনী প্ৰকাশ কৰা ৰামধেনু প্ৰকাশ ভৱন স্থাপিত হৈছিল ১৯৪৮ চনতেই। পৰৱৰ্ত্তী সময়ত ক্ৰমে অসম অভিযান্ত্ৰিক মহাবিদ্যালয় (১৯৫৫ চন), অসম ৰাজ্যিক চিৰিয়াখানা, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় (১৯৬০ চন), নুনমাটিত তেল শোধনাগাৰ স্থাপন, শৰাইঘাট দলং যাতায়তৰ বাবে মুকলি (১৯৬২) গুৱাহাটী চাহ নিলাম কেন্দ্ৰ স্থাপন (১৯৭০ চন) আদি বহুতো উল্লেখযোগ্য কাম হোৱাৰ পাছত ১৯৭১ চনত নগৰৰ স্বীকৃতিৰে গুৱাহাটীৰ পুনৰ্গঠন কৰা হয়। তাৰ পাছতে ১৯৭৩ চনত শ্বিলঙৰ পৰা গুৱাহাটীলৈ অসমৰ ৰাজধানী স্থানান্তৰ কৰা হয়। এনেভাৱে নানা দিশত গুৱাহাটীৰ পৰিবৰ্ত্তন আৰু পৰিবৰ্ধন ঘটিছে।

সৌৰভ কুমাৰ চলিহাই সৰুৰে পৰা বি.এছ.চি পাছ কৰা সময়লৈকে গুৱাহাটীত থাকি ১৯৫২ চনৰ শেষৰ ফালৰ পৰা ১৯৬০ চনলৈ আঠ বছৰ কাল বিদেশত কটাই গুৱাহাটীলৈকে ঘূৰি আহিছিল। এইফালৰ পৰা চাবলৈ গ'লে গুৱাহাটীৰ নগৰীয়া পৰিৱেশৰ লগত গল্পকাৰৰ গভীৰ পৰিচয় ঘটিছিল। এই গভীৰ সম্পৰ্কৰ অভিজ্ঞতা চহৰকেন্দ্ৰিক গল্প লিখাত বিশেষভাৱে সহায়ক হৈছিল। চলিহাই চহৰকেন্দ্ৰিক গল্পৰ পটভূমি নিৰ্মাণ কৰোঁতে প্ৰায়েই বিভিন্ন পৰিৱেশৰ একোটা খণ্ডচিত্ৰ নিৰ্মাণ কৰে।

**২.২** ৰেল আৰু ৰেল ষ্টেচনৰ খণ্ডচিত্ৰই সৌৰভ কুমাৰ চলিহাৰ গল্পত বিশেষ গুৰুত্ব পাইছে। আনকি গল্পকাৰে ব্যক্তিগত জীৱন-যাত্ৰাৰ প্ৰতীক হিচাপেও ৰেলৰ ব্যৱহাৰ কৰিছে। সৌৰভ কুমাৰ চলিহা ৰচনাৱলীৰ ভূমিকাতো সাংকেতিকভাৱে এনেদৰে ৰেল যাত্ৰাৰ প্ৰসঙ্গ আনিছে - "দূৰৰ পৰা এটা ক্ষীণ গুমগুমনি ভাঁহি আহিছে - ৰেল আহিব ধৰিছে। অৰ্থাৎ আহিল বিদায় লোৱাৰ সময়। চিৰতৰে হয়তো নহয়, অন্তঃ লেখকৰ জীৱনৰ পৰা।" [২]

ৰেল ষ্টেচনৰ বিভিন্ন ধৰণৰ মানুহৰ সমাগম আৰু বিভিন্ন ধৰণৰ কথা-বতৰা, চিঞৰ-বাখৰৰ মিহলি ৰূপ চলিহাই গল্পত ফুটাই তুলিছে। ৰাতিৰ ৰেল গল্পত ৰেলত উঠি গল্পৰ নায়কে ৰাতিৰ নগৰী এইদৰে প্ৰত্যক্ষ কৰিছে।

"চকুৰ কোণেৰে তেওঁ ধৰিব পাৰিলে প্লেটফৰ্মৰ মানুহ আৰু হৈ হাল্লা কাষেৰে পাৰ হৈ গৈছে, ইঞ্জিনৰ শ্বে'ড, ওখ ওখ লাইট আৰু চিগ্‌নেল, অকস্মাৎ আকৌ এক ঝলক কোলাহল, বৈ থকা ডাব্বাৰ শাৰী, দেৱালৰ গাত চিনেমাৰ প্ৰকাণ্ড বিজ্ঞাপন, ব্ৰেণ্ডি আৰু মটৰৰ টায়াৰৰ মস্ত মস্ত হাৰ্ডিং, এটা লেভেল ক্ৰছিং, ডিজেল ট্ৰাক, এম্বেছেডৰ গাড়ী, ৰিক্সা আৰু এটা কুকুৰ ক্ৰছিঙত বৈ আছে, চহৰৰ উপকণ্ঠত নতুন নতুন ঘৰ উঠিছে বহু আলোকিত খিৰিকি, চুবৰিৰ এখন ব্যস্ত ভোজনালয়ৰ পৰা হঠাৎ এক টুকুৰা ফিল্মৰ গান, আন্ধাৰ, একোখণ্ড ক'লা পানীৰ বুকুত প্ৰতিফলিত পোহৰ, এটা সমান্তৰাল মটৰ ৰাস্তা, অস্পষ্ট টেলিগ্ৰামৰ তাঁৰ।"[৩]

'ধ্ৰুৱক' নামৰ গল্পটোতো ৰেল ষ্টেচনৰ পৰিৱেশ অংকন কৰা হৈছে।

**২.৩** মহানগৰীৰ নিৰ্মীয়মান আট্টালিকা, বিসদৃশ ঘৰ-দুৱাৰ, উদ্যোগ, দোকান, বজাৰ আদিৰ খণ্ডচিত্ৰও বহুতো গল্পৰ মাজেৰে ফুটি উঠিছে। বিশেষ পৰিকল্পিত ভাৱে গঢ়লৈ নুঠা ভাৰতৰ চহৰবোৰৰ মাজত গুৱাহাটীও এখন। এনে অপৰিকল্পিতভাৱে বাঢ়ি অহা গুৱাহাটীৰ সম্পৰ্কে সৌৰভ কুমাৰ চলিহাই কিছুমান ৰচনাত মুকলিকৈয়ে শ্লেষাত্মকভাৱে বিষোদ্‌গাৰ কৰিছে। 'নিষ্প্ৰদীপ' নামৰ ৰচনাখনত তেওঁ লিখিছে - " আমাক লাগে পুৰণি সেইবোৰ ভাঙি মুচৰি কিছুমান আকাশচুম্বী আট্টালিকা, যিবোৰত আমি বিদেশী ব্যৱসায়ীক গোঁজপুতি বহিবলৈ সুবিধা কৰি দিম, ৰাস্তা-নলা-নৰ্দমা একাকাৰ কৰি চহৰবোৰ বিশাল আৱৰ্জনা স্তুপত পৰিণত কৰি তাৰ হাল্লা আৰু দুৰ্গন্ধৰ মাজেৰে শেহতীয়া মডেলৰ মটৰগাড়ী, স্কুটাৰ আৰু মটৰ চাইকেলৰ দুৰ্ভেদ্য জঁট সৃষ্টি কৰি কোটি কোটি টকা বাহিৰলৈ পঠিয়াই দিম। "[৪] লেখক জীৱনৰ পাছৰ ফালে এনেদৰে প্ৰবন্ধৰ মাজেৰে গুৱাহাটীৰ চিত্ৰখন আঁকি উলিওৱা সৌৰভ কুমাৰ চলিহাই বিভিন্ন গল্পৰ মাজতো গুৱাহাটীৰ এনে এখন চিত্ৰ আঁকিছে। 'বীণা কুটিৰ' গল্পত আছে -

অনতিদূৰত 'হৰলালকা ট্ৰঙ্ক এণ্ড বাকেট ৱৰ্কচ' আৰু 'সিংহানিয়া ড্ৰাগচ্‌ প্ৰাইভেট লিমিটেড'ৰ গুদাম সহিত বাসভৱন, আনহাতে এটা আধাবন্ধা ঘৰৰ বাঁহৰ স্কেফাল্ডিং পাৰ হৈ সংমিশ্ৰিত দোকানঘৰ ভৰ্তি কৰি আন এটা বিল্ডিং, যাৰ সম্পূৰ্ণ তলৰ মহলা জুৰি 'স্পীড্‌ ৰেল ৰ'ড ট্ৰেন্সপ'ৰ্ট,

কর্পৰেশ্যন'ৰ বস্তা আৰু পেকিং বাক্সৰ স্তূপ, আৰু ওজন কৰা তুলাৰ প্লেটফৰ্ম, সমুখত ডিজেল ট্ৰাক আৰু ৰিক্সা আৰু ঠেলাগাড়ীৰ হাল্লা, ৰৈ ৰৈ চাৰিওকাষৰ ছাতবোৰৰ টেঙ্কলৈ পানী উঠোৱা পাম্পৰ ঘট্ ঘট্ আৱাজ......।[৫]

২.৪ বিভিন্ন ধৰণৰ যন্ত্ৰৰ আৱাজ, মানুহৰ চিঞৰ-বাখৰ, বিভিন্ন ভাষা-ভাষী, মানুহৰ কথা-বতৰাৰ টুকুৰা-টুকুৰি অংশ নগৰীয়া জীৱন এৰাব নোৱৰা বস্তু। এই নগৰীয়া জীৱনত এই উপাদান সমূহ সৌৰভ কুমাৰ চলিহাৰ গল্পৰো উপাদান হৈছে। আনকি বিভিন্ন ধৰণৰ অশান্তিকৰ শব্দ আৰু কোলাহল আৰু এই কোলাহলৰ পৰা মুক্তি 'আৱাজ' গল্পৰ বিষয়বস্তু হিচাপে নিৰ্বাচন কৰিছে। আন বহুতো গল্পৰ লগতে 'আৱাজ' গল্পতো দেখো নগৰৰ প্ৰাত্যহিক কোলাহল —

......... ফন্ বাজে, টাইপৰাইটাৰ চলে, আৰু আধাখোলা দুৱাৰখনেৰে তিনিটা ফ্লেট-মেশ্বিন আৰু এটা মনটাইপৰ সংমিশ্ৰিত ধ্বনি সৰ্বক্ষন ভাঁহি আহে আন সকলো তল পেলাই; সিহঁতৰ শব্দ তেওঁ ৰাতি টোপনিতো শুনেঃ ঘট্লং ঘট্লং ক্ৰিট্ ক্ৰিট্ ক্ৰিট্ ক্লক - ঘট্লং ঘট্লং ক্ৰিট্ ক্ৰিট্ ক্ৰিট্ ক্লক ........

এটা চ-মিলত তেতিয়াও অবিশ্ৰান্ত ঝি-ই-ট্-ঝি-ই-ট্- শব্দে ফুলস্পীডত বৈদ্যুতিক কৰতে কাঠ কাটি থাকে, সেইটোৰ কাষতে এটা ঝলাইৰ প্ৰতিষ্ঠান, তাত টিনপাত কাটে, নিউমে'টিক ড্ৰিল ঘূৰে। প্ৰতিখন বাছৰ প্ৰতিটো পাৰ্ট লূজ, নাট-বল্টু, ইস্কুপ - দুৱাৰ-খিৰিকী সমস্ত ঢিলা, বাছখন চলে ওৰে ৰাস্তা খটলাং খাটলুং ঘাটলাং ঘুটলুং ঢাং ঢিং - গাড়ী গাড়ী গাড়ী , ক্ষণে ক্ষণে কৰ্কশ শব্দে গীয়েৰ বদলাইছে আৰু ব্ৰেক মাৰিছে, ৰিক্সা স্কুটাৰ ট্ৰাক লৰী অসংখ্য ইঞ্জিনৰ অসংখ্য শব্দ, অসংখ্য হৰ্ন পেঁ-পোঁ- পেঁ-পোঁ-টিট্ টিট্ টিট্ টি-ই-ই-ট, পাইপ লাইন মেৰামত হৈছে, হাতুৰীৰ টং টং আৰু শ্বাঁ শ্বাঁকৈ ৰেল্ডিং চলিছে, ট্ৰেঞ্জিষ্টৰৰ পৰা ফিল্মৰ গান, এটা শোভাযাত্ৰা শ্লগান, ঢোল বজাই বজাই এদল হিন্দুস্থানী মানুহ পাৰ হৈ গ'ল।[৬]

'লাখটকীয়াত' নামৰ গল্পত নেকিব, হৰেন, নৰেন, সুৰেন, কাম কৰা ল'ৰা য়াকুব — সকলোৰে কথা পাতে যদিও প্ৰত্যেকৰে কথা কোৱৰ ঢং বেলেগ, বিভিন্ন

কথনভঙ্গীৰ লোকৰ সমাহাৰে গল্পটোত এটা চহৰীয়া পৰিৱেশ ফুটাই তুলিছে।

**২.৫** সৌৰভ কুমাৰ চলিহাৰ গল্পত বিভিন্ন ঋতুত গুৱাহাটীত সৃষ্টি হোৱা বিভিন্ন পৰিৱেশ ফুটাই তুলিছে। অৱশ্যে ঋতু সম্পৰ্কে সচেতন হৈ গল্পকাৰে এই পৰিৱেশ ফুটাই তুলিবলৈ যোৱা নাই। পৰিৱেশে সৃষ্টি কৰা অৱস্থাৰ বিষয়ে সচেতন হৈহে এনে কৰিছে। কলিকতাৰ পটভূমিত লিখা গল্প 'বাসন্তিকা'ত বসন্তৰ পৰিৱেশ আৰু জাৰ্মানীৰ নগৰৰ পটভূমিত লিখা গল্প 'চেমেষ্টাৰ শেষ' ত শীতৰ পৰিৱেশৰ কথা আছে যদিও গুৱাহাটীৰ পটভূমিত লিখা 'গোলাম' গল্পত বাৰিষাৰ জঘন্য পৰিৱেশৰ কথা আছে। গল্পৰ মূল চৰিত্ৰৰ পশ্চাৎ ৰোমন্থনৰ মাজেৰে বাৰিষাৰ পানীয়ে কৰা গুৱাহাটীৰ জঘন্য পৰিৱেশৰ কথা ফুটি উঠিছে। ডাঙৰ ৰাস্তাৰ পৰা গাড়ী, ৰিক্সা যাব নোৱৰা পথটি সোঁত থকা নদীৰ দৰে হৈছে। মানুহে শুদা ভৰিৰে ট্ৰাউজাৰৰ ঠেং কোঁচাই খাল পাৰ হৈছে। ছোৱালীহঁতে মেখেলা-চাদৰ কোঁচাই হাতত চেণ্ডেল লৈ স্কুললৈ অহা-যোৱা কৰে। বৰষুণৰ বতৰৰ লগে লগে ঘৰৰ বেৰ মজিয়াত সৰু ভেকুলী, শামুক, বিছা, বিভিন্ন কীট-পতঙ্গ বগাই ফুৰিছে। কিছুমান তল খাপৰ কাম কৰা মানুহৰ ল'ৰা-ছোৱালীবোৰে বিলৰ পাৰত কৰা শৌচ পানীৰ লগত মিহলি হৈ সোমাই আহিছে। গুৱাহাটীত গঢ় ল'বলৈ ধৰা বস্তি অঞ্চলৰ ধৰণাও এই গল্পতে পাওঁ। এনেধৰণৰ খুটি-নাতি বৰ্ণনাৰে গোলাম গল্পৰ পটভূমি নিৰ্মাণ কৰা হৈছে।

**২.৬** গুৱাহাটীৰ বিভিন্ন সময়ৰ পৰিৱেশো সৌৰভ কুমাৰ চলিহাৰ গল্পত সোমাই পৰিছে। 'দুপৰীয়া' গল্পত গুৱাহাটীৰ বাসোপযোগী এলেকাৰ দুপৰীয়াৰ শান্ত পৰিৱেশ, 'বাচ নহালৈ' গল্পত গ্ৰীষ্মকালৰ ভৰলুমুখৰ নিৰ্জন 'বাচ ষ্টপেজ' এটাৰ দুপৰীয়া সময়ৰ পৰিবেশ এটাৰ চিত্ৰ অঙ্কন কৰা হৈছে। মন কৰিব লগীয়া কথা যে আমি উল্লেখ কৰা গল্প দুটাৰ ৰচনাকাল ক্ৰমে ১৯৬৩ আৰু ১৯৬৬ চন। সেই সময়ত গুৱাহাটীত গাড়ী মটৰৰ সংখ্যা যথেষ্ট কম আছিল আৰু সেয়ে ভৰ দুপৰীয়া আজিৰ দিনৰ ব্যস্ততাপূৰ্ণ ভৰলুমুখ সেই সময়ত নিৰ্জন দুপৰীয়া হৈ পৰিছিল আৰু সেই খিনি সময়ত বাছলৈ বহুপৰ অপেক্ষা কৰিবলগীয়া হৈছিল। গ্ৰীষ্মকালৰ দুপৰীয়াৰ মহানগৰৰ চিন গল্পকাৰৰ ৰ মাধ্যমেৰে এইদৰে ফুটি উঠিছে --

নদীৰ পৰা কিবা এবিধ ধুৱলীৰ দৰে উঠিছে। সমস্ত ৰাস্তা যাক কয় খাঁ খাঁ

> কৰিছে, এছাটি বতাহ পর্যন্ত নাই। নদীৰ পাৰৰ পৰা মাজে মাজে ধোৱাই হেইচ্ছৌ হেইচ্ছৌ কৰি শিলত কাপোৰ আছাৰাৰ শব্দ আহিছে। সমূখৰ পানৰ দোকানখান বন্ধ, দোকানী বয়তে খাবলৈ গৈছে। ৰাস্তাত পিচ গলিব ধৰিছে।[৭]

সেইধৰণে 'ইৰা' গল্পত পুৱাভাগৰ গুৱাহাটী, 'পাৰ্কত সন্ধিয়া' গল্পত সন্ধিয়াৰ, 'চেলুনত', 'ষ্টুডিঅত' আদি গল্পত মহানগৰীৰ বিভিন্ন স্থানৰ আৰু ক্ষেত্ৰৰ পৰিস্থিতিৰ চিত্ৰ আছে।

**৩.০** সৌৰভ কুমাৰ চলিহাৰ গল্পত নগৰীয়া পৰিৱেশৰ নানা চিত্ৰ পালেও তেওঁৰ গল্পত ঘাইকৈ যি খন সমাজৰ চিত্ৰ পোৱা যায়, সেইখন হ'ল অসমীয়া নগৰীয়া মধ্যবিত্তৰ সমাজ। সমাজৰ মানুহৰ চিত্ৰ অংকন আৰু পৰিৱেশৰ প্ৰয়োজনত হে উচ্চবিত্ত আৰু নিম্নবিত্ত সমাজৰ সময়ে সময়ে উল্লেখ পোৱা যায়। ইয়াৰ কাৰণ কেইবাটাও হ'ব পাৰে। প্ৰথমতে, গল্পকাৰ নিজেই মধ্যবিত্ত শ্ৰেণীৰ লোক আৰু তেওঁ সৰুকালৰ পৰা মিলা-মিচা প্ৰধানকৈ মধ্যবিত্তীয় শ্ৰেণীৰ লোকৰ লগতেই কৰিছে। সেইফালৰ পৰা এই শ্ৰেণীটোৰ লগত তেওঁৰ পৰিচয় অধিক গাঢ়। দ্বিতীয়তে চহৰীয়া পটভূমিৰ হ'লেও তেওঁৰ গল্পৰ মূল চৰিত্ৰ অসমীয়া মানুহেই। সেইসকল মানুহ চাকৰিজীৱী, বেছি ভাগৰে শিক্ষা-দীক্ষা থকা। সময়ে সময়ে ব্যৱসায়-বাণিজ্য কৰা দুই-এক চৰিত্ৰয়ো ভূমুকি নমৰাকৈ নাথাকে। স্বাভাৱিকতে সৌৰভ কুমাৰ চলিহাৰ গল্পত বৰ্ণিত অসমীয়া সমাজখনে মধ্যবিত্ত শ্ৰেণীৰ চৰিত্ৰ এটা লাভ কৰিছে।

অৱশ্যে সৌৰভ কুমাৰ চলিহাৰ গল্পত বৰ্ণিত মধ্যবিত্ত সমাজখন সম্পূৰ্ণভাৱে অসমীয়া সমাজ নহয়। অসমীয়া পৰিয়ালৰ লগত জড়িত হৈ পৰা বঙালী সমাজৰ দুই এটা চৰিত্ৰও মাজে মাজে গুত্বপূৰ্ণ চৰিত্ৰ হৈ দেখা দিয়ে। বাকী ব্যৱসায়ী নিম্নশ্ৰেণীৰ যি প্ৰসঙ্গ গল্পৰ মাজত দেখা যায়, সি চহৰীয়া পটভূমিৰ প্ৰয়োজনত অহা।

**৩.১** চহৰীয়া জীৱনৰ দ্বিধা-দ্বন্দ্ব , ৰাজনৈতিক আৰু ব্যক্তিগত আদৰ্শ আৰু মতবাদৰ সংঘাত আদিৰ বিভিন্ন ৰূপ চলিহাৰ গল্পত প্ৰতিফলিত হৈছে। 'অশান্ত ইলেক্ট্ৰন' গল্পত কেইবাটাও ভিন্নমুখী চৰিত্ৰৰ লোক পোৱা যায়। আনহাতে "আকৌ নাগৰিক জীৱনৰ জটিল সমস্যাবোৰৰ কেইটামান চহৰীয়া চৰিত্ৰৰ মানসিকতাৰ মাজেদি প্ৰতিফলিত হ'লেও

স্বাধীনতা পৰৱৰ্তী অসমৰ সামগ্ৰিকভাৱে অস্থিৰ অৰ্থনৈতিক, ৰাজনৈতিক সামাজিক চিত্ৰ এখনো গল্পটোৰ মাজেদি প্ৰতিফলিত হৈছে।"[৮]

**৩.২** সৌৰভ কুমাৰ চলিহাৰ চহৰকেন্দ্ৰিক গল্পত ৰাজনৈতিক জীৱনৰ কথা কওঁতে প্ৰধানকৈ 'অশান্ত ইলেক্ট্ৰন' গল্পত প্ৰকাশিত ৰাজনৈতিক চেতনাৰ কথাই ক'ব লাগিব। গল্পটোত নিখিলৰ দেউতাক এজন বৃদ্ধ মানুহ। তেওঁ কৰ্ম অক্ষম কিন্তু মানসিকভাৱে দৃঢ় আৰু গান্ধীবাদত বিশ্বাসী। তেওঁ এজন আৰ্দৰ্শ মানুহ – "যিজনে আজিলৈকে অসংখ্য ধুমুহাৰ মাজতো নিজৰ চৰিত্ৰত অকণো চেকা নলগালে। অসংখ্য ৰকমৰ সুবিধাৰ মাজতো যিজনে এটাও অন্যায় নকৰিলে।"[৯] কিন্তু তেওঁৰ এজন পুত্ৰ কন হিংসাত বিশ্বাসী আৰু নিষিদ্ধ সংগঠনত যোগ দি সশস্ত্ৰ বিপ্লৱ কৰিবলৈ গৈছে। আনহাতে কৰুণাবাবু এজন কমিউনিষ্ট, যিজনে সুবিধা পালেই বক্তৃতা দিবলৈ আৰম্ভ কৰে। কিন্তু তাৰ মাজতো তেওঁ আত্ম সমালোচনা কৰি চাব পাৰে আৰু নিজৰ ভুলত লাজো পায়। কৰুণাবাবুৰ দৃষ্টিভঙ্গী এইদৰে ফুটি উঠিছে - "চৰকাৰ আজি সম্পূৰ্ণ ফেচিষ্ট। খোলা খুলিভাৱে কোনো সংগঠনৰ সুবিধা আজি নাই। সভা এখন কৰাৰ আজি স্বাধীনতা নাই, কাগজ এখনত দুটা কথা লিখাৰ আজি মানুহৰ অধিকাৰ নাই।" ১৯৫০ চনত লিখা এই গল্পটোত ৰাজনৈতিক চেতনা থকা আটাইকেইজন ব্যক্তি নিজ আদৰ্শত গভীৰ বিশ্বাসী। কিন্তু ১৯৬৯ চনত লিখি উলিওৱা 'গোলাম' গল্পত ৰাজনীতিৰ লগত জড়িত সমাজকৰ্মীৰ এটা কদাকাৰ, স্বাৰ্থপৰ ৰূপৰ কথা দুটামান বাক্যত এনেদৰে প্ৰকাশ কৰিছে – "গলিৰ প্ৰায় মুখতে মানিকবাবুৰ নতুন ঘৰটো।মানিবাবু ৱাৰ্ড কাউন্সিলাৰৰ ঘৰৰ সন্মুখৰ পৰা বাহিৰ ওলোৱা গলিখিনিয়েই ৰহস্যময় কাৰণত গমণসাধ্য।"[১০]

**৩.৩** চলিহাৰ গল্পবোৰৰ মাজত চহৰীয়া অৰ্থনৈতিক জীৱনো প্ৰতিফলিত হৈছে। মধ্যবিত্তীয় জীৱনলৈ মাজে মাজে অহা অভাৱ-অনাটন, জোৰা-টাপলি মাৰি চলিব লগীয়া অৱস্থাৰ প্ৰতিফলন 'অশান্ত ইলেক্ট্ৰন' গল্পত ঘটিছে। 'বাৰ্‌কাৰল' গল্পত প্ৰণৱহঁতৰ ঘৰখন ভাড়াঘৰৰ পইচা আৰু মোমায়েকৰ সাহায্যত চলিবলগীয়া হৈছে। তাৰ মাজতে ঠিকাৰ কাম কৰা চতুৰ ৰতনে ১৯৩২ মডেলৰ পুৰণা ফৰ্ড গাড়ী এখনো কিনিছে।

মানুহবোৰৰ জীৱিকাৰ ভিতৰত উকীল, পেস্কাৰ আদি শব্দবোৰ বেছি ব্যৱহাৰ হৈছে। ভাড়াঘৰৰ প্ৰসঙ্গ কেবাঠাইতো আহিছে। 'ধ্ৰুৱা ঘটনা' গল্পটো ভাৰাঘৰক লৈয়ে সৃষ্টি হৈছে। 'বীণা কুটিৰ' গল্পটোৰ জন্মও হৈছে এজন ডেকাই ভাৰাঘৰ বিচৰাৰ মাজেৰে। কোনো কোনোৱে দোকানত চেলচ্‌মেনৰ কাম কৰিছে বা কোনোবাই সৰু সুৰা দোকান দিছে। 'ধ্ৰুৱক' গল্পটোত দেখা যায় — ৰেল ষ্টেচনত কিতাপ-আলোচনীৰ দোকান দি পেট প্ৰৱৰ্ত্তোৱা মানুহজনৰ অৰ্থনৈতিক দুৰ্দশাৰ চিত্ৰ। ৰেলষ্টেচনৰ বহু পৰিৱৰ্ত্তন ঘটিলেও তেওঁৰ কোনো পৰিৱৰ্ত্তন নঘটিল। কিন্তু ঘৰৰপৰা ৰেলেৰে পলাই যোৱা ধূৰ্ত্ত প্ৰকৃতিৰ ল'ৰাটোৱে দিল্লী কলিকতা আদি ঠাইত ব্যৱসা পঠেৰে বহু ধন উপাৰ্জন কৰি ঘুৰি আহিছে। চলিহাৰ গল্পত উপাৰ্জনৰ পাঠ নথকা পৰৰ ওপৰত নিৰ্ভৰশীল কিছুমান ডেকা চৰিত্ৰও পোৱা যায়। অসৎ পথেৰে উপাৰ্জন কৰি বহুলোক ধনী হোৱাৰ কথা গল্পবোৰৰ মাজত বৰ্ণিত হৈছে।

**৩.৪** সৌৰভ কুমাৰ চলিহাৰ চহৰকেন্দ্ৰিক গল্পবোৰত এক ভাঙোনমুখী অৱস্থাৰ সমাজ ব্যৱস্থা প্ৰতিফলিত হৈছে। চহৰৰ দ্ৰুত উন্নয়ন, জীৱনৰ দ্ৰুত গতিৰ লগত পুৰণিচামে তাল মিলাব পৰা নাই। নতুনচামৰো কিছুমানে নতুন ব্যৱস্থাৰ লগত সমানে তাল মিলাই আগবাঢ়িব পৰা নাই। আনহাতে আন এচামে আকৌ এই প্ৰতিযোগিতামূলক ব্যৱস্থাৰ লগত তাল মিলাই নিজৰ আদৰ্শ জলাঞ্জলি দি যি কোনো প্ৰকাৰে আগবাঢ়িবলৈ যত্ন কৰিছে। এই তিনি শ্ৰেণী মানুহৰ ভিন্নমুখী চৰিত্ৰই সমাজ ব্যৱস্থাটোকে ভাঙোনমুখী আৰু জটিল কৰি তুলিছে।

চলিহাৰ প্ৰথম পৰ্যায়ৰ গল্প 'অশান্ত ইলেক্ট্ৰনত' যৌথ পৰিয়ালৰ অৱশিষ্ট ৰৈছেগৈ। তদুপৰি সেইখন ঘৰলৈ ৰঞ্জন, যতিবাবু, কৰুণাবাবু, ভিনিহিদেউ আদিৰ সঘন অহা-যোৱা চলা ব্যৱস্থাটোৱে অসমীয়া সমাজৰ পৰিয়ালৰ সুগঠিত ৰূপ এটাকে প্ৰকাশ কৰিছে। 'বাৰ্‌কাৰল', 'দুপৰীয়া' আদি গল্পবোৰতো গল্পৰ কেন্দ্ৰত থকা পৰিয়ালবোৰলৈ আলহী-অতিথিৰ সঘন অহা-যোৱা দেখিবলৈ পোৱা যায়। আনহাতে 'এহাত ডাবা' 'বীণা কুটিৰ' আদি গল্পত সেই পৰিৱেশ সম্পূৰ্ণভাৱে অন্তৰ্হিত হৈ ব্যক্তিকেন্দ্ৰিক অৱস্থাই গা কৰি উঠিছে।

আৰ্দশ ত্যাগী আত্মকেন্দ্ৰিকতা 'বীণা কুটিৰ' গল্পত সুন্দৰভাৱে প্ৰতিফলিত

হৈছে। এটা পুৰণা পৈত্ৰিক ঘৰক লৈ তেওঁৰ অধ্যাপক আৰু চিকিৎসক পুত্ৰৰ মাজত টনা-আজোৰা হৈ কাজিয়া গৈ আদালত পাইছেগৈ। অধ্যাপকে ঘৰটো ভাঙি তাত প্ৰেছ স্থাপন আৰু টিউচনৰ কেন্দ্ৰ খোলাৰ কথা ভবাৰ বিপৰীতে ডাক্তৰে তাত নাছিংহোম এখন খোলাৰ কথা ভাবিছে।

প্ৰতিযোগিতা চহৰকেন্দ্ৰিক জীৱন এৰাব নোৱৰা অঙ্গত পৰিণত হৈছে। তীব্ৰ প্ৰতিযোগিতাই জীৱনলৈ কাঢ়িয়াই অনা দুঃসহ নিঃসঙ্গতা, পৰাজয়ৰ চিত্ৰ 'ৰাতিৰ ৰেল' গল্পত ফুটি উঠিছে। এসময়ত বাতৰি কাকতৰ বিভিন্ন তথ্য মূৰত সুমুৱাই নল'লে জীৱনত পাছ পৰি যাব বুলি ভবা জুনু গোস্বামীয়ে সংসাৰেই নকৰিলে। 'গোলাম' গল্পত আকৌ নায়কে যিকোনো প্ৰকাৰে বিদেশলৈ গৈ ডিপ্লোমা এখন যোগাৰ কৰি দেশত সৰহকৈ ধন ঘটি বিলাসৰ জীৱন কটোৱাৰ কথা ভাবিছে । সমাজৰ দায়িত্ব তেওঁ ল'ব খোজা নাই। 'বাৰ্‌কাৰল' গল্পৰ প্ৰণৱৰ মোমায়েক বাস্তৱবাদী আৰু কৰ্তব্যশীল। প্ৰণৱৰ কলা বা সাহিত্য সাধনা তেওঁৰ বাবে 'বেবেৰিবাং সোপা'। আনহাতে 'এহাত ডাবা'ৰ এটা মূল চৰিত্ৰ 'মই' অতিশয় স্বাৰ্থপৰ আৰু আনৰ প্ৰতি সাংঘাতিক ধৰণে উদাসীন। তেওঁ বেণু মিশ্ৰৰ লগত ডাবা খেলে সময় পাৰ কৰিবলৈ। কোনোদিনে তেওঁ বেণু মিশ্ৰই ক'ব খোজা জীৱনৰ কথা শুনিব নোখোজে। তেওঁক ডাবাখেলত জিকিবলৈকো নিদিয়ে বা দামী মদকণৰ সোৱাদ লবলৈকো নিদিয়ে। আনহাতে বন্ধুৱে প্ৰতাৰণা কৰা চৰিত্ৰ এটা হ'ল বেণু মিশ্ৰ। সৰল মনৰ বেণু মিশ্ৰক কোনো হেতু নথকাকৈয়ে বন্ধুৱে প্ৰেমৰ ক্ষেত্ৰত ঠগি যায়। এনেধৰণৰ ভাল-বেয়া, স্বৰ্থপৰ, আত্মকেন্দ্ৰিক, বহল অন্তৰৰ বহুত চৰিত্ৰৰ মানুহে সৌৰভ কুমাৰ চলিহাৰ গল্পৰ চহৰকেন্দ্ৰিক সমজখনত ঠাই লৈছে। বিভিন্ন সময়ৰ প্ৰয়োজন বা তাগিদাত চহৰীয়া চৰিত্ৰবোৰে ইংৰাজী, বঙালী, হিন্দুস্তানী মিহলি শব্দৰে মিহলি ভাষা কৈছে। ই চহৰীয়া জীৱনৰেই এটা দিশ প্ৰতিফলিত কৰে।

কিন্তু এই গল্পবোৰৰ মাজত মানৱীয়তাৰো অনুসন্ধান চলিছে। বহুত সময়ত বিপদত এজন আনজনৰ ওচৰত থিয় দিছে। 'অশান্ত ইলেক্ট্ৰন' গল্পত ৰঞ্জন, কৰুণাবাবু , 'বাৰ্‌কাৰল' গল্পৰ মামা, মহেশ বৰুৱা আদি তেনে চৰিত্ৰ। তেওঁলোকে পাৰ্যমানে মানৱীয় প্ৰমূল্যবোৰ ৰক্ষা কৰি চলিছে। 'বীণা কুটিৰ' গল্পৰ ভাৰাঘৰ বিচাৰি ফুৰা ডেকাজনৰ সুতীব্ৰ মানৱীয় চেতনা তেওঁৰ কল্পনাৰ মাজেৰে প্ৰকাশিত হৈছে। 'আৱাজ'

গল্পত অসহনীয় সীমাহীন চিঞৰ-বাখৰ, যান্ত্রিক শব্দৰ মাজত পত্নীৰ মাততে মনৰ হেৰোৱা শান্তি ঘূৰাই পাইছে। 'বাৰ্কাৰল' গল্পত সাহিত্য চৰ্চাত মগ্ন প্ৰণৱৰ কোঠাত সোমাই তাৰ মাকে অনুভৱ কৰিছে —

> এখন বেলেগ জগত — লোভ আৰু কুটিলতাৰ পৰা বাহু আঁতৰত, হিংসা আৰু ঈৰ্ষাৰ পৰা বিচ্ছিন্ন সঁচাকৈয়ে ৰাতিয়ে কোঠালিটোক যেন ৰূপান্তৰিত কৰি দিছে, দিনৰ উত্তেজনা আৰু উত্তাপ অৱলুপ্ত, দিনৰ তীব্ৰতা আৰু ব্যথাৰ কোনো ছাপ নাই, তাৰ ঠাইত কোঠাটোত এটা শীতলতা ব্যপ্ত, এটা শান্তিপূৰ্ণ উদ্যমশীলতাৰ প্ৰতিশ্ৰুতি। ইয়াত মানুহ এজনে কিবা এটা সৃষ্টি কৰাৰ জন্ম দিয়াৰ চেষ্টা কৰিছে। [১১]

এনেদৰে সৌৰভ কুমাৰ চলিহাৰ গল্পত চহৰীয়া সমাজ জীৱনৰ বহুতৰপীয়া ৰূপৰ প্ৰতিফলন ঘটিছে। আমাৰ আলোচ্য গল্পবোৰ সময়ৰ পৰিধিৰ পৰা চাবলৈ গ'লে যোৱা শতিকাৰ পঞ্চাশৰ দশকৰ পৰা সত্তৰৰ দশকৰ প্ৰথম তিনিটা বছৰলৈকে সম্প্ৰসাৰিত। কিন্তু তাত প্ৰতিফলিত চহৰীয়া সমাজ আৰু আজিৰ চহৰীয়া সমাজৰ মাজত যান-জঁট আৰু উদ্যোগ বৃদ্ধিৰ বাহিৰে বিশেষ পাৰ্থক্য নাই।

**৪. অসমৰ বাহিৰৰ, ভাৰতবৰ্ষৰ ভিতৰুৱা চহৰৰ পটভূমিত লিখা গল্প ঃ-**

সৌৰভ কুমাৰ চলিহাৰ গল্পত বোম্বে, দিল্লী আদি চহৰৰ কথা উল্লেখ কৰা হৈছে। 'ধ্ৰুৱক' গল্পৰ পটভূমিয়ে গুৱাহাটী ৰেল ষ্টেচনৰ পৰা আৰম্ভণ্ডকৰি কলিকতা, মোগলচৰাই, পৰাক্কাবাদ, দিল্লী, চিন্দ্ৰিকোট, বোম্বে, সমষ্টিপুৰ, কাশী, লক্ষ্নৌ, কিষানগঞ্জ আদি চহৰকো সামৰি লৈছে। অৱশ্যে গল্পৰ মূল চৰিত্ৰটোৱে ঘৰৰ পৰা পলাই গৈ বিভিন্ন ব্যৱসায়, ধূৰ্তালি আদিৰ লগত জড়িত হৈ ইঠাইৰ পৰা সিঠাইলৈ ঘূৰি ফুৰা কাৰণেই উক্ত চহৰবিলাকৰ কথা আহিছে যদিও এই গল্পত গুৱাহাটী ৰেলষ্টেচনৰ বাহিৰে পটভূমি হিচাপে কোনো ঠাইৰে বিশদ বিৱৰণ নাই। এক কথাত কবলৈ গ'লে এই গল্পৰ পটভূমি নিৰ্মাণত চহৰবোৰৰ ওপৰেদি বিহঙ্গম বিচৰণৰ দৰেহে হৈছে।

**৪.১** কিন্তু তাৰ বিপৰীতে সৌৰভ কুমাৰ চলিহাৰ গল্পত চহৰীয়া পটভূমি হিচাপে কলিকতাই বিশেষ গুৰুত্ব পাইছে। পুৰণি কালৰ পৰাই বঙ্গদেশৰ লগত অসমৰ যোগাযোগ আছিল। ব্ৰিটিছে অসম অধিকাৰ কৰাৰ পাছত এই যোগাযোগ আৰু বৃদ্ধি পালে। ১৯৯০ চনত জব

কার্নক নামৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰশাসকজনে কলিকতাৰ গুৰুত্ব বুজি এই চহৰখন স্থাপন কৰে।[১২] ইয়াৰ পাছত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক দিশত আগবাঢ়ি কলিকতাখন ভাৰতৰ ভিতৰতে উল্লেখযোগ্য চহৰ হৈ পৰে। ১৭৭২ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কলিকতা নিজৰ দখললৈ নিয়াৰ পিছত ১৯১১ চন পৰ্যন্ত ব্ৰিটিছ শাসনৰ ভাৰতৰ ৰাজধানী হিচাপে চলি থাকে। ১৭৮০ চনত জেমছ্ হিকীয়ে প্ৰতিষ্ঠা কৰা প্ৰেছৰ পৰা প্ৰথম ভাৰতীয় বাতৰি কাকত ' The Bengal Gazzette" প্ৰকাশ পায়। ১৭৮৪ চনত 'The Calcutta Gazzette' ওলায় আৰু 'The Asiatic Society' গঠন হয়। ১৮০১ চনত ফোৰ্ট উইলিয়াম কলেজ, ১৮১৭ চনত হিন্দু কলেজ (বৰ্ত্তমান প্ৰেচিডেন্সি কলেজ) আৰু ১৮৫৭ চনত কলকতা বিশ্ববিদ্যালয় স্থাপন হৈ অঞ্চলটোক উচ্চ শিক্ষাৰ থলী কৰি তোলে। আন দিশৰ পৰা চালে ১৮৬৪ চনত পোষ্ট অফিচ স্থাপন, ১৮৭৩ চনত ঘোঁৰাই টনা ট্ৰামগাড়ী, ১৮৭৫ চনত সংগ্ৰহালয় স্থাপন, ১৮৮৩ চনত টেলিফোন সংযোগ, ১৮৯৬ চনত কলকতাৰ ৰাজপথত মটৰগাড়ী চলাচল আৰম্ভ, ১৮৯৯ চনত বিজুলীবাতি চলিবলৈ আৰম্ভ কৰা আদি এশ এবুৰি উল্লেখযোগ্য ঘটনাৰে কলিকতা বৃহৎ মহানগৰী হিচাপে গঢ় লৈ উঠে। সাহিত্যৰ ক্ষেত্ৰত ৰবীন্দ্ৰনাথৰ জৰিয়তে বঙালী সাহিত্য বিশ্বত জিলিকি উঠে।

অসমৰ ওচৰ চুবুৰীয়া মহানগৰ হিচাপে কলিকতাৰ লগত অসমৰ যোগাযোগ অধিক দৃঢ় হৈছিল।প্ৰথম স্তৰৰ পৰা আৰম্ভ কৰি যোৱা শতিকাৰ ষাঠিৰ দশকলৈকে অসমৰ উচ্চ শিক্ষিত বহু লোকে কলিকতাত উচ্চ শিক্ষা লাভ কৰিছিল। বহু লোকৰ কলিকতীয়া সমাজৰ লগত বৈবাহিক সম্পৰ্কও স্থাপন হৈছিল। দিল্লীক ব্ৰিটিছ সকলে ১৯১১ চনত ৰাজধানী পাতিলেও কলিকতাৰ গুৰুত্ব কমি যোৱা নাছিল। ভাৰতৰ বহুজন মূধাফুটা ব্যক্তিৰ কৰ্ম ক্ষেত্ৰ আছিল এই কলিকতা। বিভিন্ন আন্দোলনে মূৰ দাঙি উঠে কলিকতাতেই । দিন বাগৰি যোৱাৰ লগে লগে কলিকতাৰ অধিক সম্প্ৰসাৰণ ঘটে আৰু নগৰীয়া ব্যস্ততা তথা জটিলতা বৃদ্ধি পায়।

এই কলিকতা মহানগৰক কেন্দ্ৰ কৰি সৌৰভ কুমাৰ চলিহাই দুটা গল্প লিখিছে। গল্পদুটা হল 'বাসন্তিকা' আৰু 'ভ্ৰমণ-বিৰতি'। গল্পদুটাৰ ৰচনাকাল ক্ৰমে ১৯৫০ চন আৰু ১৯৭২ চন।

৪.২ 'ভ্ৰমণ-বিৰতি' গল্পৰ প্ৰথম পেৰাগ্ৰাফতেই কলিকতা মহানগৰীৰ ৰাজপথৰ অনিয়ন্ত্ৰিত অৱস্থা প্ৰকাশ পাইছে। য'তে ত'তে সামান্য কাৰণতে দাঙ্গা, হাঙ্গামা, মাৰ-পিত, গাড়ী জ্বলোৱা, গুলি ফুটা, পুলিচৰ দৌৰা-দৌৰি আদি অৱস্থাৰ কথা চিত্ৰময় ভাষাৰে এনেদৰে তুলি ধৰিছে —

এই যে অৰ্থহীন ধ্বংসলীলা, এই যে কাণ্ডজ্ঞানহীন মাথা ফাটাফটি, য'তে ত'তে যিকোনো অচিলাত এই ট্ৰাম বাছত অগ্নি সংযোগ এই যে চাৰিওপিনে থাকি থাকি অকস্মাৎ একোটা দাঙ্গা-হাঙ্গামা উৎক্ষিপ্ত, চাৰিওফালে মৰিয়া হৈ মানুহ দৌৰিছে, এই যে অকস্মাৎ সুদীৰ্ঘ চাইৰেন ধ্বনি আৰু পুলিচৰ গাড়ী, লাঠি আৰু টিয়াৰ গেচ আৰু গুলীৰ হিড়িক, সেই যে বুঢ়া মানুহটো ৰাস্তাত মুখ থেকেচা খাই পৰিল, সেইযে সৰু লৰাটোৰ ভৰিত গুলী লাগি লাগি বিকট চিৎকাৰ কৰি ফুটপাথত চিটিকি পৰিল - এইবোৰৰ কোনো যুক্তি বিচাৰি নাপাওঁ, তথাপি কিয় ইয়ালৈ ঘূৰি ঘূৰি আহোঁ, এইবোৰৰ কোনো মানে নেদেখোঁ, এইবোৰৰ কোনো মানে নেদেখোঁ, এইবোৰ সহ্য কৰিব নোৱাৰোঁ, মোৰ কাম আছে, মই ব্যস্ত মানুহ, কিন্তু অকস্মাৎ লাল ঝণ্ডাৱালা যুৱকদলৰ হাতত মোৰ টেক্সি আটক, মোৰ সমস্ত কাম পণ্ড,আমাৰ ট্ৰাম হঠাৎ ৰৈ গল, হাজৰ হাজাৰ শ্লগান চিঞৰা উদণ্ড মানুহে ট্ৰাম ঘেৰি ধৰিলে, ক'ৰপৰা আহিল মস্ত মস্ত ইটা আৰু লোহাৰ ডাণ্ডা, কি যে হৈ গ'ল চাওঁতে চাওঁতে দ্ৰুতবেগে, দপ্ দপ্ কৈ ট্ৰাম জ্বলিছে, ধোৱা আৰু জুইৰ মাজেৰে চিঞৰ বাখৰ লগাই মানহ ছত্ৰ ভঙ্গ দিছে, চাৰিওপিনৰ দোকানবোৰৰ দৰজা দুমদাম বন্ধ হৈ গ'ল, কাৰ মূৰত লাঠিৰ ঘা পৰিল, ক'ৰ কাঁচ ঝনঝনকৈ ভাঙি পৰিল, বিশৃঙ্খল, বিশৃঙ্খল, পালান পালান মশাই কি দেখছেন- [১৩]

যিকোনো সাধাৰণ কাৰণতে ডাঙৰ ডাঙৰ ঘটনা ঘটি যোৱা চহৰ হ'ল কলিকতা। পশ্চিমবঙ্গ বামপন্থী ৰাজনীতিৰ এখন সাৰুৱা ক্ষেত্ৰ। পশ্চিমবঙ্গৰ ৰাজধানী হিচপে বামপন্থী চিন্তা ধাৰাৰ ৰাজপথতো প্ৰকাশ ঘটে সেই কথাটোকে গল্পকাৰে লাল ঝণ্ডাৱালা যুৱকদল- - এই শব্দকেইটাৰ মাজেৰে প্ৰকাশ ঘটিছে । অনিয়ন্ত্ৰিত এই চহৰখনত দেখা পোৱা গৈছে শ্লগান চিঞৰাতে ক্ষান্ত হৈ থকা নাই। প্ৰেট্ৰলৰ টিং আহিছে ইটা আহিছে আৰু তৎক্ষণাত হাঙ্গামা আৰম্ভ হৈ গৈছে। বহুত মানুহ পলাইছে, কিন্তু মই হুলস্থুল কিয় লাগিছে তাৰ একো কাৰণ গম পোৱা নাই। মহানগৰীৰ মাৰপিতৰ এই দিশটো ঔষধ দোকানৰ মালিকজন আৰু শীলা নামৰ চৰিত্ৰটোৰ কথোপ-কথনৰ মাজেৰে ফুটি উঠিছে ঃ-

" কি হৈছে গম পালা কিবা "

"না-ই একো বুজিয়েই নাপালো কথা নাই বাৰ্তা নাই, অল্ অফ্ এ চাডন দেখোন"

" অ সেইৰকামেই হয় তেওঁ কলে, কোন কত ক্ষেপি আছে কিচু বুজাৰ উপায় নাই

আজি কালি, দুমকৈ হঠ্যাৎ ফাটি পৰে হ্‌ৰ দমতো নামি তাসি সেয়ে ঘটিছে - সাৰা দেশ ক্ষেপি গৈছে ”- [১৪]

৪.৩ কলিকতাত উপৰুৱা দৃষ্টিৰেই দেখা কদৰ্যময় বিভিন্ন অৱস্থাৰ বৰ্ণনা এই অংশত এনেদৰে ফুটি উঠিছে ঃ-

“ ইমান ৰুক্ষতা, ইমান দৈন্য, ইমান দুৰ্গন্ধম ইমান আৰ্বজনা, ইমান দুখ-দাৰিদ্ৰ্য, ইমান ভীৰ, ট্ৰামে-বাছে মৰিয়া হৈ ওলমি ওলমি লক্ষ লক্ষ মানুহ প্ৰাণপণে চুটিছে, ধুতী চিঙি গৈছে চেণ্ডেল টিটিকি গৈছে মেজাজ বিগ্‌ড়ি গৈছে সৰ্বক্ষণ, কাৰো পিনে চাবৰ অবকাশ নাই একদণ্ড, ইমাৰ্জেন্সি, ইমাৰ্জেন্সি , ৰাস্তাত ভীৰ ঠেলি উশাহ ল’ব নোৱাৰি, ফুটপাথত খোজ দিব নোৱাৰি, দিনত ভিক্ষাৰী, বেমাৰী, ফেৰীৱালা, বেকাৰ গুণ্ডা, শ্লগানৱালা ৰিফিউজি ফেমিলি ৰাস্তাৰ ওপৰতে ৰান্ধা-বাঢ়া-নিত্যকৰ্ম, ৰাতি খোজ দিব নোৱাৰি হাজাৰ হাজাৰ মানুহ ফুটপাথত দীঘল দি শুই আছে, খালি মানুহ-মানুহ-মানুহ গিজ গিজ গিজ গিজ, যিপিনেই চাওঁ চিনেমা থিয়েটাৰ ৰাস্তা ৰেষ্টুৰেণ্ট অফিচ ফুটবল ফিল্ড সৰ্বত্ৰ অকথ্য ভীৰ, ঠগবাজি, গোলমাল, গালাগালি, গাঙ্গামা, কপালৰ ৰেখা থুপ খাই থাকে, মেজাজ ত্যক্ত হৈ থাকে, কি দৈত্যকাৰ এখন অসভ্য চহৰ ইমান ইমান মানুহ চাৰাজীৱন ইয়াত কেনেকৈ আছে, ইয়াত কি মানুহ থাকিব পাৰে। [১৫]

৪.৪ কলিকতা মহানগৰীত ট্ৰাম আৰু ৰেলগাড়ীয়ে গাড়ীয়ে পৰিবহণত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ১৮৭৩ চনত ঘোঁৰাই টনা ট্ৰামগাড়ীৰে আৰম্ভ হোৱা এই ব্যৱস্থা পিছত কালত দ্ৰুত উন্নয়ন ঘটে। স্থানীয় ৰেলগাড়ী আৰু ট্ৰাম কলিকতাত জনপ্ৰিয় ৰাজহুৱা যান। যাতায়ত ব্যৱস্থাত ৰেল আৰু ট্ৰাম বাদ দি কলিকতাৰ দৈনন্দিন জীৱনৰ কথা ভাবিব নোৱাৰি। ভ্ৰমণ বিৰতি গল্পতো কেবাবেৰো ৰেল আৰু ট্ৰাম গাড়ীৰ কথা উল্লেখ কৰিছে।

৪.৫ গল্পটোত কলিকতাৰ ৰাতিৰ পৰিবেশো বৰ্ণনা কৰা হৈছে। ট্ৰাম গাড়ীৰে যাত্ৰা কৰোঁতে ৰাজপথৰ কাষে কাষে দেখা দৃশ্যাৱলী বৰ্ণিত হৈছে। এই বৰ্ণনাই কলিকতাৰ জনবহুল অঞ্চল একোটাৰ ৰাতিৰ পৰিবেশ ফুটাই তুলিছে -

‘ ট্ৰাম প্ৰায় শূন্য, বিস্তৰ খালী ছীট, খিৰিকী এখনৰ কাষত বহিলোঁ, ক্লেং ক্লেং কৈ ট্ৰাম চলিব ধৰিলে , দোকান পাট বন্ধ হ’ব ধৰিছে, ৰাস্তা জনবিৰল আৰু যান বিৰল হৈ আহিছে, খিৰিকীৰ কাষেৰে মাজে মাজে একোখন ট্ৰাম পাৰ হৈ গৈছে ক্লেং ক্লেং, ঠায়ে ঠায়ে দোকানশাৰী অন্ধকাৰ, ঠায়ে ঠায়ে হঠাৎ উজ্বল আলোক, এটা চিনেমাহলৰ পৰা মানুহ ওলাইছে, ট্ৰামৰ তাঁৰত ঘৰ্ষণ

লাগি নীলা নীলা স্ফুলিংগ (এতিয়া মন কৰিব পাৰি) আকৌ নিৰ্জন ৰাস্তা, মাজে মাজে একোখন নিয়ন বিজ্ঞাপন, জ্বলিছে নুমাইছে, অকস্মাৎ মেটেকা ভৰ্তি এটা পুখুৰী, ৰাতিৰ লাইটৰ পোহৰত ৰাস্তাটো ইমান বহল, ইমান ঘিচিমিচি ট্ৰাম লাইনৰ কাটাকাটি লাইটৰ পোহৰত এতিয়া ঝকমক্ কৰিছে হা, এইবাৰ ৰাস্তাটো অলপ অলপ চিনি পাব ধৰিছোঁ ক্লেং, হঠাতে ট্ৰামখন এটা ধাক্কামাৰি ৰৈ গ'ল ... - হামাম্ চাবনৰ এখন ডাঙৰ হৰ্ডিং, তাৰ তলত গাথিক্ আখৰেৰে লিখা ঃ এচ্. পি. শ্ব(পি.) লিমিটেড্ কন্‌ফেক্‌শ্যনাৰ্চ এণ্ড জেনেৰেল অৰ্ডাৰ চাপ্লা য়াৰ্চ, তাৰ খিৰিকীত য'ত দেখা যায় কেকৰ ট্ৰে আৰু জেম- জেলি-মাখন-পানীৰ, তাৰ শ্বাটাৰ নমোৱা, কিন্তু তলত দুই ইঞ্চিমান খোলা,ভিতৰত এতিয়াও লাইট জ্বলিছে, আধা আধা দেখা যায় এখন ট্ৰে'ত এটা অকলশৰীয়া ব্ৰিটেনিয়া বিস্কুটৰ পেকেট বহি আছে, হাঁহি-উঠা , দুখ লাগা। দোকানখনৰ বাৰাণ্ডাত কেই খন মান ঠেলাগাড়ী আউজাই থোৱা আছে ( দিনত নাথাকে), বাৰাণ্ডাৰ ওপৰত হিন্দুস্থানী মজুৰ জাতীয় কেইটামান মানুহ বহি লৈ খৈনী মাৰি মাৰি গল্প কৰিছে, বাৰাণ্ডাৰ খুটা আৰু কাষৰ লাইট পষ্টটোত ৰছী বান্ধি কোনোবাই এখন সৰু আঠুৱা তৰিছে - [১৬]

**৪.৬** কলিকতাত সাধৰণ মানুহৰ কঠোৰ জীৱন যাত্ৰাৰ ছবিও এই গল্পত চিত্ৰিত হৈছে। এনে জীৱন-যাত্ৰাৰ কথা লিখোতে সাধাৰণ মানুহৰ কাম-কাজৰ খুতি-নাতি বৰ্ণনা ছবিৰ ৰূপতে জিলিকি উঠে। বাৰাণ্ডাৰ সমুখত দিনৰ প্ৰখৰ ৰ'দত বহি পকৌড়ী আৰু বেগুনী ভাজি থকা মানুহজন, তাৰ কাষত এখন ঠেং নোহোৱা মানুহ এটাই ৰাস্তাৰ হাইড্ৰণ্টটোৰ পৰা মাজে মাজে উঠি পানী খাই শুইপৰা আৰু কোনোবা বেগুনী কিনা মানুহে তাৰ হাতত কিবা অলপ দি যোৱা আদি বৰ্ণনাবোৰে একো একোটা দৃশ্য ফুটাই তোলে। সচৰাচৰ চহৰত দেখা পোৱা পেট-ওলোৱা কেঁচুৱা কোলাত লৈ ভিক্ষাৰিণীয়ে ভিক্ষা কৰি থকা দৃশ্যও গল্পকাৰৰ চকুৰ পৰা সাৰি যোৱা নাই। কেলেণ্ডাৰ জোকাৰি জোকাৰি ৰুক্ষ চেহেৰাৰ হাফ-পেণ্ট পিন্ধা মানুহ এটাই ৰ'দত ঘামি-জামি গোটেই দিনটো কেৱল এটা বাক্যকে চিঞৰি থাকে। এইবোৰ বৰ্ণনাই গল্পটোৰ নগৰীয়া পটভূমি ফুটাই তোলাত সহায় কৰিছে।বাতৰি কাকত মহানগৰীয়া জীৱনৰ অপৰিহাৰ্য অঙ্গৰ দৰেই। পঞ্চাশৰ দশকত চহৰাঞ্চলত বাতৰি কাকতৰ গুৰুত্ব বৰ বেছি আছিল। গাওঁ-ভুঁইৰ তুলনাত নগৰচহৰতে বাতৰি কাকতৰ প্ৰচলন বেছি আছিল। এই গল্পটোতো কথক প্ৰথম চৰিত্ৰই বাছত বাতৰি কাকত পঢ়ি যোৱাৰ কথা উল্লেখ কৰিছে। [১৭]. ৰাজনীতিৰ প্ৰকাশো ঘটে নগৰ- মহানগৰৰ ৰাজপথতে। কোনো

ৰাজনৈতিক দলৰ মত পাৰ্থক্য ঘটি সংঘৰ্ষ, হত্যা লুণ্ঠন আদি হোৱাৰ পাছত এখন নগৰৰ এডোখৰ ঠায়ে কেনে ৰূপ লয় , সেইবোৰ কথা গল্পকাৰৰ চিত্ৰময় ভাষাৰ মাধ্যমেৰে প্ৰকাশিত হৈছে। কিছুমান ঘটনা অকাৰণতে ঘটে যদিও কিছুমান ঘটনাত ৰাজনৈতিক মতাদৰ্শ কলিকতা মহানগৰীত ঘটা ঘটনাৰ মাজেৰে প্ৰতিফলিত হৈছে। কোনো কাৰণ নাজানি এনেয়ে এচাম মানুহ উগ্ৰতা সৃষ্টি আৰু অশান্তি সৃষ্টিত অৰিহনা যোগাইছে। মাৰ্ক্সবাদী আৰু চচিয়েলিষ্ট, এই দুই দলৰ দুটা শোভাযাত্ৰাৰ মাজত প্ৰথমে কথাৰ কটাকটি ঘটি পিছত হতাহতিৰ ৰূপ লৈছিল আৰু গল্পকাৰৰ ভাষাত —

> তাৰপিছত চহৰৰ ইতস্তত ঃ ভাৰমান ভৱঘূৰে লোকৰ আৱিৰ্ভাৱ ঘটি কালিৰ হাংগামাটোৰ উদ্ভৱ হৈছিল। [১৮]

৪.৭ কলিকতা পটভূমিত গল্প লিখোঁতে গল্পকাৰে কেৱল কোলাহল, ভীৰ, আৱৰ্জনাৰ দ'ম, দাৰিদ্ৰ্য, মাৰ-পিত ইত্যাদিকে কলিকতাৰ মূল চিত্ৰ বুলি দাঙিধৰা নাই, কলিকতা মহানগৰৰ মজতে ঠায়ে ঠায়ে বিৰাজ কৰা শান্ত মনোমোহা ঠাইৰ কথাও লিখিছে. -

"মুখত ৰাতিৰ শীতল বতাহ ৰিব্ ৰিবকৈ মাৰিছে, টেক্সি দ্ৰুত বেগে চলিছে। মসৃণ বহল ৰাস্তা, এনেকুৱা জনবিৰল, যেন কলকতা চহৰৰ অংশ নহয়, ট্ৰাম বাচৰ ঘৰ্ঘৰ যেন কাণত নালাগে, হৈ-হাল্লা নাই ফেৰীৱালাৰ চিৎকাৰ নাই, ৰাজনীতিৰ শ্ল'গান নাই , ভিক্ষাৰী নাই ৰিফিউজি নাই, দুযো-কাষে ওখ ওখ গছৰ পাছ পিনে ঢাক খোৱা ঘৰ, ঘৰবোৰৰ সমুখত বহল গ্ৰাউণ্ড, অনুমান কৰিব পাৰি ল'ৰা ছোৱালীয়ে খেলে পৰিয়ালে গ্ৰুপফট' তোলে, সবুজ ঘাঁহনি, অ'ত ত'ত একোটা ঘৰৰ সমুখত একোখন গাড়ী পাৰ্ক্ কাৰি থোৱা আছে, মাথো মাজে মাজে স্বচ্ছন্দ দ্ৰুতবেগে একোখন গাড়ী পাৰ হৈ গৈছে, বিস্তীৰ্ণ, ইমান শান্ত, ইমান - অ- সভ্য..." [১৯]

'ভ্ৰমণ বিৰতি' গল্পটোত পটভূমিৰ গুৰুত্ব বৰ বেছি। কলিকতা মহানগৰীৰ ইমান অশান্তিকৰ অস্বাস্থ্যকৰ হুলস্থূলীয়া খৰতকীয়া জীৱন যাত্ৰাৰ মাজত যে মানুহৰ জীয়াই থকাৰ প্ৰৱণতাহে প্ৰকাশ পাইছে, সেইকথাৰ উপলব্ধিয়েই গল্পটোৰো মূল কথা। স্বাভাবিকতে এই গল্পটোৰ পটভূমিৰ পৰিৱেশ চিত্ৰনৰ মাজেৰেই জীৱন- জিজ্ঞাসা প্ৰতিফলিত হৈছে।

৪.৮ 'ভ্ৰমণ বিৰতি' গল্পত সামগ্ৰিকভাৱে মহানগৰীয়া 'জীৱন যাত্ৰা' আৰু দৈনন্দিন অৱস্থাৰ চিত্ৰ অকাঁ হৈছে। ইয়াত ব্যক্তি বিশেষৰ কথা গৌণ হৈ পৰিছে। কিন্তু তাৰ বিপৰীতে 'বাসন্তিকা' গল্পত মহানগৰীয়া পটভূমিত কঠিন জীৱন যাপন কৰা এটা পৰিয়ালক নিৰীক্ষণ কৰাৰ লগতে মানুহৰ যান্ত্ৰিক সম্পৰ্কৰ কথা কোৱা হৈছে। 'ভ্ৰমণ বিৰতি গল্পত মহানগৰীয়া জীৱনৰ উপৰিভাগ আৰু 'বাসন্তিকা' গল্পত মহানগৰীয়া জীৱন যাপনৰ পটভূমি

বিশাল কলিকতা মহানগৰীৰ বৃহৎ অঞ্চল জুৰি থকাৰ বিপৰীতে ‘বাসন্তিকা’ গল্পৰ পটভূমি প্ৰধানকৈ কলিকতা মহানগৰীৰ হাৰাধন বসাৰ্ক লেনৰ এটা মেচ আৰু গৌণভাৱে এটা পৰীক্ষাগাৰত নিবদ্ধ হৈছে। ‘মেচ’ৰ বিভিন্ন কোঠাত বিভিন্ন ধৰণৰ মানুহ থাকে। তাৰ ভিতৰত কাৰোবাৰ লগত কোনোবাজনৰ সম্পৰ্ক গঢ়ি উঠে আৰু কিছুমানৰ লগত চিনাকী পৰ্যন্ত নহয় আৰু নাম পৰ্যন্ত জনা নাযায়। গল্পকাৰে মেচৰ বৰ্ণনা দিওঁতে তাৰ পৰিবেশটোও ফুটি উঠিছে। আন্ধাৰ চিৰিৰে গল্পৰ কথক ওপৰলৈ উঠি যাওঁতে কোনোবাই শঙ্খ বজোৱা শুনিছে। কেচুঁৱাই কান্দিছে। কোনো এটা পৰিয়ালৰ পাক-ঘৰত তেলত পাঁচ ফোড়ণ দিছে আৰু সেই শব্দ তল পেলাই এজনী ছোৱালীয়ে সংস্কৃত পঢ়াৰ শব্দ অধিক তীব্ৰ হৈ উঠিছে । চিৰিৰ ওচৰত ট্ৰাঙ্ক-হল্ডল আদি দ’মাই থোৱা আছে। এনেদৰে মেচটোৰ বহিৰ্ভাগৰ বৰ্ণনা দিয়াৰ পাছত স্পষ্টকৈ দেখা নোপোৱা এটা কোঠাৰ ভিতৰখন বৰ্ণনা দিছে। কোঠাটোৰ খিৰিকিখনৰ এপাত খিৰিকি বন্ধ আৰু এপাত খোলা। দিনৰ ভাগত খোলা খিৰিকিখনৰ ওচৰত ভিতৰত আঁৰি দিয়া ৰচি এডালত ওলোমাই দিয়া কাপোৰ এখনেৰে বস্তুবোৰ ঢাকি ৰাখে তাৰ মাজতে কোঠাটোৰ এটা চুকত চেতাৰজাতীয় কিবা এখন বাকচ এটাৰ ওপৰত তুলি থোৱা যেন অনুভৱ হয়।

কানাই বাবুৰ কোঠাটো আকৌ কেইজনমান লোকে তাচ খেলাৰ বাবে ব্যৱহাৰ কৰে। কানাইবাবু বিৰক্ত হৈ উঠে। তথাপি তাচ খেলুৱৈ সকলে উঠি যোৱাৰ লক্ষণ নেদেখুৱায়।

‘বাসন্তিকা’ গল্পত অনামিকা নামৰ ছোৱালীজনীৰ সংসাৰত গল্পকাৰে ভুমুকি মাৰি চাব খুজিছে। কথক এটা বিজ্ঞানৰ পৰীক্ষাগাৰত এজন বৈজ্ঞানিকৰ সৈতে এটা সূত্ৰ সমাধান কৰাত ব্যস্ত। তেওঁ হাৰাধন বসাক লেনৰ এটা মেচত থাকে। তাতে তেওঁ এই পৰিয়ালটোক পৰ্যবেক্ষণ কৰে। অনামিকা ছোৱালীজনীৰ নাম নহয়, সেই নাম গল্পৰ কথকে দি লোৱাহে। কাৰণ তেওঁ তাইৰ নাম নাজানে। তাইৰ লগত এজনী বুঢ়ী মানুহ থাকে। বুঢ়ীয়ে-চিঞৰ বাখৰ কৰে। মাত টিং টিঙীয়া। ল’ৰা ছোৱালীকেইটামানো থাকে। পিছে ল’ৰা-ছোৱালী সংখ্যাত কেইটা ,সেই কথা নাজানে। ছোৱালীজনী খীণ অসুখীয়া। কানাইবাবু আৰু গল্পৰ কথকে এই পৰিয়ালটোৰ যিখিনি কৰ্ম-কাণ্ড দেখে, তাম ভিত্তিতেই কিছু কথা অনুমান কৰি লয়। এনেকৈয়ে মহা নগৰীৰ পটভূমিত একোটা পৰিয়ালৰ কষ্টকৰ জীৱনযাত্ৰা আৰু এই যাত্ৰাত ওচৰ চুবুৰীয়াৰ উদাসীনতা বা কোনো সময়ত বিৰক্তি ওপজা দেখা পোৱা গৈছে।

৫.০ বিদেশৰ পটভূমিত সৌৰভ কুমাৰ চলিহাই লিখা গল্পকেইটা ‘কেন্দ্ৰাভিমুখ’, ‘চেমেষ্টাৰ শেষ’, ৰাস্তাৰ মানুহ’, ‘জাহাজত’ আৰু ‘বেথফেন’। ইয়াৰ ভিতৰত ‘ৰাস্তাৰ মানুহ’ আৰু‘বেথফেন’ - এই গল্প দুটা দুজন বিখ্যাত ব্যক্তিক বিষয় হিচাপে লৈ ৰচনা কৰা হৈছে।

গতিকে এই দুটা গল্পত স্থানত পটভূমিক বেছি দিয়া হোৱা নাই। 'জাহাজত' গল্পৰ ঘটনাও কোনো এখন ঠাইক কেন্দ্রকৰি ঘটা নাই। এখন জাহাজত বিভিন্ন দেশৰ বিভিন্ন ধৰণৰ মানুহৰ উপস্থিতি, কার্যকলাপ আৰু গল্প কাৰকৰ বিভিন্ন ঠাইত হোৱা অভিজ্ঞতা আদিৰ আধাৰত একোখন ঠাইত মানুহবোৰৰ মানসিকতাৰ প্ৰতিফলন ঘটিছে। তাৰ মাজতে মানুহবোৰৰ বাসস্থানৰ বৈশিষ্ট্যবোৰ বহু দূৰ প্ৰতিফলিত হৈছে। কেন্দ্ৰাভিমুখ গল্পত আকৌ বিদেশৰ ৰেলত ভ্ৰমণ কৰাৰ সময়ত গল্পৰ কথকে জাহাজত বিদেশলৈ যাওঁতে লগ পোৱা বিভিন্ন চহৰৰ বিচিত্ৰ চৰিত্ৰৰ মানুহবোৰ আৰু ৰেলত ভ্ৰমণ কৰোঁতে সান্নিধ্যলৈ অহা মানুহ বোৰৰ বিষয়ে লিখিছে। জাহাজত গল্পৰ দৰেই 'কেন্দ্ৰাভিমুখ' গল্পত লগ পোৱা মানুহবোৰৰ মানসিকতাৰ প্ৰতিফলনৰ যোগেদিহে চৰিত্ৰবোৰে বাস কৰা চহৰবোৰৰ ধৰণ-কৰণ ওলাই পৰিছে। বহু সময়ত একোটা চৰিত্ৰৰ বৰ্ণনা কৰিবলৈ যাওঁতে সেই সুযোগতে গল্পকাৰে চৰিত্ৰটোৰ ঠাইখিনিৰো কিছু পৰিমাণে বৰ্ণনা দি লয়। এনেদৰেই গল্পৰ ফাঁকে ফাঁকে বিভিন্ন চহৰৰ ভৌগোলিক অৱস্থান, অৱস্থা, পৰিৱেশ আদিৰ কথা বৰ্ণিত হৈছে। গল্পৰ মাজত এখন চহৰৰ বৰ্ণনা এইদৰে দিয়া হৈছে —

> আজি পুৱা হলেও পাইছো মাত্ৰ। ট্ৰেইনলৈ সময় থকা বাবে ৰটাৰ্ডাম্ চহৰখন চাবলৈ অলপ ওলাই গৈছিলো। চহৰ খন কিয় ক'ব নোৱাৰোঁ এলাহাবাদ যেন লাগিল (ঘৰবোৰ কিন্তু এলাহাবাদৰ দৰে কেতিয়াও নহয়) ঘটং ঘটং কৰি সৰু সৰু কিছুমান ৰঙা ৰঙা ট্ৰাম চলিছে দেখি হঠাৎ ভাল লাগিল। এবাৰ উঠি কিছুদূৰ চহৰখন ঘূৰি আহিবৰো ইচ্ছা হ'ল ( কিন্তু এলাহবাদত তো কোনো ট্ৰাম নাই)। দুই এখন দোকান, দুই এটা মডাৰ্ণ আৰ্কিটেক্চাৰ আৰু অফিচ গামী নৰনাৰী (এতিয়া প্ৰায় এঘাৰটা) ৰাস্তাত সুন্দৰ ৰ'দ, অবোধ্য ভাষা। ইংলেণ্ডৰ চহৰ এখনৰ আৰু তাৰ মানুহবোৰৰ লগত অপাত দৃষ্টিত কোনো প্ৰভেদ ধৰা নগ'ল। নাই, ৰটাৰ্ডাম- যাক আধাঘণ্টাও ভালদৰে দেখা নাই - বৰ্ণাই লাভ নাই [২০]

৫.১ কেন্দ্ৰাভিমুখ গল্পটোতো ৰেলষ্টেচনৰ বৰ্ণনা আছে। ৰটাৰডাম্ ষ্টেচনৰ এটি পৰিৱেশৰ কথা গল্পকাৰে এইদৰে বৰ্ণাইছে ঃ-

> আৰু এখন ট্ৰেইন আহি থমিল। স্থানীয় ট্ৰেইন, বেছি দূৰ নাযায়। দেখিলো ইতিমধ্যে ষ্টেচনত যথেষ্ট মানুহ হৈছে আৰু চামৰাৰ হাফপেণ্ট আৰু সেউজীয়া হাফছাৰ্ট পিন্ধা তিনিটা প্ৰকাণ্ড প্ৰাকণ্ড ল'ৰা ঊৰ্ধৰ্শ্বাসে ট্ৰেইখনৰ পিনে দৌৰিছে। মোৰ সোঁহাতে এজন তপামূৰীয়া ভদ্ৰলোকে তেওঁৰ বেগটো

> আৰু মণ্টলটো নমাই বহিল, বুকৰ পৰা ঘড়িটো উলিয়াই প্লেটফৰ্মৰ ঘড়িৰ লগত মিলাই চালে, আৰু পাইপ ধৰাই খবৰৰ কাকত পঢ়িব ধৰিলে। মোৰ বাওঁহাতে এগৰাকী ভদ্ৰমহিলাই এখন পেৰাম্বুলেটৰ ঠেলি আহি ৰ'ল, বহিল, আৰু কেঁচুৱাটো উলিয়াই লৈ বটল এটাৰে গাখীৰ খুৱাব আৰম্ভ কৰিলে। পৰ্বতাকাৰ এগৰাকী ফাৰকোটাবৃতা ভদ্ৰমহিলা প্ৰকাণ্ড শিকলি লগোৱা ক'লা কুকুৰ এটাৰে সৈতে সমুখৰ প্ৰায় সমস্ত দৃশ্য অবৰুদ্ধ কৰি থিয় হ'ল। সমুখেৰে জোতাৰ শব্দ কৰি কৰি মানুহ বোৰে বেগাই অহা যেৰা কৰিব ধৰিলে, দুটা সৰু ল'ৰা ছোৱালীৰ মাজত কিবা কথাত কাজিয়া লাগিল আৰু বাওঁহাতৰ দুগ্ধপোষ্য শিশুটোৱে প্ৰাণপণে কান্দিব ধৰিলে। দস্তুৰমতে গণ্ডগোলীয়া হৈ পৰিল ষ্টেচনটো।[২১]

এইছোৱাতে গুৱাহাটী, কলকতা আদি ভাৰতৰ ৰেল ষ্টেচনৰ লগত পশ্চিমীয়া দেশৰ ৰেল ষ্টেচনৰ পৰিবেশৰ সাধাৰণ মিলখিনিৰ মাজতে পাৰ্থক্যও ওলাই পৰিছে। পশ্চিমীয়া দেশত ভদ্ৰমহিলাই কেঁচুৱাক পেৰাম্বুলেটৰত বহুৱাই আনিছে। এগৰাকী ভদ্ৰমহিলাই প্ৰকাণ্ড শিকলি লগাই ক'লা কুকুৰ এটা লৈ আহিছে। এই ধৰণৰ বিৰৰণ ভাৰতৰ ৰেল ষ্টেচনৰ বৰ্ণনাত পাবলৈ নাই।

**৫.২** চেমেষ্টাৰ শেষ গল্পটো জাৰ্মানীৰ এখন বিশ্ববিদ্যালয়ৰ মফস্বলীয় চহৰৰ পটভূমিত লিখা হৈছে। কিন্তু তাৰ মাজতে গল্পকাৰে জাৰ্মান দেশখনৰ ভৌগোলিক অৱস্থা, মানুহবোৰৰ মানসিকতা কিছু পৰিমাণে প্ৰকাশ কৰিব পাৰিছে। গল্পটোৰ প্ৰথমছোৱাতে লুড্‌ভিক্ ষ্ট্ৰেচেৰ সন্ধিয়াৰ পৰিৱেশ এটা এইদৰে বৰ্ণনা কৰা হৈছে -

> লুড্‌ভিগ্ ষ্ট্ৰাচে জনহীন, গেছৰ লাইটবোৰ বৰফে ঢাকি ধৰিলে, ৰাস্তাটো আৰু গছৰ ডালবোৰ আৰু ঘৰৰ ৰঙা চালবোৰো বগা হৈ গৈছে। প্ৰফেচৰ ল্যুৱাৰ ঘৰটোৰ সমুখৰ আবৰ্জনাৰ ধামাটো আৰু পাৰ্ক কৰি থোৱা মটৰ গাড়ীখনো বৰফে ছাটি ধৰিছে। ৰৈ ৰৈ বতাহৰ ঝপটা মাৰিছে, ক্ষীণ গেছলাইটবোৰৰ চাৰিওপিনে গুড়িগুড়ি বৰফ ঘূৰ্ণী খাইছে।[২২]

**৫.৩** বিশ্ববিদ্যালয় চহৰ মানেই দেশ বিদেশৰ বিভিন্ন ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী, পণ্ডিত গৱেষক ইত্যাদিৰ সমাবেশ ঘটে। লুড্ ভিগ্ ষ্ট্ৰাচে তাৰ ব্যতিক্ৰম নহয়। ইয়াতো ভাৰতৰ পৰা যোৱা ছাত্ৰহিচাপে পৰিচিত আৰু স্থানীয় বিদ্যালয় ইংৰাজী পঢ়ুওৱা গল্পৰ কথকজন, হাঙ্গেৰীৰ পৰা অহা আনা, য়ানচ্, ড'হাইডু আদি লোকৰ সমাগম ঘটিছে। হাঙ্গেৰীয় ভগনীয়াসকলে বিভিন্ন সহায় বা বৃত্তি লৈ তাত অধ্যয়ন আৰু গৱেষণা চলাই আছে।

৫.৪ এই চহৰকেন্দ্ৰিক গল্পৰ মাজেৰে বিভিন্ন লোকৰ মানসিকতাৰো প্ৰতিফলন ঘটিছে। সেই চহৰত বহু ছাত্ৰই ঘৰ বিচাৰি হাবাথুৰি খাই ফুৰিছে, তাৰ মাজত নৱদম্পতিৰ কাৰণে ঘৰ পোৱা অসম্ভৱ। কিন্তু ঘৰৰ গৰাকীজনে হাংগেৰীয় ভগনীয়া দম্পতীয়ে ঘৰ বিচৰা বুলি জানি কৈছে -

> হাংগেৰীয় ভাগনীয়া আঃ সেইটো এটা সম্পূৰ্ণ বেলেগ কথা। হাংগেৰীয়া ভাগনীয়া বুলিয়েই আমাৰ জাৰ্মানসকলৰ এটা বিশেষ নৈতিক দায়িত্ব আহি পৰে। আমাৰ বহুতো অতীতৰ দুৰ্নাম হয়, হাংগেৰীয় ছাত্ৰ-ছাত্ৰীৰ কথাটো বেলেগ, তেওঁলোকক লৈ আহিব এদিন, দেখা যাব কি কৰিব পৰা যায়। [২৩]

অধ্যয়ন, অধ্যৱসায় জাৰ্মান জাতিয়ে প্ৰচুৰ পৰিমাণে কৰে। কামৰ সময় হ'লে মনপুতি কাম কৰে। এই কথা আনাৰ মুখেৰে বিৰক্তিৰ ভাৱেৰেও প্ৰকাশ পাইছে -

> কিন্তু জাৰ্মান ল'ৰা ছোৱালীবোৰ প্ৰায়বোৰেই ঘৰতে আছে -- চেমেষ্টাৰ শেষ হ'বৰ হ'ল, পৰীক্ষাও আহিছে নহয় দুই এদিনতে। ডেকা ছাত্ৰ-ছাত্ৰীৰে ভৰি থকা ঘৰ এটা ইমান মৰাৰ দৰে যে হ'ব পাৰে, এইটো কিন্তু জাৰ্মানীতহে দেখিলো। এই বৰ্ডিংটো হাঙ্গেৰীত হোৱাহেঁতেন কিন্তু গমগমাই থাকিলহেঁতেন - আপোনালোকৰ দেশত বাৰু কেনেকুৱা জাৰ্মান বোৰ ইমান এয়াৰ্ন্ষ্ট, ইমান চিৰিয়াচ, মুখখন অলপ ওফোন্দাই আনাই ক'লে, ভাল নালাগে, তাৰ পিছতে হাঁহিলে। [২৪]

তাৰ বিপৰীতে আনাই ভাবে যে হাঙ্গেৰীয়সকল ফুৰ্ত্তিবাজ। তেওঁলোকে হাঁহি, চিঞৰি, আড্ডা মাৰি ভাল পায়। কিন্তু গল্পকাৰৰ পৰ্যবেক্ষণত হাঙ্গেৰীয় সকলৰ মেজাজ বৰ শীতল নহয়, আয্য সাধাৰণ কথাতে কাজিয়া কৰিব পাৰে বুলিও ধৰা পৰিছে। আকৌ, কেৱল জাৰ্মান ল'ৰাই কোলাহল বন্ধ কৰি পঢ়ি থকা আৰু হাঙ্গেৰীয় সকলে হুলস্থুল কৰি ঘুৰি ফুৰে বুলি আনাই কৰা মন্তব্যও গল্পকাৰৰ পৰ্যবেক্ষণত ভুলবুলি ধৰা পৰিছে।

৫.৫ 'গোলাম' গল্পটোও জাৰ্মানীৰ চহৰীয়া পটভূমিত লিখা হৈছে। মূলত ভাৰতীয় বা অসমীয়া ডেকাৰ মানসিকতা প্ৰকাশ কৰিবলৈ আৰু আমাৰ দেশৰ চহৰৰ কদৰ্যময় অৱস্থাৰ কথা বৰ্ণনা কৰিবলৈ গল্পটো লিখা হৈছে সেই বাবেই কৌশলগত ভাৱে জাৰ্মানীৰ শান্ত সুন্দৰ চহৰৰ পৰিৱেশৰ লগতে তাৰ মানুহবোৰ পৰোপকাৰী স্বভাৱ, জ্ঞান, অনুসন্ধিৎসু মানসিকতাৰ বৈপৰীত্য দেখুওৱা হৈছে। ফ্ৰাউ মুলাৰে নিজৰ লৰাৰ চুবুৰীয়া জনৰ পদুলিৰ বৰফখিনি চাফা কৰি দিবলৈ কয়। কাৰণ চুবুৰীয়াজনৰ ঘৰত বুঢ়া-বুঢ়ীৰ বাদে ডেকা ল'ৰা নাই । ফ্ৰাউ মুলাৰে

নিজৰ সন্তানক ৰূপকথাৰ দৰে ভাৰতখন ফুৰাই নিবলৈ বিচাৰে। ভাষা শিক্ষাৰ শিক্ষয়িত্ৰী যদিও আন বিষয়ৰ ক্ষেত্ৰতো তেওঁৰ কিছু ধাৰণা আছে।

এনেদৰে গল্পকাৰে কেতিয়াবা গল্প পৰিৱেশ আৰু কেতিয়াবা চৰিত্ৰৰ মানসিকতা প্ৰতিফলনৰ প্ৰয়োজনত চহৰীয়া পটভূমি নিৰ্মাণ কৰিছে।

# পাদটীকা

( গল্পৰ উদ্ধৃতিত *সৌৰভ কুমাৰ চলিহাৰ ছয় দশকৰ গল্প*, ষ্টুডেণ্টছ ষ্ট'ৰছ্‌,কলেজ হোষ্টেল ৰোড,গুৱাহাটী-১,প্ৰথম প্ৰকাশ-২০০১ গ্ৰন্থখন ব্যৱহাৰ কৰা হৈছে। সেয়ে কেৱল গল্প আৰু পৃষ্ঠা সংখ্যাহে উল্লেখ কৰা হৈছে।)

| | | | |
|---|---|---|---|
| ১। | দিলীপ কুমাৰ বৰা | ঃ | অসম ৰাজ্যিক পৰিবহণ নিগম (প্ৰবন্ধ) কথা গুৱাহাটী, বিশেষ মাহেকীয়া সংস্কৰণ ২য় সংখ্যা, মে ২০০৪ পৃষ্ঠা ৩০, সম্পাদক, ৰঞ্জিত্‌ কুমাৰ দেৱ গোস্বামী। |
| ২। | সৌৰভ কুমাৰ চলিহা | ঃ | ভূমিকা, সৌৰভ কুমাৰ চলিহা ৰচনাৱলী, ১ ম প্ৰকাশ ২০০৮, সম্পাদক শোণিত বিজয় দাস আৰু মুনীন বায়ন। |
| ৩। | ঐ | ঃ | 'ৰাতিৰ ৰেল', গল্প, পৃ ২০৬। |
| ৪। | ঐ | ঃ | সৌৰভ কুমাৰ চলিহা ৰচনাৱলী পৃ- ৪৮৬। |
| ৫। | ঐ | ঃ | 'বীণা কুটিৰ' গল্প পৃ - ২১৪। |
| ৬। | ঐ | ঃ | 'আৱাজ', পৃ - ২৭০। |
| ৭। | ঐ | ঃ | 'বাছ নহালৈ' পৃ - ১৮২-১৮৩। |
| ৮। | হৰেকৃষ্ণ ডেকা | ঃ | 'সৌৰভ কুমাৰ চলিহাৰ গল্পত নাগৰিক জীৱন' প্ৰবন্ধ, সৌৰভ কুমাৰ চলিহা আৰু অন্যান্য প্ৰবন্ধ শীৰ্ষক গ্ৰন্থত সন্নিৱিষ্ট, সম্পাদক, ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী, সমন্বয় গ্ৰন্থালয়, ১ম প্ৰকাশ ১৯৯৫, পৃ- ২। |

৯। সৌৰভ কুমাৰ চলিহা : 'অশান্ত ইলেক্ট্রন', গল্প পৃ ১৭।

১০। সৌৰভ কুমাৰ চলিহা : 'গোলাম' গল্প পৃঃ ৩৪৫।

১১। সৌৰভ কুমাৰ চলিহা : 'বাৰ্‌কাৰল' পৃঃ ৫৭।

১২। P. Thankapan Nair : Job Charnock. the founder of calcutta in facts and fiction : anthology. Engineering Times Publication, 1971, P. 164.

১৩। সৌৰভ কুমাৰ চলিহা ভ্ৰমণ বিৰতি গল্প, পৃঃ ৩১৪

১৪। ঐ : ঐ পৃঃ ৩১৫

১৫। ঐ : ঐ পৃঃ ৩১৮

১৬। ঐ : ঐ পৃঃ ৩২০

১৭। ঐ : ঐ পৃঃ ৩২১

১৮। ঐ : ঐ পৃঃ ৩২১

১৯। ঐ : ঐ পৃঃ ৩১৭

২০। ঐ : 'কেন্দ্ৰাভিমূখ' পৃঃ ৭৬

২১। ঐ : ঐ পৃঃ ৭৩-৭৪

২২। ঐ : চেমেষ্টাৰ শেষ পৃঃ ১২২

২৩। ঐ : " পৃঃ ১২৩

২৪। ঐ : " পৃঃ ১২৮

## দ্বিতীয় অধ্যায়

# সৌৰভ কুমাৰ চলিহাৰ গল্পৰ চৰিত্ৰ আৰু নাগৰিক জীৱন

**১.০.** সৌৰভ কুমাৰ চলিহাৰ গল্পত বহুত বিচিত্ৰ চৰিত্ৰৰ সমাৱেশ ঘটিছে। বহু সময়ত কিছুমান গল্পত কেৱল চৰিত্ৰই প্ৰাধান্য পাইছে। এই চৰিত্ৰবোৰৰ কথা-বতৰা, কাম-কাজ, চিন্তা-ভাৱনাৰ মাজেৰে একোখন সমাজৰ একোখন চিত্ৰ ফুটি উঠা দেখা যায়। পৰিৱৰ্ত্তিত সমাজৰ বিভিন্ন ধৰণৰ দ্বন্দ্ব, সংঘাত, সামাজিক মূল্যচেতনাৰ পৰিৱৰ্তন, নতুন ভাব-চেতনাৰ আগমণ ইত্যাদি চৰিত্ৰবোৰৰ মাজেৰে ফুটি উঠিছে।

**১.১.** সৌৰভ কুমাৰ চলিহাই গল্পৰ চৰিত্ৰবোৰৰ মাজেৰে বিষয়বস্তু পৰিস্কাৰকৈ উপস্থাপন কৰিবলৈ বা পৰিস্থিতি অঙ্কন কৰিবলৈ যত্ন কৰা দেখা যায়। সেইকাৰণে তেওঁৰ গল্পৰ মাজত একমুখী বা সমধৰ্মী আৰু বিপৰীতমুখী চৰিত্ৰৰ সৃষ্টি কৰিছে। বিপৰীতমুখী চৰিত্ৰৰ চিন্তা-আদৰ্শ, কৰ্ম-কাণ্ডৰ বৈপৰীত্যৰ জৰিয়তে পৰিৱেশ এটা সজীৱ কৰি তুলিব বিচাৰে। উদাহৰণ স্বৰূপে 'অশান্ত ইলেক্ট্ৰন' গল্পটোৰ কেইটামান চৰিত্ৰৰ কথা ক'ব পাৰি। গল্পটোৰ মূল চৰিত্ৰ নিখিল। নিখিল শিক্ষিত, নিষ্কৰ্মা আৰু হতাশগ্ৰস্ত চৰিত্ৰ। সিহঁতৰ ঘৰখনত বিভিন্ন দিশত বিপৰ্যয় দেখা পোৱা গৈছে, কিন্তু এই বিপৰ্যয় ৰোধ কৰিবৰ বাবে নিখিলে কোনো ধৰণৰ চেষ্টাই কৰা নাই। বিপৰ্যয় সি পৰ্যবেক্ষণ কৰিব পাৰিছে, মনত দুখো পাইছে। কিন্তু পৰিৱেশ নিৰাময় কৰিবলৈ উদ্যোগ লওক চাবি হতাশগ্ৰস্তহে হৈ পৰিছে।

নিখিলৰ চৰিত্ৰৰ বিপৰীতে ৰঞ্জনৰ চৰিত্ৰৰ পোৱা যায়। এই চৰিত্ৰটো চট্‌ফটীয়া, কৰ্মত বিশ্বাসী আৰু বহু পৰিমাণে আশাবাদী আৰু যুক্তিবাদী। সেই যুক্তিবাদী চিন্তা তাৰ কথাৰ মাজতো ফুটি ওলায় –

> "ৰঞ্জনে ক'লে, "ৰ'ব। এটা এটমৰ কথা ভাবক। তাৰ কেন্দ্ৰত পজিটিভ চাৰ্জ। তাৰ চাৰিওপিনে ঘূৰিছে নিগেটিভ চাৰ্জ। প্ৰ'টন আৰু ইলেক্ট্ৰন। দুয়োৰে উপৰি আছে নিউট্ৰন্, চাৰ্জবিহীন কণিকা। দুনিয়াত ভাল আছে, বেয়া আছে, শুদ্ধ আছে, অশুদ্ধ আছে, তাৰ উপৰিও আছে নিৰপেক্ষবোৰ – নিউট্ৰন, যাক ক'ব পাৰি নিউট্ৰেল। প্ৰতিটো বস্তুৰে দুটা ফাল আছে, এটমৰ পৰাই চাওক। ৰাজনৈতিক পাৰ্টিয়ে বা বাদ যাব। কিয় ? মানুহেই বা বাদ যাব কিয় ? সমাজখনেই বা এৰি থ'ব কেনেকৈ

? শক্তি আৰু প্ৰতিশক্তিৰ অসংখ্য জটিলতা আছে, এটমৰ পৰা আৰম্ভ কৰি সকলোতে ?" [১]

ৰঞ্জনৰ বিচাৰ-বুদ্ধি মতে প্ৰতিটো বস্তুৰে দুটা ফাল থাকে। শক্তিৰ প্ৰতিশক্তি থাকে, ভাল থাকিলে বেয়া থাকে, শুদ্ধ থাকিলে ভুল থাকে এইধৰণৰ বাস্তৱ চিন্তাই তাক বাস্তৱবাদী ৰূপত তুলি ধৰিছে। অৱশ্যে বহু সময়ত তাৰ চিন্তাধাৰা কেৱল তত্ত্বৰ আধাৰতহে গঢ় লৈ উঠিছে।

তাৰ বিপৰীতে 'অশান্ত ইলেক্টন' গল্পৰে যতিবাবু আকৌ কমিউনিষ্ট চিন্তাধাৰাৰ মানুহ। তেওঁ সদায় বিপ্লৱৰ কথা কৈ দৰিদ্ৰজনৰ প্ৰতি সহানুভূতি দেখুৱায় আৰু শোষণকাৰী-ধনীৰ বিৰুদ্ধে বিষোদগাৰ কৰে। সময়-সুবিধা পালেই সমাজ ব্যৱস্থাৰ ওপৰত একোটা টিপ্পনী কাটে। তেওঁ সকলোতে পুঁজিবাদৰ আগ্ৰাসন দেখা পায়। দেৱালত হলিউদৰ গ্লেমাৰ-গাৰ্মৰ চিত্ৰ দেখি যতিবাবুয়ে কৈছে –

"চিনেমা, থিয়েটাৰ, সাহিত্য, ৰেডিঅ' সকলোৰে যোগেদি মানুহৰ ৰুচিক নমাই দিয়া হৈছে পুঁজিবাদীসকলৰ উদ্দেশ্যে। মানুহে যাতে বিপ্লৱী ভাৱধাৰাৰ পৰা আঁতৰি থাকিব পাৰে, মানুহৰ মাজত যাতে মিলিটেন্ট মনোবৃত্তি সোমাব নোৱাৰে, তাৰ কাৰণেই এইবোৰ ডাইভাৰ্ছনৰ ব্যৱস্থা কৰিছে কেপিটেলিষ্টৰ হলিউডে।" যতিবাবুয়ে ক'লে –[২]

এই যতিবাবু সমাজ ব্যৱস্থাৰ ওপৰত ইমান ৰুষ্ট হ'লেও কিন্তু সাংসাৰিক জীৱনত এখন বিপৰীত ছবি দেখা পোৱা যায়। যতিবাবুৱে দোকানত সোমাই বস্তু কিনিবলৈ লওঁতে তেওঁৰ ভাব-চিন্তা পৃথক হৈ পৰিছে –

যতিবাবুৰ মুখৰ ভাবটো লাহে লাহে অন্তৰ্হিত হৈ গ'ল। ষ্টেচ্যেনাৰী দোকানৰ ফ্ল'ৰচেন্ট লাইটৰ তলত যতিবাবুক নিখিলৰ বেয়া নালাগিল, স্ত্ৰী-গত-প্ৰাণ সংসাৰী ভদ্ৰলোক যেন বোধ হ'ল। ঘৈণীয়েকৰ কাৰণে যতিবাবুয়ে টুক্‌টাককৈ বস্তু কিনিব আৰম্ভ কৰিলে – নিখিলৰ মনত ভাব হ'ল তেওঁৰ মুখত কোমল ভাব এটা ফুটি উঠিছে। [৩]

নিখিলৰ দেউতাক এজন অৱসৰপ্ৰাপ্ত চাকৰিয়াল। পুৰণি মূল্যবোধত তেখেত বিশ্বাসী। বৃদ্ধজন তেওঁৰ দায়িত্বৰ প্ৰতি সজাগ, কিন্তু অক্ষম। সেয়ে তেওঁৰ হোকাৰ নলীডালো মইনাক সলাই আনিবলৈ কৈছে। কিন্তু তেওঁৰ সচেতনতাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে –

বৃদ্ধৰ দৃষ্টি এৰাবৰ চেষ্টা কৰিলে ৰঞ্জনে। বৃদ্ধৰ দৃষ্টি কিন্তু সজাগ। সাংসাৰিক দুঃশ্চিন্তাই বৃদ্ধৰ দেহ দুৰ্বল কৰি আনিছে, চকুৰ দৃষ্টিও হয়তো ক্ষীণ হৈ

গৈছে, তথাপি এতিয়াও বৃদ্ধক সহজে ফাঁকি দিয়া টান। ৰঞ্জন মাজে মাজে অবাক হয়, কি দৃঢ় শৰীৰ। চলোতে চলোতে হয়তো বৃদ্ধ পৰি যাব খোজে, তথাপি পৰি নাযায়। তাৰ দুখ লাগে, মুখত তাৰ ব্যথাৰ চিন ফুটি উঠে, নিখিল হয়তো অলপ আচৰিত হয়, বৌ হয়তো অলপ বিব্ৰত হয়, ৰঞ্জনে সেইটো ঢাকিবৰ প্ৰাণপণে চেষ্টা কৰে, এটা কৌতুকৰ হাঁহি টানি আনে মুখত – যেন সি আমোদ পাইছে, ফিচ্‌ফিচাই কয়, 'আনষ্টেব্‌ল্ ইকুইলিব্ৰিয়াম্।'[৪]

'বৌ' চৰিত্ৰটো এটা সহজ-সৰল, ঘৰৰ কামত পটু আৰু মৰমিয়াল নাৰী হিচাপে তুলি ধৰা হৈছে। মাজে মাজে অভাৱৰ বাবে তেওঁৰ মুখত চিন্তাৰ ভাব ফুটি উঠে। তাৰ মাজতে নিজে হাঁহি-স্ফূৰ্তি কৰি থকা আৰু আনকো আনন্দত ৰাখিবলৈ চেষ্টা কৰা দেখা যায়। জটিল কথাত তেওঁ মূৰ নুসুমুৱায় আৰু কেতিয়াবা তেওঁ সৰল কথা একোটাকো বুজি নাপায় --

"ও! একলাখ নে দুইলাখ কিবা পেনিচিলিন দিছে।"

অজ্ঞতাৰ স্বীকাৰোক্তি স্বৰূপে বৌৱে হাঁহিলে। পেনিচিলিন বস্তুটো যে লক্ষ লক্ষৰ হিচাপতহে চলে, এইটোও হয়তো বৌৰ কাৰণে এটা বুজিব নোৱাৰা কৌতুকৰ কথা। হাঁহিটো নিখিলৰ বৰ সুন্দৰ লাগিল, সৰল গাঁৱৰ ছোৱালী হৈ বৌৱে আত্মপ্ৰকাশ কৰিলে। আৰু এবাৰ স্বয়ংক্ৰিয়ভাৱে বৌয়ে হাতখন আগবঢ়াই দিলে, গলৰ ভিতৰলৈ সোমাই যোৱা নিখিলৰ কামিজৰ কলাৰডাল উলিয়াই ঠিক কৰি দিলে।[৫]

এনেদৰে একোটা গল্পত ভিন্নমুখী, ভিন্ন মানসিকতাৰ চৰিত্ৰ সৃষ্টি কৰিছে। এই চৰিত্ৰবোৰৰ এটাৰ আনটোৰ লগত মতাদৰ্শ বা কৰ্মৰ বৈপৰীত্য বা সমমুখিতাই চৰিত্ৰবোৰক উজ্বল ৰূপত তুলি ধৰাত সহায় কৰে। ভিন্নমুখী চৰিত্ৰ একেটা গল্পতে সংস্থাপন কৰাৰ ফলত গল্পত সংঘটিত ঘটনাবোৰ পৃথক চৰিত্ৰৰ যোগেৰে পৃথক পৃথকভাৱে চোৱাৰ সুবিধা হয়। তাৰ ফলত ঘটনাবোৰৰ সুস্পষ্টৰূপত জিলিকি উঠে। এই ঘটনাক্ৰমৰ মাজেদিয়েই গল্পৰ বিষয়বস্তুৰ ভিতৰলৈ সোমাবলৈ পাঠকৰ সুবিধা হয়।

গল্প এটাৰ উপস্থাপন পদ্ধতিৰ বিষয়তো সৌৰভ কুমাৰ চলিহাই কৰা চৰিত্ৰ সংযোজনৰ পদ্ধতিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সৌৰভ কুমাৰ চলিহাৰ গল্পৰ মাজত অনুভৱ কৰা বহুমুখী ব্যঞ্জনাৰ অন্যতম কাৰণ হ'ল এইধৰণৰ চৰিত্ৰ সংযোজন পদ্ধতি। চৰিত্ৰৰ কৰ্ম আৰু দৃষ্টিভঙ্গীৰ সমমুখিতা আৰু ভিন্নমুখিতা বৃদ্ধি পোৱাৰ লগে লগে গল্পৰ জটিলতাও

বৃদ্ধি হোৱা দেখা গৈছে। কিন্তু এই জটিলতাক কলাত্মক ৰূপতো তুলি ধৰাত সৌৰভ কুমাৰ চলিহাই দক্ষতা অৰ্জন কৰিছে।

**২.০** সময়ৰ লগত তাল মিলাই চলিব নোৱৰা, জীৱনত পাছ পৰি ৰোৱা কিছুমান চৰিত্ৰ সৌৰভ কুমাৰ চলিহাই অঙ্কন কৰিছে। এইবোৰ চৰিত্ৰ যে কাম-কাজত অদক্ষ, সেয়া নহয়। কিন্তু পৰিৱৰ্তিত সময়ৰ লগত তেওঁলোকৰ মানসিকতাৰ পৰিৱৰ্তন হোৱা নাই। তেওঁলোকৰ কোনোবাজন শিল্পীমনৰ, কোনোবাজনে আধুনিক জীৱনৰ জটিল কথাবোৰ আৰু জটিল মানুহবোৰক বুজি নোপোৱা ধৰণৰ। কোনো চৰিত্ৰই আকৌ সময়ৰ গতিৰ লগত নিজক এৰি নিদিয়ে।

'ধ্ৰুৱক' গল্পত ৰেল ষ্টেচনত কিতাপৰ দোকান দি থকা এটা চৰিত্ৰ পোৱা যায়। এই চৰিত্ৰটো সৰল। তেওঁৰ কিতাপ আলোচনীৰ দোকানখন সৰু। তাত অতি সহজেই কোনখন আলোচনী নাই সেইটো বাচি উলিয়াব পাৰি। কিন্তু গ্ৰাহক বা পাঠকে বিচৰা আলোচনীখন দিব নোৱাৰিলে মনত দুখ পায়। সেই দুখ পোৱা কথাটো যেন ভঙ্গী আৰু কথাতো ফুটি উঠে

> যি হওক, আমি সোধোঁ, অমুকখন আছে নেকি ?" তেওঁ মূৰ তুলি চায়, থুঁতৰিটো হাতখনেৰে ধৰিয়েই কৰুণভাৱে জোকাৰে, সোঁ চকুটো অস্পষ্টভাৱে অলপ জপায়, আৰু কপালৰ কোঁচবোৰ অব্যাহত ৰাখিয়েই গভীৰ ট্ৰেজেদিৰ সুৰত আস্তে আস্তে কয়, "নাই, শেষ হৈ গৈছে।"[৬]

এই চৰিত্ৰটো এটা নিৰ্দিষ্ট চাপত গঢ়া। তেওঁৰ চাৰিওফালে মানুহৰ পৰিৱৰ্তন হ'ল, চহৰ-নগৰ আৰু ৰেল ষ্টেচনটোৰো বহুত পৰিৱৰ্তন ঘটিল। ষ্টেচনটো ডাঙৰ হ'ল, তাত নিয়ন লাইট জ্বলিল, আচহুৱা মানুহেৰে ভৰি পৰিল। কিন্তু কিতাপ দোকানখনৰ অতি সামান্য পৰিৱৰ্তন হৈ দেখা গৈছে। মানুহজনৰ আনকি সাজ-পোচাকো সদায় একে ধৰণৰ। তেওঁ চিগাৰেট নাখায়, নাকেৰে শুঙা বস্তু ব্যৱহাৰ নকৰে বা পাণো খোৱা দেখা পোৱা নাযায়। গল্পকাৰৰ ভাষাত 'যুগ-যুগান্তৰ তেওঁ সেই একেটা ধোবাই ধোৱা ইস্ত্ৰি নভগা কামিজ আৰু একেখন পাতল ধুতিকে পিন্ধি থাকে যেন ধাৰণা হয়।' পৰিৱৰ্তনশীল আৰু বস্তুবাদী জগতৰ প্ৰতি নিস্পৃহ বাবেই এইজন মানুহৰ জীৱনত পিছ পৰি ৰৈছে।

'এহাত ডাবা' গল্পৰ বেণু মিশ্ৰ নামৰ শিল্পীজন জীৱনত ব্যৰ্থ মানুহ। কাৰণ বাস্তৱবাদী কঠোৰ জীৱনৰ লগত নিজে মিলি চলিব জনা নাছিল। তেওঁ এজনী ছোৱালীৰ প্ৰেমত পৰিছিল আৰু প্ৰেমিক-প্ৰেমিকাৰ মাজত অভিমান ভৰা কাজিয়াও হৈছিল। সেই প্ৰেমিকা অসুখত পৰোঁতে বেণু মিশ্ৰই এজন বন্ধুক খবৰ ল'বলৈ পঠালে। কিন্তু সেই বন্ধুজনে বেণু

মিশ্ৰক ঠগিলে। বন্ধুজনে বেণু মিশ্ৰৰ প্ৰেমিকক বেণু মিশ্ৰৰ বিপক্ষেহে দুটামান কথা কৈ প্ৰেমিকাৰ পৰা বিচ্ছেদ ঘটালে। বেণু মিশ্ৰৰ কথা শুনিবলৈও কোনো নাই। যিজন ব্যৱসায়ীৰ লগত মাজে মাজে বেণু মিশ্ৰই ডাবা খেলে, সেইজনেও তেওঁৰ আজৰি সময় কটাবৰ বাবেহে বেণু মিশ্ৰক ব্যৱহাৰ কৰে, তেওঁৰ ব্যক্তিগত জীৱনৰ কথা শুনিবলৈ নহয়। তাতকৈ প্ৰকাৰান্তৰে বেণু মিশ্ৰক কষ্ট দি ভাল পায়। ঘৈণীয়েকৰ লগত ডাবা খেলোঁতে ঘৈণীয়েকক ভালৰি লগাই থাকিবলৈ তেওঁ মাজে মাজে ইচ্ছাকৃতভাৱে হাৰি যায়। কিন্তু বেণু মিশ্ৰক কোনোদিনেই জিকিবলৈ নিদিয়ে। বেণু মিশ্ৰ জিকিলেই তেওঁৰ আত্ম-বিশ্বাস কিছু পৰিমাণে বৃদ্ধি পাব। কিন্তু সেইটোকে তেওঁ কৰিবলৈ নিদিয়ে। দামী পানীয় অকণ পান কৰাৰ কথা উলিয়ায়ো তেওঁক বঞ্চিত কৰে। সৰল, শিল্পীমনৰ মানুহ বেণু মিশ্ৰ এনেদৰে জীৱন যুঁজত পিছপৰি ৰোৱা মানুহ হৈ পৰিছে।

'ৰাতিৰ ৰেল' গল্পৰ জুনু গোস্বামী আকৌ প্ৰতিযোগিতামূলক পৃথিৱীত সময়তকৈ আগবাঢ়ি থাকিব বিচৰা কাৰণেই জীৱনত পৰাজয়ৰ মুখ দেখিছে। এসময়ত বাতৰি কাকত আদিৰ যোগেদি পৃথিৱীৰ সমস্ত খবৰ জানি নল'লে সাংঘাতিকভাৱে পিছ পৰি ৰ'ব বুলি ভবা জুনু গোস্বামীয়ে সংসাৰ পৰ্যন্ত নকৰিলে সময়ৰ অভাৱত। জীৱনৰ ভাটি বয়সত দুটা ডেকা ল'ৰাৰ কথা-বতৰা শুনি তেওঁ নিজৰ অতীতলৈ কথাৰ ফাঁকে ফাঁকে ঘূৰি চাইছে আৰু ঘূৰি চাই দেখিছে যে তেওঁ যিবোৰ কথা-কাম অতি গুৰুত্বপূৰ্ণ বুলি ভাবিছিল, আজি সেইবোৰ তেনেই অৰ্থহীন। গুৰুত্বপূৰ্ণ কথাবোৰ তেওঁ মনত পেলাব নোৱাৰে। ৰাতিৰ ৰেল হাজাৰ হাজাৰ অচিনাকি যাত্ৰীৰ ভিৰৰ মাজত হেৰাই যোৱাৰ দৰে তেওঁৰ জীৱনটোও সাধাৰণভাৱেই হেৰাই গ'ল। তেওঁৰ জীৱনটো আধৰুৱা হৈ ৰোৱাৰ ইংগিত দিছে ট্ৰেইনত যোৱা দুজন ডেকাৰ সৰু সৰু কথোপকথন আৰু পুৰণি আৱাহনৰ পাতত পঢ়া এটা গল্পৰ উপস্থাপনে। ল'ৰা দুজন আৰু গল্পটোত প্ৰেম আধৰুৱা হৈ ৰোৱাৰ ইঙ্গিত আছে। ইয়েই জুনু গোস্বামীৰো জীৱনৰ এটা দিশ খালী হৈ থকাটো সূচাইছে। ডেকাজনৰ ভাল লগা ছোৱালীজনী আৰু গল্পৰ নায়কৰ ভাল লগা ছোৱালী দুয়োজনী ষ্টেচনলৈকে অহাৰ পাছতো এজনেও ছোৱালী দুজনীয়ে শুনিব বিচৰা প্ৰিয় কথা কেইটা ক'ব নোৱাৰিলে। জুনু গোস্বামীয়েও যে ক'ব নোৱাৰিলে, তাৰ ইঙ্গিত এইছোৱাতে ফুটি উঠিছে –

> ষ্টেচনত ভিনটিহঁত মা-বাইদেউহঁত চব আহিছিল (আৰু তাইও নিশ্চয়) – তেওঁ কথাষাৰ দুই-তিনিবাৰ মুখৰ ভিতৰত ঘূৰাই ঘূৰাই মনে মনে আবৃত্তি কৰিলে... কেনেকুৱা আচহুৱা এটা সোৱাদ ...আচহুৱা, এৰা, কাৰণ তেওঁক ষ্টেচনত বিদায় দিবলৈ আজি আৰু কোনো নাহে, তেওঁক আদৰি

নিবলৈ প্লেটফৰ্মত অধীৰ আগ্ৰহেৰে বৈ থাকিবলৈও আৰু কোনো নাই...[৭]

**২.১** সৌৰভ কুমাৰ চলিহাই কিছুমান নিঃসংগ অন্তৰ্মুখী চৰিত্ৰৰ সৃষ্টি কৰিছে। পূৰ্বে আলোচনা কৰা 'ৰাতিৰ ৰেল' গল্পৰ জুনু গোস্বামী তেনে এটা চৰিত্ৰ। এই নিঃসঙ্গতা আধুনিকতাবাদী লক্ষণযুক্ত মানুহৰ চৰিত্ৰ। আধুনিকতাবাদী তত্ত্বই দাঙি ধৰা আধুনিকতাবাদী মানুহৰ নিঃসঙ্গতা, অন্তৰ্মুখিতা ইজনে-সিজনক বিশ্বাস কৰিব নোৱৰা অৱস্থা, ইত্যাদি বিভিন্ন লক্ষণ সৌৰভ কুমাৰ চলিহাৰ গল্পৰ কিছুমান চৰিত্ৰৰ মাজেৰে ফুটি উঠা দেখা পোৱা গৈছে। আধুনিক বস্তুবাদী সমাজৰ চিন্তাধাৰায়ো এনে লক্ষণযুক্ত মানুহৰ চিন্তা-চেতনাৰ প্ৰভাৱ পেলাইছে। 'আচ্ছন্ন' গল্পৰ 'মই' হিচাপে উল্লেখ হোৱা চৰিত্ৰটো তেনে এটা চৰিত্ৰ। সৰুমাইক বিচাৰি যোৱা 'মই' নামৰ চৰিত্ৰটোক ইচ্ছাকৃতভাৱেই সৰুমায়ে লগ নধৰি সন্ধিয়া ডাঙৰ মাইৰ সৈতে ওলাই গৈছে। প্ৰায় কান্দোনৰ দৰে সূক্ষ্মভাৱে কঁপা মাতেৰে সৰুমাইৰ মাকৰ পৰা বিদায় লৈ অহা এই সংবেদনশীল চৰিত্ৰটোৱে ৰাস্তাৰে খোজ কাঢ়ি ফুৰিছে, ষ্টেচনত সোমাইছে, ৰিফ্ৰেচমেণ্ট ৰূমত সোমাই চাহ খাই জেপৰ পৰা কলম আৰু কাগজ উলিয়াই লিখিবলৈ ধৰিছে। এই লিখাখিনিৰ মাজত মই নামৰ চৰিত্ৰটোৰ মনৰ যন্ত্ৰণাৰ পৰিচয় দিয়ে —

> মই লিখিলো যে আজি সন্ধিয়া মোৰ জীৱনৰ এটা অংশ, মোৰ অস্তিত্বৰ এটা অঙ্গ ধ্বংস হৈ গ'ল, হেৰাই গ'ল, নিশ্চিহ্ন হৈ গ'ল। এটা অবৰ্ণনীয় ...............। আৰু মই লিখিলো যে অবৰ্ণনীয় শূন্যতাই মোক আচ্ছন্ন কৰি পেললে, আৰু মই লিখিলো যে মোৰ অন্তৰ বিদীৰ্ণ হৈ গ'ল, যেন কোনোবাই মোৰ বুকুত ছুৰী এখন সুমুৱাই তাতে এৰি নিদিলে, ছুৰীখন টানি বুকুৰ পৰা বাহিৰ কৰি লৈ গ'ল।[৮]

প্ৰেমিকাৰ পৰা বিচ্ছেদ ঘটা এজন ডেকাৰ মনৰ তীব্ৰ যন্ত্ৰণা আৰু চাঞ্চল্য গল্পটোৰ মাজেৰে প্ৰকাশ পাইছে। এই যন্ত্ৰণাটো প্ৰকাশ কৰিব নোৱৰা অৱস্থা এটাত পৰি অক্ষমতাত তেওঁ চট্‌ফটাইছে।

'হেৰাল' নামৰ গল্পটোৰ প্ৰথম পুৰুষ বৰ্ণনাকাৰী চৰিত্ৰটোও এনে এটা নিঃসঙ্গ, অন্তৰ্মুখী চৰিত্ৰ। সৰু অৱস্থাত পঢ়াৰ ফাঁকে ফাঁকে চৰিত্ৰটোৱে সুহুৰিয়াইছিল। অপাৰ স্ফূৰ্তিত সুহুৰিটো ওলাইছিল। সকলো সময়তে কেৱল উচ্ছ্বাস অনুভৱ কৰিছিল। এসময়ত না-ন্না-না-না-ন্না আদিকৈ এনেয়ে সুৰটো গুণগুণাই আছিল। বায়েকৰ মৃদু প্ৰত্যাহ্বান গ্ৰহণ কৰি 'না-ন্না' সুৰৰ লগত খাব খোৱাকৈ অতি স্বতঃস্ফূৰ্তভাৱে 'আজি আকাশ নীলা, হৃদয় খোলা, উৰাই দে তোৰ, উৰাই দে তোৰ মনৰ চিলা, বাহিৰ ওলা, বাহিৰ ওলা –' এনেধৰণৰ গীতো থিতাতে ৰচনা কৰি গাই দিব পাৰিছিল। মনৰ ভিতৰত থকা এটা উঁহ যেন হঠাৎ খুলি গৈছিল।

কিন্তু এসময়ত সেই মনৰ ভৰপূৰ উৎসাহ শূন্য হৈ গৈছে –

> তাৰ পাছত পুনৰ নীৰৱতা, বহুদিনলৈ আৰু একো নিলিখিলো, পুৰা কাৰখানা, আবেলি ক্লান্তি, ব্যস্ত দিন আৰু অলগ দিন, বৈ বৈ এটা নুবুজা আক্ষেপ, কিজানি ভুল হ'ল, এনেকৈ গুচি আহিব নালাগিছিল, য'তেই আছিলো তাতেই থাকিব লাগিছিল, মাজে মাজে মীনুৰ ওঠৰ ওপৰৰ ব্ৰনটো হঠাৎ মনত স্পষ্ট হৈ ভাহি উঠে, আচৰিত হৈ যাওঁ, কিজানি কি এটা চেষ্টা কৰিব লাগিছিল, নকৰিলো, দ্বিধাত বা অবহেলাত, কিজানি কি এটা হেৰুৱালো, বা হেৰুৱাম, যেন ছিন্নমূল প্ৰবাসীৰ অনিৰ্দিষ্ট আশাহীন চেতনা, 'সাঁতুৰি আহিলো হাজাৰ লোকৰ ভীৰ';[৯]

বাইদেৱেকেও অনুভৱ কৰিছে যে তেওঁৰ ভায়েকৰ কিবা এটা হৈছে। তেওঁ যিবোৰ কবিতা লিখি পঠিয়াইছে সেয়া যেন জোৰ কৰিহে লিখিছে। তাৰ মাজত প্ৰাণৰ স্পন্দন নাই। শব্দবোৰ নিস্তেজ হৈ পৰিছে। শব্দ বিন্যাসৰ জাক্‌জমকতাই তেওঁৰ মনৰ নিস্তেজ অৱস্থাটো ঢাকি ৰাখিব পৰা নাই। ইপিনে তেওঁৰ কবি হিচাপে নাম হৈছে। আলোচনী, প্ৰকাশক, সম্পাদক আদিয়ে তেওঁৰ কবিতাৰ বাবে তাগিদা দি থাকে অথচ তেওঁৰ কবিতা লিখা হৈ নুঠেগৈ। এইবাৰ ছেক্ এখন আগতীয়াকৈ পঠিয়াই দিছে। কিন্তু তেওঁ ছেক্‌খন ঘূৰাই দিছে। তেওঁ আৰু বায়েকে বুজি পাইছে যে তেওঁৰ মনৰ উৎসাহ-উদ্দীপনা, আনন্দ, সৃষ্টিশীলতা আদি সকলোবোৰ বস্তু হেৰাই গৈছে। সময়েও সকলো বস্তু কাঢ়ি নিছে।

বিদেশৰ পৰা ঘৰলৈ ঘূৰি আহোঁতে তেওঁ আনন্দৰ মাজতো একপ্ৰকাৰ বিষাদ অনুভৱ কৰিছে। সেই কথাৰ প্ৰকাশ গল্পৰ মাজত এনেদৰে ঘটিছে –

> .... পুৱাৰ প্ৰথম হালধীয়া বেলি যেনেকৈ গছৰ পাতে পাতে বিয়পি যায়, যায়, এটা শীতল শান্তি, বাহিৰৰ মহানগৰীৰ সকলো কোলাহল স্তব্ধ, ভিতৰৰ সকলো আলোড়ন সমাহিত, মাথো এটা নিঃশব্দ গুণগুণ ধ্বনিৰে মোৰ ওঁঠ দুটা মৃদুভাৱে কঁপিছে, যেন এটা পৰিচিত আশ্বাস, অভ্যস্ত পুৰণি বসনে যেনেকৈ স্বচ্ছন্দে দেহটো আৱৰি ধৰে, কিন্তু তথাপি ইমান অস্পষ্ট, ইমান ৰুদ্ধ, ইমান দমিত আৰু আচহুৱা যেন বহুদিন দূৰ প্ৰবাসত অকলে অকলে থাকি এখন বেলেগ মুখলৈ ঘৰৰ ল'ৰা ঘৰলৈ উভতিছে –[১০]

'পাৰ্কত সন্ধিয়া' গল্পৰ 'দিদিল' নামৰ চৰিত্ৰটো এনেধৰণৰ চৰিত্ৰ। প্ৰেমত বিফল চৰিত্ৰটো বিশেষভাৱে অন্তৰ্মুখী। বহুসময়ত তাৰ অন্তৰ্মুখিতা প্ৰেমৰ বিফলতা ঢাকিবলৈ চেষ্টা কৰি শান্ত হৈ থাকিব খোজা ডেকাৰ দৰে অনুভৱ হয়। তাৰ হতাশা, নিৰাশা ইত্যাদি মানসিক

অৱস্থাটো নিকুঞ্জৰ লগত কথা পাতোঁতে ওলাই পৰে। তাৰ যেন কোনো কথা ভালকৈ পাতিবলৈ মন নাই। কেৱল উত্তৰ দিয়ে। নিকুঞ্জৰ প্ৰশ্নৰ উত্তৰত সি যিখিনি কথা কয় সেইখিনিও যথাযথ নহয় –

"অ' দিছিল, তহঁতৰ ৰিহাবাৰীৰ ঘৰটো ভাড়া দিছ বোলে ?"

"অ।"

"কোন আছে ?"

"তই নিচিনিবি।"

হু হ ও। ভাড়া কেনেকুৱা দিছে?"

"ভালেই দিছে।"

"টটেল্ কিমান নম্বৰ পাইছে ?"

"ভালেই পাইছে।"[১১]

এইবোৰ চৰিত্ৰৰ নিঃসঙ্গতা, অন্তৰ্মুখিতাৰ সামাজিক কাৰণ আছে। দিদিলৰ প্ৰেয়সী গৌৰীয়ে তাক যে ত্যাগ কৰিছে, সেই কথা ওলাই পৰে। দিদিলে আন্দোলনত লাগি এবছৰ সময় নষ্ট কৰিলে। সেই সময়তে গৌৰী এবছৰ আগবাঢ়িল। এই আগবাঢ়ি যোৱা ছোৱালীজনীয়ে এবছৰ পাছ পৰি যোৱা আৰু আন্দোলন কৰা ল'ৰাক ভাল পাব নোৱাৰে। আন্দোলনৰ কাৰণে তাৰ লটি-ঘটি হ'ব আৰু তেনে লটি-ঘটিময় জীৱন নিশ্চয় গৌৰীয়ে কটাব নিবিচাৰিব।

**২.২** মহানগৰীৰ যান্ত্ৰিক জীৱনৰ লগত খাপ খুৱাই চলা যন্ত্ৰবৎ চৰিত্ৰও সৌৰভ কুমাৰ চলিহাই অঙ্কন কৰিছে। বাহিৰত বিভিন্নজন মানুহ ৰিভিন্ন জীৱিকাৰ বা আদৰ্শৰ হ'ব পাৰে। কিন্তু কাৰ্যত তেওঁলোকে যন্ত্ৰবৎ জীৱন-যাপন কৰিছে। কোনে ক'ত কি কৰিছে, সেইবিলাকলৈ খবৰ নাই। কেৱল নিজৰ কাম আৰু চিন্তাৰ পৰিমণ্ডলত তেওঁলোকে বিচৰণ কৰিছে। 'বাছ নহালৈ' গল্পত এনে তিনিটা চৰিত্ৰ পোৱা যায়। এজন হ'ল গল্পৰ কথক নিজে, এজন অধ্যাপকজাতীয় আদহীয়া মানুহ আৰু এজন বিহাৰী চানাচুৰৱালা। ইয়াৰে প্ৰথম দুজনে এখন বাছলৈ প্ৰখৰ ৰ'দত এটা বিজুলী বাতিৰ খুঁটাৰ সামান্য ছাঁ লৈ অপেক্ষা কৰিছে। গল্পৰ কথকৰ হাতত ব্ৰাউন কাগজেৰে মেৰোৱা এটা ডাঙৰ কাগজৰ বাকচত ভিটামিন টনিক আৰু ইন্‌জেকশ্যন। বাছ নহা বাবে তেওঁ আৰু অধ্যাপকজনে কথা পাতিবলৈ ধৰিছে। সেই কথা-বতৰাবোৰো অভিযোগ আৰু নিজা বিষয়-চিন্তাৰ দ্বাৰা পৰিচালিত। তেনে চিন্তা-চৰ্চাৰ ধাৰণবোৰ হ'ল যে বাছবোৰে কোনো কালে নিয়ম ৰক্ষা কৰি সময় মতে নচলে। জনসাধাৰণো প্ৰত্যেকেই নিজা ভাৱে ব্যস্ত। সৰ্বসাধাৰণৰ বাবে

কাম কৰাৰ কাৰো আগ্ৰহ নাই আদি। বক্তাই এইবোৰ কথা কৈ যায়, অথচ নিজে সমজুৱা কাম কৰিবলৈ আগবাঢ়ি নাহে। তেওঁ নিজে হাতৰ বাকচটোলৈ আঙুলিয়াই কয় যে সেই ট্ৰেঞ্জিষ্টৰ ৰেডিঅ'টোত আজিকালি গুৱাহাটী ষ্টেচনটোহে ধৰে, আন ষ্টেচনত নধৰে। আন ষ্টেচনত কিছুমান অবোধগম্য শব্দহে ওলায়। ঠিক তেনেকৈয়ে মানুহেও নিজৰ চিন্তাহে কৰিব পাৰে, আন চিন্তা কৰিব নোৱাৰে।

ইমানবোৰ ডাঙৰ ডাঙৰ কথা কোৱা এই মানুহজনে কিন্তু বাছ অহাৰ লগে লগে বাছত উঠি গন্তব্যস্থানলৈ যাত্ৰা কৰিছে। কিন্তু ৰ'দত ঘামি-জামি কষ্ট কৰি থকাতকৈ বাকচটোকে ট্ৰেঞ্জিষ্টৰ ৰেডিঅ' সজাই অনাহক কথা-বতৰাৰে সময়খিনি কটাই দিলে। কেৱল সেই সময়কণ কথা পাতি ভালদৰে কটোৱাৰ স্বাৰ্থতেই তেওঁ মিথ্যাচাৰৰ আশ্ৰয় লৈ বাকচটোকে ৰেডিঅ' সজালে।

আনহাতে যিজন অধ্যাপক জাতীয় মানুহৰ লগত তেওঁ কথা পাতি আছিল, তেওঁ বুৰঞ্জীৰ অধ্যাপক হ'ব পাৰে। তেওঁৰ হাতত কিতাপ আৰু তেওঁ ভালপোৱা আলোচনাৰ বিষয় সম্ৰাট অশোকৰ ৰাজত্বকালৰ জনসাধাৰণৰ কাৰণে কৰা উন্নয়নমূলক কাৰ্য। গল্পৰ কথকে আজিকালিৰ মানুহৰ স্বাৰ্থপৰতাৰ কথা উলিয়াওতেই তেওঁ অশোকৰ কাৰ্যকালৰ কথা বৰ্ণনা কৰিছে –

> আগৰ দিনত কথাবোৰ ইমান জঘন্য নাছিল, অধ্যাপকে ক'লে, মানুহবোৰ ইমান স্বাৰ্থপৰ নাছিল। অশোকৰ কথাকে ধৰক। মস্ত ৰজা, কিমান কাম, এই প্ৰকাণ্ড ভাৰতবৰ্ষ হেন অসম্ভৱ দেশ এখনৰ এড্‌মিনিষ্ট্ৰেচন চলাব লাগে, বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰিব লাগে, কত চিন্তা, কত লেঠা, কিমান ক্ৰাইচিচ্‌, কিন্তু তাৰ মাজতো তেওঁ ভাগৰুৱা পথিকৰ বাবে ৰাস্তাৰ দুয়োকাষে গছ ৰুই দিয়াৰ কথাটো পাহৰিছিল নে ? [১২]

অধ্যাপক নিজৰ প্ৰিয় বিষয় অশোকৰ কথা কওঁতেই প্ৰকাৰান্তৰে নিজৰ বৰ্তমানৰ অসুবিধাৰ কথা পাহৰি যোৱা নাই। এই ভৰদুপৰীয়া বিজুলীবাতিৰ খুঁটাৰ অলপীয়া ছাঁত বৈ অশোকৰ জনহিতকৰ কাৰ্য বাটৰুৱাৰ ছাঁৰ বাবে গছ ৰোৱা আৰু আজিকালি মানুহে তেনে ছাঁৰ ব্যৱস্থা নকৰাত তেওঁ পোৱা কষ্টকে প্ৰসঙ্গলৈ আনিছে। কিন্তু চতুৰ মানুহৰ দৰে তেওঁৰ উদ্দেশ্যক লুকুৱাই থ'বও জানে। তেওঁ কথাৰ ফাঁকে ফাঁকে অশোকৰ কথালৈ গুচি যায়।

বাছত উঠি দুয়োজনে কথা পাতোতে গল্পৰ কথকে কৈছে যে তেওঁৰ হাতৰ বাকচটো প্ৰকৃততে ট্ৰেঞ্জিষ্টৰ ৰেডিঅ' নহয়, তেতিয়া অধ্যাপকজনেও কৈছে যে সেইটো তেওঁৰো জোতাৰ

বাকচ যেনেই লাগিছিল। কিন্তু তেওঁ ইচ্ছা কৰিয়েই আলোচনাৰ ৰস ভঙ্গ কৰা নাছিল। কাৰণ ইতিমধ্যে ঘামি-জামি তেওঁলোকে ৰেডিঅ'ৰ বহু ষ্টেচন ধৰাৰ দৰেই বহুত কথা পাতিলে। তেনেকৈয়ে সময়কণ ভালকৈ পাৰ হৈ গ'ল। এইদৰে দুয়োজন মানুহ নিজৰ নিজৰ কক্ষপথত ঘূৰি ফুৰিছে। তেওঁলোকে যিবোৰ কথা পাতিলে সেইবোৰ অৰ্থহীন। সমাজ বা ব্যক্তিৰ উপকাৰৰ কাৰণে তেওঁলোকে কথা পতা নাই।

তাৰ বিপৰীতে চানাচুৰৱালাটোৱে খুঁটাটোতে আউজি চানাৰ বাক্সটোত হাত থৈ টোপনিয়াই আছে। চৌপাশৰ কোলাহল, ৰ'দ, ওচৰতে শুই থকা কুকুৰটো আদি একো পাৰিপাৰ্শ্বিকতাই তাক চুব পৰা নাই। কিন্তু যেতিয়াই শুন-নুশুনকৈ স্কুলৰ জিৰণীৰ ঘণ্টা বাজি উঠিল, সেই শব্দ কিন্তু চানাচুৰৱালাই ঠিকেই শুনা পালে। সি লগে লগে সাৰ পাই কাগজ ঠিক কৰি ভাগে ভাগে চানা বান্ধিবলৈ সাজু হ'ল। কাৰণ ছোৱালীবিলাক এতিয়া দৌৰি চানা খাবলৈ আহিব।

চানাচুৰৱালাটোও ব্যক্তিগত চিন্তাৰ পৰিধিৰ মাজত চলা মানুহ। সকলো কোলাহল, কষ্টৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি শুই থাকে। কিন্তু নিজৰ কৰ্মৰ সময় আহিলেই সি সাৰ পায়।

নগৰীয়া জীৱনৰ এইধৰণৰ ব্যক্তিকেন্দ্ৰিক চৰিত্ৰ সৌৰভ কুমাৰ চলিহাই এইদৰেই অঙ্কন কৰিছে।

**২.৩** ঠগ প্ৰবঞ্চক, শঠ প্ৰকৃতিৰ চৰিত্ৰও সৌৰভ কুমাৰ চলিহাৰ গল্পত পোৱা যায়। শঠ প্ৰকৃতিৰ চৰিত্ৰবোৰৰ আকৌ পৃথক চাৰিত্ৰিক বৈশিষ্ট্য আছে। কোনোটো ঠগ-প্ৰবঞ্চক চৰিত্ৰই মানুহৰ মাজত থকা এটা শ্ৰেণীৰ মানসিকতা প্ৰকাশ কৰিছে। দুৰ্বল বা শান্ত স্বভাৱৰ মানুহক এনেয়ে ঠগাই দিবলৈ বা জোকাবলৈ বিচৰা ধৰণৰ চৰিত্ৰ এটা পোৱা যায় 'এহাত ডাবা' গল্পত। এই গল্পৰ মূল চৰিত্ৰ বেণু মিশ্ৰৰ বন্ধু এজন এনে ধৰণৰ। কোনো কাৰণ নথকাকৈয়ে বেণু মিশ্ৰৰ বন্ধুজনে মিশ্ৰৰ প্ৰেমিকাক তেওঁৰ পৰা বিচ্ছেদ কৰাত মূল ভূমিকা পালন কৰিলে। গল্পটোত সেইধৰণৰ মানসিকতাৰ স্বৰূপ এইদৰে চিত্ৰিত হৈছে –

> বন্ধুজনৰ মনস্তত্ত্ব মই বুজিব পাৰোঁ,ময়ো ঠিক তেনেকুৱাই কৰিলোহেঁতেন খুব সম্ভৱতঃ, কিয়নো 'চাকাৰ' দেখিলেই মানুহক ঠগি দিবৰ মন যায়, কিবা এটা অন্যায় কৰি দিবৰ বাসনা জন্মে, কিছুমান গোঁফ দেখিলেই যেনেকৈ টানি দিবৰ মন যায়, তাৰ বাবে কোনো প্ৰৰোচনা নালাগে, তাৰপৰা আমাৰ কোনো লাভো হ'ব নালাগে (বন্ধুজনে বঙালী ছোৱালীজনীক তাৰ এমাহৰ পাছতেই পাহৰি গ'ল), মাথোঁ যাৰ যিটো প্ৰাপ্য সেইটো তেওঁক দি দিয়াৰ সহজাত উল্লাস। 'চাকাৰ' দেখিলে মানুহে কিবা এটা কৰিবই।[১৩]

এই চৰিত্ৰটো 'এহাত ডাবা' গল্পৰ কথক চৰিত্ৰৰ মনলৈ অহা এটি চৰিত্ৰ। কিন্তু এই গল্পৰ কথক চৰিত্ৰটো নিজেই এক শঠ আৰু মিথ্যাচাৰী চৰিত্ৰ। তেওঁ বেণু মিশ্ৰক নিজৰ সময় কটাবৰ বাবে ব্যৱহাৰ কৰে। বেণু মিশ্ৰই এই কথক চৰিত্ৰক নিজৰ বিষয়ে দুই-এটা কথা ক'ব খোজে। কিন্তু তেওঁ কায়দা কৰি সেই বিষয়ৰ পৰা ফালৰি কাটি যায়। মনোভাৱ এনেকুৱাঃ

> আৰু তদুপৰি, মোৰ কাণ দুখন আবৰ্জনা পেলোৱা ঢামা নহয়, মই যাৱতীয় ব্যৰ্থতাৰ কাহিনীৰ ডাষ্টবিন নহওঁ। তেওঁ মোৰ পৰা কি আশা কৰে? সহানুভূতি ? সান্ত্বনা ? সমবেদনা ? এজন সংবেদী সহৃদ? নহ'ব, নহ'ব। তেওঁক মই সহায় কৰিবলৈ ৰাজী আছোঁ (প্ৰায় প্ৰতি মাহে মোৰ পৰা টকা ধাৰলৈ নিছে, কোনো দিনে মই নিজৰ পৰা সুত বিচৰা নাই) কিন্তু ব্যৰ্থ ভাবপ্ৰৱণ কাহিনী সমবেদনাৰে মোক ধৈৰ্য ধৰি শুনিব নক'বা, মোৰ কান্ধত মূৰ থৈ তেওঁক কান্দিব দিবলৈ নক'বা। যাৰ যেনেকুৱা প্ৰকৃতি। [১৪]

কথক চৰিত্ৰটো এজন ব্যৱসায়ীৰ। প্ৰথমতে সৰু ব্যৱসায় কৰি আচবাব সজা মহানগৰৰ বিভিন্ন স্কুললৈ আচবাব যোগান ধৰা আদি কাম কৰি বেণু মিশ্ৰৰ চকুৰ সমুখতে ধনী হৈ ভাল ঘৰ সজালে আৰু অমি নামৰ ছোৱালীজনীক ভাল লগা কাৰণে ভাবপ্ৰৱণ হৈ বৈ নাথাকি তাইক বিয়া পাতিছে। তেওঁ ইচ্ছা কৰিলে এজন বন্ধুৱে পত্নীক 'অমিয়া, তুমি মোৰ জীৱনৰ অমিয়া' বুলি ক'বলৈ শিকাই দিয়া কথাষাৰ তেওঁৰ পত্নীক কোনোদিনেই কোৱা নাই। তেওঁ সেই কথা পত্নীক কোৱাৰ কোনো প্ৰয়োজন নাই। তেওঁ ঘৰ কৰিছে, গাড়ী কিনিছে আৰু অমিৰ লগত সংসাৰ কৰিছে। লগতে সংসাৰ চলাবলৈ কিছুমান কৌশল শিকি লৈছে। যেনে আজৰি সময়ত আমি আৰু তেওঁ ডাবা খেলিলে ইচ্ছাকৃতভাৱে তেওঁ হাৰি যায়। নহ'লে অমিয়ে তেওঁৰ লগত নেখেলা হ'ব।

প্ৰকৃততে তেওঁ বেণু মিশ্ৰক আঘাত দিয়ে আৰু অন্যায় কৰে। বেণু মিশ্ৰই কোনো অপকাৰ কৰা নাই। তথাপি বেণু মিশ্ৰৰ সৰল ৰূপটোৰ ওপৰতে তেওঁ বিভিন্ন প্ৰকাৰে নিৰ্যাতন চলায়। পত্নী কাৰণে তেওঁ ডাবা খেলত অমিক জিকি যাবলৈ সুবিধা দিয়ে। কিন্তু ডাবাত জিকি মনটো সজীৱ কৰি লোৱাৰ প্ৰয়োজন থকা বেণু মিশ্ৰক কেতিয়াও সেই সুবিধা নিদিয়ে। হুইস্কিৰ এক পেগ্‌মান বেণু মিশ্ৰক দিব পাৰে, কিন্তু সেইটোও তেওঁক নিদেয়ে। এইক্ষেত্ৰত তেওঁৰ ভাবনা এনেধৰণৰ –

> .... যোৱাকালিৰ হুইস্কিটোৰ আধামান এতিয়াও ফ্ৰীজতে আছে, চ'ডাও

আছে, কিন্তু সেয়াও থাকক ৰাতি মোৰ 'টেণ্ডেন্সি' হ'ব পাৰে। মিশ্ৰক এনেয়ে এবাৰ ধেমালি কৰাৰ চলেৰে হয়তো সুধি চাব পাৰোঁ তেওঁ যাবৰ সময়ত, আৰু লগে লগেই ক'ম, নাঃ, আজি বৰ গৰম, এতিয়া বেটাইমো হ'ল, থাকক আজি। চ'ডাও কম আছে, এই গৰমত 'নীট' খোৱা ঠিক নহ'ব, কি কয় ? অ, থাকক দিয়ক, মিশ্ৰই ক'ব, ৱাইফে আকৌ এইবাৰ বৰ বেয়া – আৰু আকৌ তেওঁৰ 'দাম্পত্য-ৰস'ৰ হাঁহিটো হাঁহিব। আচল কথা অৱশ্যে এয়ে যে অলপ হুইস্কি পালে তেওঁ খুবেই ভাল পালেহেঁতেন, তেওঁৰ স্ত্ৰীৰ বেয়া পোৱাটো (যদি সঁচাকৈয়ে বেয়া পোৱাটোৱেই হয়) সম্পূৰ্ণ উপেক্ষাৰ কথা হৈ পৰিলহেঁতেন, তেওঁৰ অৱনত মনটো এটা উচ্চতৰ সমতললৈ উত্তেজিত কৰি নি তেওঁ তেওঁৰ গোট মৰা গৰম ঘৰৰ থমথম শীতল গোটমৰা অভ্যৰ্থনা সন্মুখীন হ'বলৈ (বা তাকো সম্পূৰ্ণ উপেক্ষা কৰিবলৈ) উভতি গ'লহেঁতেন – [১৫]

তেওঁ নিচাৰ লোভ বেণু মিশ্ৰক লগাই দিয়ে, কিন্তু নিচাৰ সোৱাদ লৈ বেণু মিশ্ৰক সজীৱ হৈ উঠিবলৈ নিদিয়ে। লোভনীয় বস্তু দেখুৱাই তাৰপৰা আকৌ বঞ্চিত কৰাৰ এই মানসিক অত্যাচাৰ গল্পৰ কথক চৰিত্ৰই বেণু মিশ্ৰক কৰিছে।

২.৪ নিজস্বতা হেৰুৱা এটা স্বাৰ্থপৰ আৰু শঠ চৰিত্ৰ হ'ল 'গোলাম' গল্পৰ কথক চৰিত্ৰটো। এই চৰিত্ৰটো জাৰ্মানীলৈ ব্যৱসায় বিষয়ৰ এখন ডিপ্লোমা আনিবলৈ গৈছে। জাৰ্মানীত অধ্যয়ন কৰাৰ আগতে তাত জাৰ্মান ভাষাৰ এটি পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে। এই ভাষাজ্ঞানৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ 'সৰল জাৰ্মান শিক্ষা' নামৰ পুৰণি জাৰ্মান ইংৰাজী কিতাপৰ পৰা ৰচনা নকল কৰিলে আৰু জাৰ্মান নামবোৰৰ ঠাইত অসমৰ গুৱাহাটী, অসমীয়া মানুহৰ নাম বহুৱাই দিলে। অথচ জাৰ্মানীত যিধৰণে বৰফ পৰে, তেনে বৰফ গুৱাহাটীত নপৰে। বৰং গুৱাহাটী গ্ৰীষ্মমণ্ডলৰ অন্তৰ্ভুক্ত।

এই চৰিত্ৰটো ডিপ্লোমাখন আনিবলৈ জাৰ্মানীলৈ যোৱাৰো কাৰণ আছে। জাৰ্মানীৰ ব্যৱসায় প্ৰশাসন প্ৰণালীৰ লগত ভাৰতবৰ্ষৰ পদ্ধতি নিমিলে। তথাপি জাৰ্মানীত লাভ কৰা ডিপ্লোমাখন দেখুৱাই দেশত চাকৰিৰ সুবিধা ল'ব পাৰিব। বিদেশত উচ্চ শিক্ষা লৈ অহাৰ ভাও ধৰিব পাৰিব। কেনেবাকৈ চাকৰি এটা যোগাৰ কৰি ল'ব পাৰিলে পদোন্নতিও অনিবাৰ্য। ভাষাজ্ঞানৰ পৰীক্ষা লোৱা মহিলাগৰাকীয়ে তেওঁক সুধিছে যে দেশৰ লগত মিল নথকা শিক্ষাৰ ডিপ্লোমাখন লৈ তেওঁৰ কি সুবিধা হ'ব, তেতিয়া তেওঁৰ মনৰ কথা গল্পৰ মাজত এইদৰে প্ৰকাশ পাইছে –

প্ৰথম কেইবছৰ মাটি কিনিব নোৱাৰোঁ, হয়তো গাড়ীও কিনিব নোৱাৰোঁ; কিন্তু ঘূৰি আহিছোঁতো! ৰাম, শ্যাম, যদু সকলো 'ঘূৰি আহিছে' বিচিত্ৰ অচিলাত বিচিত্ৰ উপলক্ষে চলে-বলে-কৌশলে, নহ'লে জীৱন বৃথা, নহ'লে জীৱন ধিক্, গতিকে ময়েই বা এৰিম কি দুখত ? নিজৰ মাটি থকাহেঁতেন বন্ধক দিলোহেঁতেন, মেধাৱী হোৱাহেঁতেন বৃত্তি যোগাৰ কৰিব পাৰিলোঁহেঁতেন। [১৬]

এই শঠ চৰিত্ৰটোৰ মনত কোনো সামাজিক দায়বদ্ধতাৰ কথা নাই। ফাঁকি-ফুকা আদিৰ দ্বাৰা নিজৰ সুবিধা আদায়ৰ প্ৰতিহে মনোযোগ দিয়ে। যিহেতু গুৱাহাটীত থাকোঁতে তেওঁলোকৰ ৱাৰ্ড কাউন্সিলাৰ মানিক বাবুৰ ঘৰৰ সমুখলৈহে ৰাস্তাটো পকা, তেওঁ ঘৰলৈ গৈ মানিকবাবুক কৈ-মেলি পাৰিলে ঘৰৰ সমুখৰ পৰা অপল দূৰলৈ পকী কৰাই ল'ব আৰু বন্ধ নৰ্দমা দুটা কটাই দিয়াৰ চেষ্টা কৰিব। ইয়াৰ পাছতে তেওঁৰ মনোবৃত্তি এনেদৰে প্ৰকাশ পাইছে –

অঞ্চলটোৰ বাকীখিনি অৱশ্যেই মোৰ চেষ্টাৰ মুল্লুকত নপৰে। চব কাম কি এজনেই কৰিব ? ইমান 'কাঠ-খেৰ পুৰি' জাৰ্মানীলৈ আহিছোঁ কি ঘৰলৈ গৈ ৰাজ্যৰ মানুহৰ কথা ভাবি মৰিবৰ বাবে ? মই কি গৰ্দভ ?[১৭]

এই ঠেক মানসিকতাৰ চৰিত্ৰটোৱে জাৰ্মানলোকৰ উদাৰ দৃষ্টিভঙ্গীকো সহ্য কৰিব পৰা নাই। জাৰ্মান ভাষা শিক্ষা পৰীক্ষাৰ পাছত শিক্ষয়িত্ৰী গৰাকীয়ে কৈছে যে ইয়াৰ পিছত 'ৰীক্‌মান্ উন্ট্ ৰীক্‌মান্' কোম্পানীয়ে পৰীক্ষাৰ্থীগৰাকীৰ কি কৰে সেইটো জানিব পাৰিলে সুখী হ'ব। ইয়াত জাৰ্মান মহিলাগৰাকী নিজৰ দায়বদ্ধতা আৰু উৎসুকতা প্ৰদৰ্শন কৰিছে। আনহাতে কথক চৰিত্ৰই 'একেজাপেই দেৰশ মাৰ্ক দৰমহা বাঢ়িব' বুলি ভাবি যাবলৈ প্ৰস্তুত হৈছে। জাৰ্মানীত বৰফ আৰু শিক্ষয়িত্ৰী মহিলাগৰাকীৰ কাষৰ মানুহঘৰত কোনো ডেকা ল'ৰা নথকা বাবে তেওঁৰ সন্তানকেই কাষৰীয়া বৃদ্ধৰ পদূলিৰ বৰফখিনিও আঁতৰাই পেলাবলৈ দিয়া কথা শুনি তেওঁৰ মনলৈ এইধৰণৰ কথা আহিছে –

ভৱিষ্যতে যদি ল'ৰা-ছোৱালী হয়, তেনেহ'লে মোৰ 'গ্ৰেট শ্বেন্'জনীক পাৰিলে এইপিনৰ পৰা উভতি যোৱা কোনো ল'ৰা এটাৰ লগত বিয়া দিম আৰু মোৰ 'ফ্ৰীৎচ'কো এইপিনৰ পৰা ডিপ্লমা এখন আনিবলৈ পঠিয়াম। আৰু এয়া ফ্ৰাউ মূৎলাৰে সিহঁতৰ হতুৱাই কিবা লোকৰ ঘৰ পৰিষ্কাৰ কৰাৰ কথা ক'ব ধৰিছে। বুদ্ধি-টুদ্ধি একেবাৰেই নাই ?[১৮]

২.৫ হিতৈষী, পৰোপকাৰী, মানৱীয় মূল্যবোধেৰে ভৰা চৰিত্ৰও সৌৰভ কুমাৰ চলিহাৰ গল্পত পোৱা যায়। এই চৰিত্ৰবোৰৰো আকৌ অন্য কিছুমান চাৰিত্ৰিক বৈশিষ্ট্য আছে। 'বাৰ্‌কাৰ্‌ল' গল্পৰ প্ৰণৱৰ মোমায়েক তেনে এটা চৰিত্ৰ। প্ৰণৱৰ মোমায়েক উপৰুৱাকৈ চালে ৰূঢ় ব্যৱহাৰৰ মানুহ। তেওঁৰ বাস্তৱিক জ্ঞান প্ৰখৰ আৰু কৰ্তব্যপৰায়ণ। তেওঁৰ ভাল নোহোৱা কাহ এটা আছে। এই কাহ 'শুনিলে তেওঁৰ অফিচৰ সকলোৱে গল্প-গুজৱ-চাহ-খবৰৰ কাগজ এৰি লৰালৰিকৈ নিজ নিজ কামত ভীষণ ব্যস্ত হৈ পৰে।' নিজৰ ল'ৰা দুলুৱে ক্ৰিকেট খেলি মাজৰ ৰূমৰ সমুখৰ কেইবাখনো খিৰিকিৰ কাঁচ ভঙা বাবে পুতেকক অতিপাত কোবাইছে। প্ৰণৱে ভিতৰত সোমাই কিবা-কিবি লিখি থকা বা প্ৰণৱৰ মৃত ভনীয়েকৰ স্মৃতি জড়িত কেৰাচিন তেলৰ লেম্প এটা সদায় জ্বলাই ৰখা কথাটোও তেওঁৰ পচন্দ নহয়। তেওঁ প্ৰণৱক কৈছে – "আমিও পৰীক্ষা দি পাইছোঁ। সেইবুলি কাল-সন্ধিয়া ঘৰত ভূতৰ দৰে সোমাই থাকিবলগীয়া হোৱা নাই। দিনটো সেই বেবেৰিবাং সোপা নিলিখি অলপ পঢ়া-শুনা কৰিলেই হয়। কামৰ সময়ত কাম, ধেমালিৰ সময়ত ধেমালি, সকলো কথাৰে একোট নিৰ্দিষ্ট সময় আছে, "Work while you work, play while you play."

কিন্তু এই বাস্তৱ জ্ঞানেৰে পৰিচালিত মানুহজনে কিন্তু প্ৰণৱহঁতৰ ঘৰত কিছুদিন থাকি যোৱা বিমলা পেহীৰ খবৰ লৈছে। তেওঁৰ ঘৰ উত্তৰ পাৰত। বহুদূৰ পথ আৰু ৰাস্তাও ভাল নহয় বুলি গল্পৰ খুটি-নাটিৰ পৰা জনা গৈছে। পুতেককেইটাৰ কাৰ্য-কলাপত বিৰক্তি প্ৰকাশ কৰাৰ মাজেৰেই তেওঁৰ মানৱীয় চেতনা ফুটি উঠিছে। এই কথাখিনি গল্পৰ মাজেৰে এনেদৰে প্ৰকাশিত হৈছে –

> আৰু দুদিনমান নো বিমলা পেহীক বুজাই-বঢ়াই ৰাখিব নোৱাৰিলিনে, বিৰক্তভাৱে মামাই ক'লে, ঘৰত গৈনো কিটো কৰিবগৈ, ঘৰত আছেতো মাথোঁ সেই গুণধৰ পুতেককেইটা! মাকক ঠগাই সম্পত্তি বুলিবলৈ যি আছে আটাইখিনিতো সেই কেইটাই নিজৰ ভিতৰতে ভগাই-বটাই লৈ ঠেঙৰ ওপৰত ঠেং তুলি বহিল, মাকক সিহঁতৰ আৰু দৰকাৰ কি স্কাউণ্ড্ৰেল্‌![১৯]

এইজন মানুহে আকৌ প্ৰণৱৰ মাকে যোগেন মাষ্টৰৰ জীয়েকৰ বিয়াত উপহাৰ দিবলৈ দামী বেনাৰচী চিল্কৰ কাপোৰ কিনি আনি দিছে। কাৰণ তেওঁ পত্নীৰ মুখৰ পৰা তেনে কাপোৰ ভনীয়েকৰ পচন্দ হোৱা বুলি শুনিছিল। তেনে কাপোৰ উপহাৰ দিবলৈ পাই ভনীয়েকৰ মুখ উজ্জ্বল হৈ উঠাও দৃষ্টিৰ পৰা সাৰি যোৱা নাই। প্ৰণৱৰ ভনীয়েক আইজনীৰ অসুখ হওঁতে প্ৰণৱৰ মোমায়েকে যে বহুত কষ্ট কৰিছিল, তাৰ ইঙ্গিতো গল্পৰ মাজত আছে।

বাহিৰত কাঢ়া যেন লগা এই মানুহজন যে অনুভূতিশীল। আইজনীৰ কথা ওলাওতেই যদি প্ৰণৱৰ মাকে উচুপিবলৈ ধৰে, সেই দৃশ্য নেদেখিবৰ বাবে বাতৰি কাকতখন তেওঁ সমুখলৈ টানি লৈছে। প্ৰখৰ নিয়মানুৱৰ্ততা, সমাজ সচেতনতা, বিৰক্তিৰ আঁৰত তেওঁৰ অনুভূতিশীল মনটো সজীৱ হৈ আছে।

'দেউতা আৰু আমি' গল্পৰ দেউতাজন বৃদ্ধ বয়সত ঘৰত অধিক গুৰুত্ব বিচাৰি ফুৰা মানুহ। দিন সলনি হৈছে বাবে নতুন প্ৰজন্মৰ চিন্তাও সলনি হৈছে। আনহে নালাগে কামৰ ব্যস্ততাৰ বাবে তেওঁৰ পত্নীয়েও তেওঁৰ কথা শুনিবলৈ বিশেষ সময় দিব নোৱাৰে। দিব পাৰিলেও একেখিনি কথা শুনি থাকিবলৈ তেওঁৰ ধৈৰ্য নাই। কিন্তু এই 'দেউতা'জনে বিভিন্ন কৌশল উলিয়াই তেওঁৰ কথা শুনিবলৈ বাধ্য কৰায়। পুতেক-জীয়েকহঁতেও বুঢ়াৰ পৰা সুবিধা বুজি পলায়।

সৌৰভ কুমাৰ চলিহাৰ গল্পত চৰিত্ৰৰ নানা ৰূপৰ বিচিত্ৰ প্ৰকাশে মানৱ জীৱনৰ বিভিন্ন দিশকেই প্ৰকাশ কৰিছে। সৌৰভ কুমাৰ চলিহাৰ গল্পৰ চৰিত্ৰৰ এটা অংকৰ বিষয়ে হৰেকৃষ্ণ ডেকাই এইদৰে মত আগবঢ়াইছে –

> আকৌ নাগৰিক জীৱনৰ জটিল সমস্যাবোৰ কেইটামান চহৰীয়া চৰিত্ৰৰ মানসিকতাৰ মাজেদি প্ৰতিফলিত হ'লেও, স্বাধীনতা পৰৱৰ্তী অসমৰ সামগ্ৰিকভাৱে অস্থিৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক চিত্ৰ এখনো গল্পটোৰ মাজেদি প্ৰতিফলিত হৈছে। সমাজ জীৱনৰ যিবোৰ কেৰোণৰ প্ৰতি লেখকৰ সমালোচনামূলক দৃষ্টিভংগী আৰু যিবোৰ মূল্যবোধৰ প্ৰতি তেখেতৰ সহানুভূতি, সেইবোৰ প্ৰকাশ কৰাত নিজৰ সম্পাদকীয় উপস্থিতিৰ পৰা লেখক বিৰত হৈ ৰৈছে, সেইবোৰ আহিছে চৰিত্ৰবোৰৰ বিশ্বাসযোগ্য সঁহাৰিৰ মাজেদিয়েই।[২০]

সৌৰভ কুমাৰ চলিহাই গল্পত চৰিত্ৰসমূহৰ মাজেদি সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক জীৱনৰ চিত্ৰ প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে। মানুহৰ মনৰ বৈচিত্ৰ্য জটিল চিন্তা আদি প্ৰকাশ কৰাৰ ক্ষেত্ৰতো চৰিত্ৰবোৰে বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

# পাদটীকা

| | | | |
|---|---|---|---|
| ১। | সৌৰভ কুমাৰ চলিহা | অশান্ত ইলেক্ট্রন | পৃঃ ১৩ |
| ২। | ,, | অশান্ত ইলেক্ট্রন | পৃঃ ১৪ |
| ৩। | ,, | অশান্ত ইলেক্ট্রন | পৃঃ ১৫ |
| ৪। | ,, | অশান্ত ইলেক্ট্রন | পৃঃ ৭ |
| ৫। | ,, | অশান্ত ইলেক্ট্রন | পৃঃ ৫ |
| ৬। | ,, | ধ্রুৱক | পৃঃ ৮৬ |
| ৭। | ,, | ৰাতিৰ ৰেল | পৃঃ ২০৮ |
| ৮। | ,, | আছন্ন | পৃঃ ১১৮ |
| ৯। | ,, | হেৰাল | পৃঃ ২২৯ |
| ১০। | ,, | হেৰাল | পৃঃ ২৩২ |
| ১১। | ,, | পাৰ্কত সন্ধিয়া | পৃঃ ১৮৮ |
| ১২। | ,, | বাছ নহালৈ | পৃঃ ১৮৩ |
| ১৩। | ,, | এহাত ডাবা | পৃঃ ২৫০ |
| ১৪। | ,, | এহাত ডাবা | পৃঃ ২৪৯ |
| ১৫। | ,, | এহাত ডাবা | পৃঃ ২৪৭ |
| ১৬। | ,, | গোলাম | পৃঃ ৩৪২ |
| ১৭। | ,, | গোলাম | পৃঃ ৩৪৬ |
| ১৮। | ,, | গোলাম | পৃঃ ৩৪৭ |
| ১৯। | ,, | বাৰ্কাৰ্ল | পৃঃ ৪৮ |
| ২০। | হৰেকৃষ্ণ ডেকা | ‘সৌৰভ কুমাৰ চলিহাৰ গল্পত নাগৰিক জীৱন’ ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী সম্পাদিত সৌৰভ কুমাৰ চলিহা আৰু আৰু অন্যান্য প্ৰবন্ধ | পৃঃ – ২ |

## তৃতীয় অধ্যায়

# সৌৰভ কুমাৰ চলিহাৰ গল্পৰ ৰচনা-ৰীতিৰ মাজত প্ৰতিফলিত নাগৰিক জীৱন-চেতনা

১.০ সৌৰভ কুমাৰ চলিহাই গল্পত নগৰীয়া জীৱন-চেতনা প্ৰতিফলিত কৰিব পৰাকৈ লেখনভঙ্গী প্ৰয়োগ কৰাৰ চেষ্টা কৰিছে। চৰিত্ৰ, পৰিবেশ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, মানসিক – এই সকলো অৱস্থা ফুটাই তুলিব পাৰে লেখনভঙ্গীয়ে। সেই দিশত গল্পকাৰৰ সচেতনতা ধৰা পৰিছে। তাৰ উপৰি গল্পৰ বিষয়বস্তু, উপস্থাপন কৌশল ইত্যাদিৰ দিশতো লেখনভঙ্গীয়ে বিশেষ ভূমিকা পালন কৰিছে।

১.১ সৌৰভ কুমাৰ চলিহাৰ লেখনভঙ্গী আধুনিক অসমীয়া ভাষাৰ সাহিত্যিক সকলে সচৰাচৰ ব্যৱহাৰ কৰা পৰিশীলিত ৰূপৰ ভাষা নহয়। আন সাহিত্যিক সকলে শব্দ ব্যৱহাৰ ক্ষেত্ৰত যিবোৰ শব্দৰ পৰিশীলিত প্ৰতিশব্দ বিচাৰিলেহেঁতেন, সেই ক্ষেত্ৰত সৌৰভ কুমাৰ চলিহাই বিনা দ্বিধাই সেই শব্দবোৰ ব্যৱহাৰ কৰি গৈছে। চৈয়দ আব্দুল মালিকে লিখিছে -

> – "সৌৰভ চলিহাৰ গল্পৰ কথনৰীতিৰ নিজস্ব বৈশিষ্ট্য আছে। সামান্য একোটা ঘটনা, পৰিস্থিতি অথবা মানসিক বিৱৰণ তেওঁ গল্পৰ আকাৰত আটক ধুনীয়াকৈ সজাই পৰিৱেশন কৰিব জানে। এই বিষয়ত তেওঁ যি দক্ষতা অৰ্জন কৰিছে, তাৰ মাজেদি মননশীলতা, সৌকুমাৰ্য্য আৰু সূক্ষ্ম বস্তুনিষ্ঠ পৰ্য্যৱেক্ষণ শক্তিৰ এক দুৰ্লভ সমাহাৰৰ আভাস স্পষ্ট হৈ উঠিছে।"[১]

সৌৰভ কুমাৰ চলিহাৰ লেখন শৈলীৰ বিশিষ্টতালৈ আঙুলিয়াই সমালোচক হৰেকৃষ্ণ ডেকাই লিখিছে –

> নাগৰিক জীৱনৰ বিচিত্ৰ ৰূপ আৰু বিচিত্ৰ সুৰ ধৰা পৰিছে এইবোৰ গল্পত। চৰিত্ৰবোৰৰ জটিল মানসিকতাৰ উন্মোচন কৰোতে তেখেতৰ ভাষাতো আহিছে এক জটিল, বৈশিষ্ট্যপূৰ্ণ, নতুন ঠাঁচ। তেখেতৰ গল্পত বঙলুৱা শব্দৰ পয়োভৰ কথা আমি উল্লেখ কৰিছো। কেৱল বঙলুৱা শব্দই নহয়। আন বহুধৰণৰ বিজতৰীয়া শব্দ আৰু ভাষাৰ ঠাঁচো তেখেতৰ গল্পৰ ভাষাই আত্মসাৎ কৰিছে। 'ভ্ৰমণ বিৰতি' গল্পটোত যেনেকৈ ভৰি আছে বঙলুৱা শব্দ আৰু বঙলুৱা ভাষাৰ ঠাঁচ, 'আৰাজ' গল্পটোৰ বিভিন্ন

ধ্বনি, কোলাহল, হট্টগোল কোলৰ লগত খাপ খোৱাকৈ আছে অজস্ৰ অনুকাৰ শব্দ, ইয়াৰ বহুবিলাক তেখেতে নিজে সাজি লোৱা। তদুপৰি গল্পবস্তুৰ মাজত থকা যন্ত্ৰৰ ভূমিকাত খাপ খোৱকৈ ব্যৱহৃত হৈছে অজস্ৰ বৈজ্ঞানিক পৰিভাষাৰ শব্দ। অশান্ত ইলেক্‌ট্ৰন গল্পতো আছে বৈজ্ঞানিক পৰিভাষাৰ শব্দ আৰু সমাজ-বিজ্ঞানৰ ভাষাৰ প্ৰভাৱ। আকৌ তেখেতৰ গল্পবোৰৰ উপৰিভাগ চিত্ৰময়। অশান্ত ইলেকট্ৰন'ত যদি সন্নিবিষ্ট হৈছে বিভিন্ন টুকুৰা টুকুৰি দৃশ্যৰ মণ্টাজ, ভ্ৰমন-বিৰতি গল্পত দেখা পোৱা গৈছে ছয়াছবিৰ কেমেৰাৰ গতিময় লেন্সত ধৰা পৰা দৃশ্যৰ নিচিনা চহৰ জীৱনৰ খামখেয়ালি দৃশ্য। 'গোলাম' গল্পত দেখা পোৱা গৈছে বিপৰীত ধৰ্মী দৃশ্যৰ কংক্ৰীট ছবি।[২]

২.০ বহু সময়ত সৌৰভ চলিহাই অসমীয়া বাক্য লিখাৰ গতানুগতিক নিয়মৰ পৰা আঁতৰি পৃথক ধৰণে বাক্য সজাব খোজে। কোনো সময়ত ব্যাকৰণৰ নিয়ম ভঙ্গ হোৱা যেন লাগিলেও প্ৰকৃততে তেনে নঘটে। প্ৰয়োজন বিশেষে তেওঁৰ একোটা বাক্য যথেষ্ট দীঘলীয়া হৈ পৰে। 'বীণাকুটিৰ' গল্পৰ আৰম্ভণি বাক্যটো সৰল বাক্য হিচাপে সজালে তাত চাৰিটাতকৈও অধিক বাক্য পোৱা যাব। কিন্তু গল্পকাৰে কমা, কলন, ডেচ, চন্দ্ৰবন্ধনী আদি চিহ্ন ব্যৱহাৰ কৰি বাক্যটো ক্ৰমে দীঘল কৰি নিছে আৰু এই দীঘল বাক্যটোতে দুটা পৰিবেশৰ বৈপৰীত্য, পুতৌৰ ভাবৰ প্ৰকাশৰ লগতে বাস্তৱ বা জাগতিক জ্ঞানেৰে পূৰ্ব এজন ডেকাৰ মনত পৰিহাসৰ ভাব এটাও ফুটি ওলাইছে —

বিসদৃশ, ওখ ওখ নতুন কংক্ৰীটৰ অট্টালিকাবোৰৰ মাজত যেন চেপা খাই পুৰণি অসম-টাইপ এমহলীয়া ঘৰটো সংকুচিতভাবে থিয় দি আছে সমস্ত দৰজা-খিড়িকি বন্ধ কৰি, বেখাপ্পা, বেমানন ঃ আট্টালিকাবোৰৰ দৰে ইপিনে সিপিনে টেঁৰা-বেঁকা লোহাৰ ঠৰঙা দাণ্ডাবোৰ উলিয়াই দৃশ্যপট বন্ধ কৰি চিড়ি চেনিটাৰী পাইপ কাৰ্নিশ বাৰাণ্ডাৰে ৰাস্তাৰ সীমা ঠেলি মৰিয়া হৈ ওলাই আহিবলৈ তাৰ বুদ্ধি হোৱা নাই, নিৰ্বোধৰ দৰে সমুখত এখন ঘাঁহনিও ৰাখি থৈছে পুৰণি কাঠৰ গেটখনৰ ভিতৰত (আজিকালি আৰু তাৰ কি দৰ্কাৰ)[৩]

ওপৰৰ বাক্যটিৰ মাজতে চহৰৰ এটি পৰিৱেশ ফুটাই তুলিবলৈ গল্পকাৰ সক্ষম হৈছে। সাদৃশ্য নথকা বিভিন্ন উচ্চতাৰ অট্টালিকাৰ মাজত সমুখত বহল চোতাল থকা এটি অসম আৰ্হিৰ ঘৰৰ এই ৰূপটোৱে দুয়োবিধ ঘৰৰ বৈপৰীত্য প্ৰকাশৰ বাহিৰেও গল্পটোৰ মূল সংঘাতকেই তুলি ধৰিব পাৰিছে। ইয়াৰ উপৰি অসম আৰ্হিৰ ঘৰটো আৰু তাৰ চৌপাশৰ প্ৰতি আছে একপ্ৰকাৰ পুতৌ মিশ্ৰিত উপহাসৰ ভঙ্গী।

২.১ সৌৰভ কুমাৰ চলিহাই গল্পত ব্যৱহাৰ কৰা শব্দবোৰলৈ লক্ষ্য কৰিলে প্ৰথম অৱস্থাত ভাব হ'ব যে লেখকৰ কলমৰ আগলৈ শব্দবোৰ যেনেধৰণে আহিছে, তেনেধৰনেই কোনা বাচ-বিচাৰ নকৰাকৈ ব্যৱহাৰ কৰি গৈছে। একোটা শব্দৰ পৰিমাৰ্জিত ৰূপবোৰ তেওঁ আঁতৰাই ৰাখিছে। সেই ফালৰ পৰা চাবলৈ গ'লে তেওঁ ব্যৱহাৰ কৰা শব্দবোৰ বা বাক্যবোৰ 'সাহিত্যিক ভাষা' নহয়। হোমেন বৰগোহাঞি, চন্দ্ৰপ্ৰসাদ শইকীয়া আদিৰ গল্পৰ ভাষাৰ চুঁচি-মাজি কৰা ৰূপটো সৌৰভ কুমাৰ চলিহাৰ গল্পৰ ভাষাত পোৱা নাযায়। চৈয়দ আব্দুল মালিক, ৰমা দাস আদি গল্পকাৰৰ ভাষাৰ কাব্যিকতাও সৌৰভ কুমাৰ চলিহাৰ গল্পত নাই। কিন্তু বিশ্লেষণ কৰি চালে দেখা যায় যে সৌৰভ কুমাৰ চলিহাই ইচ্ছা কৰি সযতনে সেই কাব্যিকতাৰপৰা নিজকে আতঁৰাই ৰাখিছে। সাধাৰণ অৰ্থত পাঠকে মসৃন বা কাব্যিক গদ্য বুলিলে যি বুজে, তাৰ পৰা সৌৰভ কুমাৰ চলিহাৰ গদ্য পৃথক। খহটা বা ৰুক্ষ ভাৱৰ সাবলীল গতিয়েই তেওঁৰ লেখনভঙ্গীৰ প্ৰাথমিক লক্ষণ। উদাহৰণস্বৰূপে তলৰ উদ্ধৃতিটোলৈ মন কৰিব পাৰি ঃ–

> " চবেই কিয় মৰিবি ? আৰফান তো সাৰিবই, ঘুঘু মানুহ। জগদীশ নামজাদা প্লেয়াৰ, চবকেইখন খবৰ কাগজৰ প্ৰপাইটৰৰ ফুটবলৰ প্ৰেট্ৰন, তাৰ নামত কোনো স্কেণ্ডেল নহয়। তাই তো প্ৰফেচাৰ, তোৰ বহুত কণ্টেক্ট, বহুত চিনাজনা, তইও সাৰি যাবি। তই সদায় সাৰি গৈছ। এজ ইউজুৱেল মৰিম মই। নাই মই মোৰ বিজিনেজৰ কথা চাব লাগিব, মোৰ ৱাইফৰ কথা চাব লাগিব "
>
> তাৰ মুখখন অকস্মাৎ খঙেৰে ভৰি পৰিল, সি পুনৰ জোৰে জোৰে নিঃশ্বাস ল'ব ধৰিলে আৰু ফোঁপাই ফোঁপাই ক'লে, মাই কি ক'লে হেঁতেন ? " মাই কি ক'লেহেঁতেন তোক চালা মই কিয় ক'ব যাম ? তই চালা কি বুজ, মাই চালা কি বুজে ? মাই চালা কি বুজে ? তহঁতে কি বুজ চালা চু- ভাই, তহঁতৰ কোনটো চালাই কি বুজ ? বহুত বছৰ পাছত চবে লগ লাগিলো, তহঁতে পাৰ্টি লাগে বুলি ক'লি কাৰণে মই তহঁতক পাৰ্টি দিলো, কিন্তু তাৰ বাবে মোৰ বিজনেছ, মোৰ ফেমেলি লাইফ ৰুইন্‌ড্ হৈ যাব দিম বুলি ভাব নেকি তহঁতে -" ৪

উদ্ধৃতি ফাকিত দেখা গৈছে যে নুপুৰ নামৰ চৰিত্ৰটোৱে কথা কোৱাৰ ভঙ্গী বাস্তৱিক। তাৰ কথাৰ মাজলৈ স্বতঃস্ফুৰ্ত ভাৱে শব্দবোৰ আহিছে। স্বাভাৱিকভাৱে কথাৰ মাজত সোমাই পৰিছে ইংৰাজী শব্দ কিছুমানো। এনে কথনভঙ্গীয়ে চৰিত্ৰটো বাস্তৱ জীৱনৰ অধিক ওচৰ চপাই আনিছে।

নুপুৰে যিবোৰ কথা কৈছে তাৰ মাজত সি শালীনতা বজাই ৰখা নাই। অশালীন

শব্দ ঢাকি তাৰ প্ৰতিশব্দ গল্পকাৰে ব্যৱহাৰ কৰা নাই। বৰং অশালীন শব্দবোৰকেই সি স্বতঃস্ফূৰ্তভাৱে কৈ গৈছে। সেয়ে সৌৰভ কুমাৰ চলিহাৰ ভাষাৰ অশালীনতা লৈ বহু সময়ত সমালোচক সকলে আপত্তি কৰা দেখা যায়।

২.২ মহানগৰৰ মানুহৰ কথা এটা নহয়, বহুতো। মহানগৰত বিভিন্ন ৰাজ্যৰপৰা বিভিন্ন ভাষা-ভাষী মানুহ আহি বসবাস কৰে। তেওঁলোকৰ ভাষা বাদ দিও কেৱল একোখন ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা যোৱা লোকৰ কথা-বাৰ্তাই সুকীয়া হয়। 'লাখটকীয়াত' নামৰ গল্পত এই ৰীতিৰেই কথা-বাৰ্তা চলিছে। নেকিব নামৰ চৰিত্ৰটোৱে লাখটকীয়াৰ মানুহে যেনেদৰে কথা কয়, সেইদৰে কৈছে –

> ৰ,ৰ, চব গোলমাল কৰি দিলি - মোক আগে কথা শেষ কৰি ল'ব দে। কি কৈছিলোঁ ? হা, তেনেহ'লে আবে ইষ্টুপিট্, তই দেখা নাই কিতাপ-উতাপ চবতে ইয়া মস্ত ধূলি, চবদিকে মকৰাৰ জাল, চাৰা ঘৰত চিগাৰেটৰ পেকেট দেচলাইৰ কাঠি - তোৰ চকু নাই ? হাজাৰবাৰ কৈছোঁ, সপ্তাহত কমচে কম একবাৰ ঘৰটো ঝাড়া দিবি, চাৰাদিন তই ঘৰত কি কৰি থাক হঁা ? তোক ৰোজ ৰোজ কৈ কৈ মোৰ গল-চল ভাঙি একদম – আবে হাঁহিছ কিয় ? হাঁহিছ কিয় ? চব কামত ফাকি, আৰ উল্টাই দাঁত বাহিৰ কৰি হাঁহি দেখাব আহিছ, লাজ নালাগে, বেকুব -[৫]

তাৰ বিপৰীতে উজান বজাৰৰ পৰা যোৱা হৰেন নৰেনৰ বাক্‌ভঙ্গী পৃথক হৰেনে নেকিবক কৈছে –

> এই যে তই ইয়াকুবৰ লগত ইমানচব কথা কলি ইমান ৰহস্যময় ডায়ালগ লগাই , ইমান হাত ভৰি জোকাৰি - কিমান শক্তি অপব্যয় হ'ল কিমান কেলৰি এনাৰ্জি নষ্ট হ'ল খবৰ ৰাখ ? অলপ কাণ্ডজ্ঞান থাকিলে ইমানখিনি কথা এক লাইনত ক'ব পাৰিলিহেঁতেন - চা, এই ৰকম ঃ - গম্ভীৰচে ইয়াকুব (বা বেকুব) ঘৰ লেতেৰা, চাফা কৰ! এইৰকম ঃ য়াকুব চাহ। এইৰকম ঃ য়াকুব, বজাৰ, আলু দুই কিল', মাংস এক কিল', প্ৰেফাৰেব্লি মূৰ্গী। এইৰকম।[৬]

এই ধৰণে শব্দ কমাই কবলৈ আৰু কোলাহল কম কৰিবলৈ উপদেশ দিয়া হৰেনেই কিন্তু বেছি দীঘলকৈ কথা কৈছে। কমকৈ কথা কোৱাৰ বিভিন্ন উপায় বা পদ্ধতি ব্যাখ্যা কৰি সি কথাবোৰ এই ধৰণে দীঘলাই নি আছে –

> ...। এটা চিম্পল ডেমনষ্ট্ৰেশ্যন দিওঁ চা। কামটো এই ঃ য়াকুবক মাতি চাহ কৰিব ক'ব লাগে। তই কি কৰিবি ? 'এই য়াকুব', 'এই বেকুব', কৰি টেটুফালি চিঞৰি পাড়া মাৎকৰি প্ৰথম প্ৰথম একবস্তা এনাৰ্জি নৰ্দমাত ঢালি দিবি। তাৰ পিছত ছুটাছুটি কৰি তাৰ দৰজাৰ কাষত গৈ চিৎকাৰ লগাবি,

তাক আৰু দহটা ধমক দিবি - গ'ল আৰু দুইবস্তা এনাৰ্জি। তাপ পিছত সি উপস্থিত হ'লে ..... এতিয়া আমাৰ পদ্ধতিটো চা। প্ৰথমতে, আমি নিচিঞৰো। আমি ঘণ্টা বজাম। এটা ঘণ্টা লাগে। ঘৰত ঘণ্টা এটাও ৰাখিব নোৱাৰ ? আচ্ছা যাক্ তোৰ এই ছাতিটোৰেই হ'ব। ছাতিটো এতিয়া এইৰকম মজিয়াত ঠুকিলোঁ ঠুক্ ঠুক্ ঠুক্ ঠুক - হোষ্টেলত আমি ভাত খাওঁতে দাইল লাগিলে যেনেকৈ বাটি আৰু পানী লাগিলে গিলাচ ঠুকু, সেই চিষ্টেম আৰু কি ? [৭]

এটা চহৰীয়া সুবিধাবাদী ঢং গল্পকাৰে বৰ্ণনামূলক ভাবে প্ৰসঙ্গলৈ নানি সিহঁতৰ কথাৰ মাজেৰে আনিছে। ৰাতিপুৱাই উজানবজাৰৰ এই তিনিজন ডেকা লাখটকীয়াৰ নেকিবৰ ঘৰত উপস্থিত হোৱাৰ কাৰণ চাহ খোৱা। হৰেনে এনে কৌশলেৰে কথা খিনি নেকিবক কৈছে আৰু ছাটিৰে মজিয়াত ঠুক্ ঠুক্ শব্দ কৰিছে যে কৌতুহল বশতঃ য়াকুবে তাত ভুমুকি মাৰিছে আৰু হৰেনে নেকিবক দি থকা 'ডেমনষ্ট্ৰেশ্যন'ৰ পৰাই সি বুজিছে যে সিহঁতক চাহ লাগে।

নেকিব, নৰেন, হৰেন, য়াকুব আদিৰ কথা-বাৰ্তাৰ মাজত মহানগৰীৰ এটা হুলস্থূলীয়া সুৰ স্পষ্ট হৈ আছে। সৰ্বত্ৰ গণ্ডগোল, চিঞৰ-বাখৰ গুৱাহাটী মহানগৰীৰ এটা পৰিচিত ৰূপ। সেই ৰূপৰ মজতো শান্তি বা নিৰিবিলি পৰিৱেশ বিচৰা ধাৰণা এটা সুৰেনৰ মাজেৰে প্ৰকাশ পাইছে। সুৰেনে একো কথা কোৱা নাই। সুৰেনে কথা কোৱা প্ৰসঙ্গ আহিলেই প্ৰতিবাৰতে মাজত আহিছে মাত্ৰ কেইটামান শব্দ আৰু সেইকেইটাও নীৰৱতাসূচক –

(মিচিকি হাঁহি), (সপ্ৰশ্ন মিচিকি হাঁহি),

(মূৰ জোকাৰি জোকাৰি গভীৰ দুখৰ মিচিকি হাঁহি),

(পৰ্দাৰ পিনে চাই সপ্ৰশ্ন মিচিকি হাঁহি),

একো কথা নোকোৱা সুৰেনে কেৱল মিচিকিয়াই হাঁহে যদিও এই মিচিকিয়া হাঁহিৰ লগতে পৰিবেশৰ প্ৰতিও সজীৱ সহাঁৰি দিয়ে। যেনে 'সপ্ৰশ্ন মিচিকি হাঁহি' ইয়াৰ অৰ্থ হ'ল, ইমান গোল-মাল কিহৰ বাবে ? পৰ্দাৰ ফালে চাই 'সপ্ৰশ্ন মিচিকি হাঁহি'ত হ'ল কোনোবা আহিছে নেকি ? মহানগৰীয়া হুলস্থুলৰ মাজত সি যেন নীৰলতাৰ সাধক। সেই নীৰৱতাৰ বাবেই সি কবিতা লিখে। তাৰ কবিতা প্ৰকাশো হয় আৰু নেকিবে কোৱা মতে নেকিবৰ ভতিজাকেই তাৰ কবিতাবোৰো ডিটেক্টিভ কিতাপ পঢ়াৰ দৰে মুখ মেলি পঢ়ি থাকে। কিন্তু কথাচহকী নেকিবে তাৰ কবিতাৰ ব্যাখ্যা নিজৰ বাক্ ভঙ্গী অনুযায়ী এইদৰে ব্যাখ্যা কৰিছে-

এই আঠ লাইনৰ মানে মই এক লাইনত বনাই দিব পাৰোঁ। কাট্-কাট্।

'অলকানন্দা, মোৰ ফুল তুমি নল'লা, সেই দেখি মোৰ দেমাক খাৰাপ হৈ গৈছে।' কি, হ'ব নে নহয় এইৰকম ক'লে ? [৮]

ভাৰতৰ অন্যান্য চহৰৰ পটভূমিত লিখা গল্পত সেই চহৰৰ মানুহৰ কথনভঙ্গীৰো প্ৰকাশ ঘটিছে। 'বাসন্তিকা' গল্পৰ পটভূমি কলিকতা মহানগৰ। গল্পৰ কথকে এচা লেবৰটেৰিত এজন বৈজ্ঞানিকৰ তত্ত্বাৱধানত বিশেষ গৱেষণা চলাই আছে। তেওঁলোকৰ গৱেষণাৰ মূল বৈজ্ঞানিক তত্ত্বাৱধায়কজনৰ নাম ড°ঘোষ। তেওঁ যিহেতু এজন বাঙালীভাষী মানুহ সেয়ে তেওঁ বাঙালীত কথা কয়। আনহাতে যিহেতু গল্পৰ কথক এজন অসমীয়া ডেকা, সেয়ে তেওঁ নিজৰ মনৰ কথাখিনি প্ৰকাশ কৰিছে অসমীয়া ভাষাত –

> গাঁঠিটো ঢিলাই তেওঁ টাইডাল নমাই দিলে, গলৰ বুতাম টো খুলি, আৰু আকৌ কথা ক'বলৈ আৰম্ভ কৰিলে ঃ ভাবিয়ে তুল্‌ল দেখছি। যাই হোক, let us assume - [৯]

গল্প কথকজনো যিহেতু বিজ্ঞানৰ গৱেষণাৰ লগত জড়িত হৈ আছে, সেই হিচাপে তেওঁ বিজ্ঞানৰ উচ্চ শিক্ষিত লোক। সেই হিচাপেও তেওঁৰ চিন্তা, কথা-বতৰা আদিৰ মাজলৈ বিজ্ঞান পৰিভাষাৰ লগতে ইংৰাজী বাক্যৰ ব্যৱহাৰ ঘটা দেখা পোৱা হৈছে। তাৰে কিছুমান এনেকুৱা ধৰণৰ –

ক) Point of inflexion

খ) random sample.

গ) A comprehensive Treatise on the Teachiques of old-Hag-Elimination.

ঘ) Unwise to theorise on insufficient data. ইত্যাদি

বিজ্ঞানৰ গৱেষণা কৰা বৈজ্ঞানিক মানসিকতাৰ লগত নগৰীয়া বিচ্ছিন্ন জীৱনৰ দূৰত্ব অনুভৱ কৰিব পৰা উচ্চ শিক্ষিত লোকৰ ভাষা যেনেকুৱা হয়, তেনে ধৰণৰ ভাষাকেই 'বাসন্তিকা' গল্পত প্ৰয়োগ কৰিবলৈ যত্ন কৰা হৈছে। আনহাতে আকৌ কলিকতা মহানগৰীৰ পটভূমিত লিখা আন এটা গল্প 'ভ্ৰমণ-বিৰতি'ত একেধৰণৰ ভাষা ব্যৱহাৰ হোৱা নাই। সৌৰভ কুমাৰ চলহাৰ ভাষাৰ বৈশিষ্ট্য বৰ্তি থকাৰ পাছতো 'বাসন্তিকা' আৰু 'ভ্ৰমণ-বিৰতি' গল্পৰ ভাষা আৰু প্ৰকাশভঙ্গীৰ মাজত সূক্ষ্ম পাৰ্থক্য আছে। 'বাসন্তিকা' গল্পত আছে এটা গৱেষণাগাৰৰ ভিতৰভাগ, হাৰাধন বসাক গলিৰ এটা মেছ আৰু তাৰে এটা অংশত বাস কৰা অনামিকা'হতঁৰ পৰিয়ালৰ ভিতৰৰ কাহিনী। ইয়াত আছে কলিকতা মহানগৰীৰ জীৱন প্ৰবাহৰ অন্তৰ্ভাগৰ চিত্ৰ। এই উপৰিভাগৰ চিত্ৰত ৰাজপথ, দোকান-পোহাৰ, গাড়ী-ট্ৰাম আদিৰ লগতে মানুহৰ বিশৃংখলতা দেখুওৱা হৈছে। সেয়ে এই পটভূমিৰ বৰ্ণনাৰ বাবে লেখকক কিছু পৰিমাণে পৃথক ভাষা এটাৰ প্ৰয়োজন হৈছে। তেওঁৰ বৰ্ণনাৰ মাজলৈ মহানগৰীৰ বিশৃঙ্খল

অৱস্থা এটা এনেদৰে আহিছে ঃ-

> জুইৰ ইতস্ততঃ ৰঙচুৱা শিখা এতিয়াও মনিব পাৰি, ৰাশি ৰাশি ক'লা ধোঁৱা, এতিয়া চাইৰেন বাজি চলিছে, ঠং ঠং ঘণ্টাৰ শব্দ দূৰৰ পৰা মাজে মাজে ক্ষীণ আৰু মাজে মজে উচ্চ, ফায়ৰব্ৰীগেদৰ গাড়ী, হ'জ-পাইপ খুলিব ধৰিছে, প্ৰকাণ্ড বহল ৰাস্তা মেজিকৰ দৰে জনহীন, ৰাস্তাময় শিলগুটি আৰু ইটা আৰু কাঁচ আৰু চিটিকি পৰা চাইকেল আৰু ঠেলাগাড়ী, কোনোৱাই হাৰাই-চেণ্ডেল আৰু কোনোবাই ব্ৰীফকে'চ ৰাস্তাত পেলাই থৈ পলাইছে, জ্বলন্ত যান কেইখনৰ চাৰিওকাষে মাথো খাকী পোছাক আৰু বগা পোছাক, চাৰিওপিনৰ চাতবোৰৰ পৰা বাৰাণ্ডাবোৰৰ পৰা খিৰিকীবোৰৰ পৰা কৌতুহলী সন্ত্ৰস্ত মুখৰ জুম, সমস্ত যান-প্ৰবাহ বন্ধ, কোনোবাই হুইচেল মাৰিছে, অইন সকলো গণ্ডগোল অকস্মাৎ বিলুপ্ত -[১০]।

এইটো গল্পতো মাজে মাজে বাঙালী মানুহৰ মুখত বাঙালী ভাষা দিয়া হৈছে।

**২.৪** বিদেশৰ নগৰৰ পটভূমিত চলিহাই যিবোৰ গল্প লিখিছে সেইবোৰ গল্পত সেই সেই স্থানত প্ৰচলিত শব্দৰ ব্যৱহাৰ কৰিছে। এই শব্দবোৰ ব্যৱহাৰৰ ক্ষেত্ৰত কেইটামা কথা মন কৰিব পাৰি। প্ৰথমটো মন কৰিবলগীয়া কথা হ'ল নামবাচক বিশেষ্যৰ ক্ষেত্ৰত সেই স্থানৰ শব্দ প্ৰয়োগ। কোনো ব্যক্তিৰ নাম, বস্তুৰ নাম বা স্থানৰ নামৰ ক্ষেত্ৰত স্বাভাৱিকতে যি স্থানগত পটভূমিত গল্প লিখা হয়, সেই স্থানত ব্যৱহৃত শব্দবোৰেই ব্যৱহাৰ হৈছে।

অৱশ্যে বিদেশী ভাষাৰ শব্দ বোলোঁতে ইংৰাজী ভাষাক বাদ দি জাৰ্মান ভাষাৰ শব্দয়েই সৌৰভ কুমাৰ চলিহাৰ গল্পত অধিক ব্যৱহাৰ হৈছে। 'গোলাম' 'চেমেষ্টাৰ শেষ', 'উৰিবৰ সময়' 'বেথ'ফেন্' ইত্যাদি গল্পৰ পটভূমি বিদেশ। 'গোলাম' গল্পত জাৰ্মানীৰ পৰিৱেশ, শিক্ষা, মানুহৰ মানসিকতাৰ লগত গুৱাহাটীৰ পৰিৱেশ, শিক্ষা আৰু ইয়াৰ মানুহৰ মানসিকতাৰ পাৰ্থক্য তুলি ধৰা হৈছে বাবে গল্পটোৰ পটভূমি একান্তভাৱে জাৰ্মানী নহ'লেও গল্প কথকৰ চিন্তা-প্ৰবাহৰ প্ৰকাশ জাৰ্মানীতে ঘটিছে আৰু জাৰ্মান মানসিকতা গল্পটোত এটা মূল কাৰক হৈ প্ৰকাশ পাইছে। সেই বাবে 'গোলাম' গল্পটোত ব্যৱহৃত জাৰ্মান ভাষাৰ শব্দই বিশেষ গুৰুত্ব পাইছে। গল্প কথকে জাৰ্মান ভাষাজ্ঞানৰ পৰীক্ষা দিবৰ বাবে 'পেডাগগিশ্বে'চ ইনষ্টিট্যুট' অৰ্থাৎ শিক্ষা স্কুলত উপস্থিত হৈছে। গল্প-কথকে যিখন ৰচনা নকল কৰি লিখি দিছে, সেইখন ভাষাজ্ঞানৰ শিক্ষায়িত্ৰী ফ্ৰাউম্যুলাৰৰ ভাষাত 'আউফ্জাৎচ্' অৰ্থাৎ ৰচনা। 'চেমেষ্টাৰ শেষ' গল্পটোতো হাংগেৰীয়টোক বুজাবলৈ 'ডে'নউংগাৰ'; ছাত্ৰ কেণ্টিন বুজাবলৈ 'মেন্জা'; মূৰ্খ বুজাবলৈ 'ডুমকপ্ফ্'; উত্তম বুজাবলৈ 'প্ৰিমা'; হিচ্ছহাইকিং বুজাবলৈ 'আন্হাল্টাৰ' শব্দ 'আখ্ডু লীবাৰ গট্' বাক্যটো অ' তুমি মৰমৰ ঈশ্বৰ বুলি বুজাবলৈ

ব্যৱহাৰ কৰা হৈছে। তাৰ উপৰি এই গল্পটোত আৰু দুই চাৰিটা জাৰ্মান শব্দ আছে - যাৰ অৰ্থ গল্পকাৰে কৈ দিয়া নাই। তেনে এটা শব্দ হ'ল 'শ্বয়চ্লিখ'। অৱশ্যে বাক্যৰ মাজত ব্যৱহৃত শব্দটোৰ অৰ্থ বতৰটো বৰ বেয়া বা অসুবিধা জনক — এনে ধৰণৰ হ'ব পাৰে বুলি অনুমান কৰিব পাৰি। কিন্তু যথাযথ অৰ্থ কি, সেইটো কৈ দিব নোৱাৰি। হয়তো গল্পকাৰেও অনুমান কৰি ল'ব পৰা বা ওচৰ চাপিব পৰা অৰ্থ এটা পাঠকে পাব বুলিয়েই পোনপটীয়াকৈ জাৰ্মান শব্দটোৰ অৰ্থ কৈ দিয়া নাই।

৩.০ বিভিন্ন গল্পত বিষয়বস্তু অনুযায়ী শব্দ প্ৰকাশ কৰাৰ ক্ষেত্ৰত গল্পকাৰৰ সচেতনতা ধৰিব পাৰ যায়। 'অশান্ত ইলেক্ট্ৰন', 'বাসন্তিকা', 'ওপৰত', 'আৰাজ', আদি গল্পত বিজ্ঞানে গুৰুত্ব পাইছে। এইকেইটা গল্পত বৈজ্ঞানিক পৰিভাষাৰ শব্দও যথেষ্ট পৰিমাণে ব্যৱহৃত হৈছে। 'অশান্ত ইলেক্ট্ৰন' গল্পটোৰ শিৰোনামটোৰেই পদাৰ্থ বিজ্ঞানৰ এটি কণিকাৰ নামেৰে দিয়া হৈছে। এই ইলেক্ট্ৰন নামৰ পদাৰ্থ কণাটো গল্পটোত মহানগৰীয়া অস্থিৰ জীৱনৰ প্ৰতীক হিচাপে চিহ্নিত হৈছে। ইলেক্ট্ৰনৰ প্ৰবাহৰ কথা আলোচনা কৰাৰ মাজেৰে সমাজ জীৱন আৰু ব্যক্তিজীৱনলৈ আহি পৰা অস্থিৰতাকে সূচিত কৰা হৈছে। গল্পত বিজ্ঞানৰ আলোচনা অস্থিৰ জীৱনৰ আলোচনা ইঙ্গিতময় ভাষাৰে কৰা হয়। জীৱনৰ একোটা দিশ বা ভাৱনা একোটা প্ৰকাশ কৰিবলৈ এনেদৰে পৰোক্ষভঙ্গীৰ সহায় লোৱা হয়। সৌৰভ কুমাৰ চলিহাৰ বহুতো গল্পৰ প্ৰকাশভঙ্গীত পৰোক্ষভঙ্গীৰ প্ৰয়োগ আছে। এই পৰোক্ষ ভঙ্গীয়ে বহুত সময়ত ইঙ্গিতময়তা, প্ৰতীক, ৰূপক বা সূচকৰ কাম কৰিছে। তলত উদ্ধৃত কৰা 'অশান্ত ইলেক্ট্ৰন' গল্পৰ অংশটোত বিজ্ঞান, প্ৰাকৃতিক নিয়ম আৰু মানুহৰ জীৱন একাকাৰ হৈ গৈছে।

> There is a tide .... মানুহবোৰে কলৰৱৰ সৃষ্টি কৰিছে, কি ভাবিছে সিহঁতে ? শব্দ-তৰঙ্গৰ সৃষ্টি কৰিছে মাত্ৰ, ৰঞ্জনে কয়। নাৰায়ণ হাজৰিকা ! পৃথিৱীয়ে অৱশেষত তেন্তে তাক হত্যা কৰিলে। বিৰাট এটা সম্ভাৱনাৰ মৃত্যু হৈছে। ৰঞ্জনৰ কথা হঠাৎ তাৰ সঁচা যেন লাগিল; শব্দবোৰ, গাণবোৰ, মাত্ৰ বতাহৰ ঢৌ। সূৰ্য্যৰ পোহৰ আৰু তাপ কিছুমান ঢৌ মাত্ৰ........ ইলেক্ট্ৰ'মেগনেটিক্ ৱেভ্‌ছ্। আনকি ইলেক্ট্ৰনো ঢৌৰেই- সম্ভাৱনা তৰঙ্গ, ৱেভ্‌ছ্ অফ প্ৰবেবিলিটি। ৰেডিঅ'ত বেতাঁৰ তৰঙ্গ। পৃথিৱীৰ সকলো ঘটনা, সকলো কথাই তৰঙ্গ মালাৰ কথা - আহিছে আৰু গৈছে, এটা গতিশীল কঁপনি, আহিব আৰু যাব। নাৰায়ণো আহিছিল, সিও গৈছে। দেউতা হয়তো - [১১]

৩.১ সৌৰভ কুমাৰ চলহাৰ ৰাতিৰ ৰেল গল্পত ৰেল জীৱন যাত্ৰাৰ প্ৰতীক হৈ ধৰা দিছে। চলিহাৰ কেবাটাও গল্পত ৰেলৰ ভূমিকা গুৰুত্বপূৰ্ণ হৈ পৰিছে। ৰেলগাড়ীৰে যাত্ৰা কৰিলে

যেনেকৈ বিভিন্ন দৃশ্য চকুৰ আগত ভাঁহি উঠে আৰু নাইকীয়া হয়, গল্পকাৰৰ মনলৈকো ৰেলেৰে দেখা দৃশ্যৰ দৰে মনত বিভিন্ন স্মৃতিৰ উদয় হয়। ৰাতি যাত্ৰা কৰা ৰেলখনে আন্ধাৰ ফালি ফালি গৈ থাকে, কিন্তু ৰেলৰ ভিতৰত নানা ধৰণৰ মানুহৰ সমাগমে এটা বিশেষ ধৰণৰ পৰিৱেশৰ সৃষ্টি কৰে। এই বিশৃংখল সমাগমৰ মাজতো একধৰণৰ শৃঙ্খলা লক্ষ্য কৰিব পাৰি। একেধৰণে ৰাতিৰ ৰেল গল্পৰ মূল চৰিত্ৰ জুনু গোস্বামীৰ মনটোও এখন ৰাতি চলা ৰেলৰ দৰে। তেওঁৰ মনত কি ভাবনাৰ স্ৰোত চলি আছে, সেয়া আনে গম নাপায়। কিন্তু জুনু গোস্বামীৰ ভাবনাৰ মাজলৈ বিভিন্ন চৰিত্ৰ আহিছে। বহু সময়ত ৰেলৰ বিশৃঙ্খল পৰিৱেশৰ দৰেই তেওঁৰ ভাবনাবোৰ বিশৃঙ্খল যেন বোধ হয়। কিন্তু শেষ এই বিশৃঙ্খল যেন লগা ভাবনাৰ মাজতে এটা ঐক্য সূত্ৰ ধৰা পৰে। ৰেল যাত্ৰাক জীৱন যাত্ৰাৰ সমান্তৰাল কৰি তোলাত তেওঁৰ প্ৰকাশভঙ্গী কাৰ্যক্ষম হৈছে। ৰেল ষ্টেচন জুনু গোস্বামীৰ জীৱনযাত্ৰাৰ পথ পৰিৱৰ্ত্তনৰো প্ৰতীক। ৰেলখনে যাত্ৰা কৰোঁতে জুনু গোস্বামীৰ মনলৈ অহা গল্পৰ নায়কে এগৰাকী গাভৰুক ক'ম ক'ম বুলি ভবা কথাও ক'ব নোৱাৰিলে। জুনু গোস্বামীৰ সহযাত্ৰী হোৱা ডেকাজনেও মিতিৰ-কুটুমৰ লগত অহা ছোৱালীজনীক একো কব পৰা নাই। দুয়োটা পৰিৱেশৰ মাজত প্ৰচুৰ মিল আছে। তদুপৰি গল্পৰ কাহিনীটো জুনু গোস্বামীৰ বৰ ভাল লাগিছিল। এই দুটা ঘটনাৰ উল্লেখে জুনু গোস্বামীৰ প্ৰেম অপ্ৰকাশিত হৈ ৰৈ যোৱাৰ প্ৰচুৰ ইঙ্গিত বহন কৰিছে। জুনু গোস্বামীৰ জীৱনৰ গতি সলনি হৈ যোৱাৰ আৰু জীৱন অপৰিপূৰ্ণ হৈ ৰোৱাৰ ইঙ্গিত তলৰ উদ্ধৃতিয়ে বহন কৰিছে —

> হঠাৎ এটা গোলমাল আৰু ট্ৰেইনৰ উকিত সাৰ পাই তেওঁ এটা চকু মেল খিৰিকিৰে মুখ বঢ়াই দেখিলে কেইবাটাও প্লেটফৰ্মৰ ঘড়ী শাৰী শাৰী টিউব লাইট তেওঁৰ পিনে আগুৱাই আহিছে, আৰু বহু মানুহৰ ঠেলা - হেঁচা আৰু ট্ৰেইনৰ গতিবেগ হ্ৰাস হৈ আহিছে আৰু প্লেটফৰ্মত জুম জুম মানুহে উত্তেজিত কণ্ঠে কাজিয়া কৰিছে, আৰু তেওঁ অনুমান কৰিলে যে ট্ৰেইন সম্ভৱত উত্তৰ বঙ্গৰ কোনো এটা ষ্টেচনত প্ৰৱেশ কৰিছে। [১২]

ইয়াত দেখা গৈছে যে নগৰীয়া লোকৰ মন-গহনৰ কথা প্ৰকাশ কৰিবলৈ নগৰীয়া পৰিৱেশ সৃষ্টিৰ অন্যতম উপাদান ৰেলে বিশেষ ভূমিকা লৈছে।

**৩.২** সৌৰভ কুমাৰ চলিহাৰ গল্পত সাধাৰণতে কোনো কাহিনী নাথাকে, সেয়ে সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্ৰকাশভঙ্গী নহয়। চলিহাৰ গল্পত মনৰ ভিতৰত চলি থকা চিন্তা-ভাৱনাৰ প্ৰকাশ ঘটে। কিন্তু এই চিন্তা-ভাবনা প্ৰাকাশ কৰাৰ বাবে বাহ্য জগতৰ পাদাৰ্থৰ যথেষ্ট সহায় লয়। সেইকাৰণে চলিহাই মনৰ ভাৱনা প্ৰকাশ কৰোঁতে বাহ্য জগতৰ বস্তু, পৰিৱেশ বা ঘটনা অৱলম্বন স্বৰূপে গ্ৰহণ কৰে। সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্ৰকাশভঙ্গীত এই কৌশল

বাৰম্বাৰ ব্যৱহৃত হোৱা দেখা পোৱা যায়। একাধিক বস্তু, পৰিৱেশ বা ঘটনাৰ খণ্ডচিত্ৰ সূক্ষ্মাতিসূক্ষ্ম বিৱৰণ চলিহাৰ গল্পত সন্নিবিষ্ট হয়। এই খণ্ডচিত্ৰসমূহৰ একত্ৰ ৰূপে শেষত গৈ এখন পৰিপূৰ্ণ ছবি দাঙি ধৰে। 'বীণা কুটিৰ' গল্পটোকে উদাহৰণ হিচাপে লৈ আলোচনা কৰিলে দেখা যায় যে তাত কংক্ৰীটৰ বাঢ়ি অহা নগৰ এখনৰ চিত্ৰ আছে। আন এখন চিত্ৰত আছে সমুখত মুকলি চোতাল এখন লৈ এটা পুৰণি অসম আৰ্হিৰ ঘৰ। আনকেইখন মান খণ্ডচিত্ৰ গল্প কথকৰ মানস সৃষ্টি। সেইকেইখন চিত্ৰ হৈছে পুৰণি ঘৰটোৰ গৰাকী পণ্ডিত ব্যক্তিজনৰ বৰপুত্ৰ অধ্যাপকৰ কাম-কাজ আৰু চিন্তা-চৰ্চাৰ চিত্ৰ, পণ্ডিতজনৰ দ্বিতীয় পুত্ৰ ডাক্তৰজনৰ চিন্তা-চৰ্চা আৰু পণ্ডিতজনৰ জীয়েক জনীৰ চিন্তা-ভাৱনাৰ জগতখন। এই আটাইকেইখন খণ্ডচিত্ৰ মিলিয়েই গল্পটোৰ সৃষ্টি হৈছে। খণ্ডচিত্ৰবোৰ মূল গল্পটোৰ মাজত এনেদৰে সোমাই পৰে যে সিয়েই এটা ব্যঞ্জনাৰ সৃষ্টি কৰেগৈ। সেয়ে সৌৰভ চলিহাৰ গল্পত আমি এটা কাহিনী নাপাও। একোটা ব্যঞ্জনা কাব্যিক ব্যঞ্জনালৈ বহু সময়ত ৰূপান্তৰিত হৈছে। 'দুপৰীয়া' গল্পটো এনে কাব্যিক ব্যঞ্জনাৰে যুক্ত হৈ পৰিছে। এই গল্পটোত দুগৰাকী নাৰীয়ে কথা পাতিছে। যাৰ বিষয়ে কথা পাতিছে সেই গৰাকী একৰাকী সন্তানহীনা মহিলা আৰু তেৱেঁই গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ। কিন্তু এই কেন্দ্ৰীয় চৰিত্ৰটি গল্পটিত সোঁশৰীৰে পোৱা নাযায়, মাত্ৰ মহিলা গৰাকী গল্পৰ মাজত জিলিকি উঠিইছে। যি দুগৰাকী মহিলাই তেওঁৰ বিষয়ে কথা পাতিছে, সেই দুগৰাকী মহিলাগৰাকীৰ আত্মীয়। দুয়োগৰাকী সহৃদয়া মহিলা। দুয়ো এগৰাকী মহিলাৰ মনৰ দুখৰ কথা বুজিব পাৰে।

মহিলা দুগৰাকীৰ কথা-বতৰাৰ মাজেৰে নিঃসন্তান মহিলা গৰাকীৰ সংসাৰৰ বিভিন্ন টুকুৰা খবৰ পাঠকে পায়। এই টুকুৰা খবৰৰ সন্নিবিষ্ট ৰূপটোৱেই গল্পটোত জিলিকি উঠিছে। কথা পাতি থকা এগৰাকী মহিলাই অলপতে নিঃসন্তান মহিলাগৰাকীৰ ঘৰলৈ আহি গৈছে। তাৰ আঁত ধৰিয়েই পাছত মহিলাগৰাকীৰ জীৱনৰ বিষয়ে বিভিন্ন কথা পাতিছে। ইয়াত খণ্ডিত ৰূপত নিঃসন্তান মহিলাগৰাকীৰ স্বামী ৰমেশৰ বিভিন্ন পলৰীয়া ৰূপ খণ্ডিত ৰূপত জিলিকি উঠিছে। মাজনী বোলা এজনী ছোৱালীৰ শাহুয়েকে নগাঁৱৰ পৰা বৰপেটালৈ যাওঁতে এৰাতি থাকি চেপি-চেপি তাইৰ নিঃসন্তান অৱস্থাটোৰ কথা কৈ যোৱা, ৰূপালীৰ এটা সন্তানৰ সৈতে সুখী, হাঁহিমুখীয়া আৰু গানকে লৈ ব্যস্ত আত্মতুষ্ট চৰিত্ৰ, কংস জেঠাদেউৰ ভাগ লগা কথা শুনি নিঃসন্তান মানুহজনীয়ে পোৱা সান্ত্বনা আদি খণ্ডচিত্ৰবোৰৰ মাজেৰে নিঃসন্তান মহিলা গৰাকীৰ একাকিত্ব আৰু নিঃসঙ্গতাৰ কথা ফুটাই তোলা হৈছে।

'দুপৰীয়া' গল্পটোত মানুহ গৰাকীৰ নিঃসংঙ্গ অৱস্থা বুজাবলৈ দুপৰীয়া সময়ছোৱাক প্ৰতীক হিচাপে গ্ৰহণ কৰা হৈছে। মহিলা দুগৰাকীয়ে কোন সময়ত কথা পাতি আছিল সেই

কথা ধৰিব পৰা নাযায়। কিন্তু তাৰে এগৰাকী মহিলাই নিঃসন্তান মহিলাগৰাকীৰ লগত কথা পতা সময়খিনি আছিল দুপৰীয়া। পৰৱৰ্ত্তী সময়ত আন এগৰাকী মহিলাৰ লগত থকা পাতোঁতেও লোকৰ কথাৰ মাজতে দুপৰীয়াৰ সময়খিনি কেনেকুৱা আছিল তাৰ এটি বৰ্ণনা ফুটি উঠিছে —

> মানে বেলি উঠি আহিছে, চোতালত ৰ'দৰ তেজ, নাৰিকল গছবোৰৰ পাতত কোনো সাৰি শব্দ নাই, মোৰ লগত অতদিনৰ পাছত তাই অকলে, চাৰিওপিনে নিজম, ইকৰাৰ বেৰখনৰ মাজেৰে ৰাস্তাটোৰ যিখিনি দেখা যায় তাত মাথোঁ কোবাল ৰ'দ আৰু এখন পানৰ দোকান, বন্ধ, আৰু তাৰ তলত নেজ কোঁচাই কুকুৰ এটা শুই আছে। জনপ্ৰাণী নাই। নাৰিকল গছবোৰৰ পাতত এটা শব্দ নাই। আকাশত মেঘো নাই - ভাবাছোন কেনেকুৱা ?
>
> মই ইমান ভাবিব নোৱাৰোঁ পাই - বুজিছোঁ কিন্তু। তুমিয়েই কোৱা।
>
> আৰু বহু ওখত, মেঘৰ চিনচাব নোহোৱা আকাশত কেইটামান চিলা উৰি ফুৰিছে। বহু ওখত। নিচেই অকনি অকনি দেখি চিলাকেইটা। [১৩]

এনেধৰণৰ প্ৰকাশ ভঙ্গীয়ে একেসময়তে কেইবাটাও উদ্দেশ্য সাধন কৰিছে। প্ৰথমতে কেৱল বৰ্ণাত্মক ভঙ্গীৰে দুপৰীয়াৰ পৰিৱেশটোৰ কথা নিলিখি এগৰাকী মহিলাৰ মুখেৰে আন এগৰাকী মহিলাৰ আগত পৰিৱেশ বৰ্ণনা কৰাত বৰ্ণনাভঙ্গীৰ মাজলৈ নাটকীয় পৰিৱেশ এটা আহিছে। দ্বিতীয়তে যিগৰাকী মহিলাৰ মুখেৰে দুপৰীয়াৰ এই বৰ্ণনা প্ৰাকাশ পাইছে তেওঁৰ সংবেদনশীলতা ধৰা পৰিছে। এনে সংবেদনশীল মহিলাই আন এগৰাকী মহিলাৰ মনোবেদনাৰ উপলব্ধি কৰিব পাৰে। এই গৰাকী মহিলাকেই গল্পটোৰ বক্তা বিচাপে গ্ৰহণ কৰা হৈছে। তৃতীয়তে এই কথোপকথনৰ মাজেৰেই এটা দুপৰীয়াৰ নিৰ্জনতা এগৰাকী মহিলাৰ নিঃসঙ্গতাৰ সমাৰ্থক হৈ উঠিছে।

সৌৰভ কুমাৰ চলিহাৰ কেইবাটাও গল্পত নাটকীয় ৰূপৰ প্ৰকাশ ভঙ্গী ব্যৱহাৰ কৰা হৈছে। তেনে প্ৰকাশভঙ্গীৰ গল্পকেইটা হ'ল 'সিহঁতেও পাহাৰ বগালে,' 'দুপৰীয়া','ঘৰুৱা ঘটনা' আৰু 'লাখটকীয়াত'। ইয়াৰ ভিতৰত 'ঘৰুৱা ঘটনা' নামৰ গল্পটোত নাট্যকাৰৰ নিৰ্দেশনাও সংযুক্ত কৰি থোৱা আছে। আনকি 'ঘৰুৱা ঘটনা' গল্পটো যদিও 'গোলাম' গল্পপুথিৰ প্ৰথমটো গল্প হিচাপে আছে,তথাপি গল্পটোৰ শেষত গল্পকাৰে পাদটীকা হিচাপে এই কথাখিনি লিখিছে —

> শুনা কাহিনী এটাৰ পৰা পৰীক্ষামূলক একাংকিকা হিচাপে নাটিকাখন কৰা হৈছে।....

মঞ্চত চৰিত্ৰ এজন (টেলিফোনটো ধৰিলে দুজন) আৰু মঞ্চত প্ৰথমতে বস্তু ভৰ্তি, খালী ঠাই প্ৰায় নাইয়েই - সংলাপৰ উদ্ভাৱনাৰ (improvisation)কাৰণে কিন্তু মঞ্চত ঠাই আছে বিস্তৰ। [১৪]

যদিও নাটকৰ আহিঁত বা একাংকিকা হিচাপে 'ঘৰুৱা ঘটনা' লিখা হৈছে, তথাপি চুটিগল্পৰ আৰম্ভণি, মধ্য আৰু সমাপ্তিৰ ঐক্যৰ বাবে 'ঘৰুৱা ঘটনা' ই উৎকৃষ্ট গল্পৰ সোৱাদ দিয়ে। সেয়ে এই একাংকিকা খনক গল্প হিচাপে গল্পকাৰে স্থান দিব পাৰে।

'লাখ টকীয়াত' গল্পত স্পষ্ট মঞ্চ নিৰ্দেশনা নাই। কিন্তু গল্পটোৰ প্ৰথম শাৰীতে নাট্য নিৰ্দেশনাৰ দৰে মোটা আখৰত এইকেইটা কথা আছে — 'নেকিব আৰু কাম কৰা ল'ৰা।' ইয়াৰ পাছতে আছে নেকিব আৰু কাম কৰা ল'ৰা য়াকুৰৰ মাজত কথোপকথন। সিহঁতৰ কথোপকথনৰ মাজতে আকৌ নাট্য নিৰ্দেশনাৰ দৰে এটা শাৰী আছে। মোটা আখৰত দিয়া এই শাৰীটোত 'হৰেন, নৰেন সুৰেন' এই শব্দকেইটা দিয়া আছে। ইয়াৰ অৰ্থ এয়ে যে এই তিনিটা চৰিত্ৰই প্ৰৱেশ কৰিছে। ইয়াৰ পাছত কোনো বৰ্ণনামূলক বাক্য নোহোৱাকৈয়ে নেকিবৰ লগত সিহঁতৰ কথোপকথন আৰম্ভ হৈছে। কথাৰ এটা পৰ্যায়ত আকৌ নাট্য নিৰ্দেশনাৰ দৰে মোটা আখৰত এই শাৰীটো আহিছে - " পৰ্দাৰ ফাকেঁৰে য়াকুবৰ মুখ, কৌতুহলী। " গল্প শেষৰ ফালে মাত্ৰ গল্পকাৰে নেকিবৰ কথাৰ পিছৰখিনি মুদ্ৰণযোগ্য নহয় বুলি এটা মন্তব্য দি তাৰ কথাৰ সোঁত বন্ধ কৰিছে। তাৰ পাছতে গল্পকাৰে লিখা এটা মাত্ৰ বৰ্ণনাধৰ্মী বাক্য আছে। 'দুপৰীয়া' গল্পটোও দুজনী তিৰোতা মানুহে বহি বহি কথা পতাৰ ভঙ্গীতে গল্পটো লিখা হৈছে। তাত নাট্য নিৰ্দেশনা নাই। আনকি, যি দুগৰাকী মহিলাই কথা পাতি আছে তেওঁলোকৰ নাম পৰ্যন্ত পাঠকে নাজানে। কেৱল দুয়োগৰাকী মহিলাই কথা পতি গৈছে। এগৰাকীয়ে কৈ গৈছে আৰু আনগৰাকীয়ে মূলতঃ শ্ৰোতাৰ ভূমিকা পালন কৰি বক্তাগৰাকীয়ে বিষয়টো কৈ যাব পৰাকৈ মাজে মাজে কথাবোৰ সুধি গৈছে বা বক্তাৰ কথাৰ প্ৰতি সহাঁৰি জনাইছে।

'সিহঁতেও পাহাৰ বগালে' গল্পত উপস্থাপন ৰীতিৰ নাটকীয়তাৰ লগতে কাৰ্যও জড়িত হৈ আছে। কোনো ধৰণৰ নাট্য নিৰ্দেশনা বা বৰ্ণনাত্মক বাক্য নাথাকিলেও পাঠকে গম পায় যে এহাল ডেকা-গাভৰুৱে পাহাৰ বগাই বগাই গৈ আছে আৰু কথা পাতি গৈছে। এই কথা-বতৰাৰ মাজতে দুয়োৰে মাজত থকা প্ৰেমৰ স্বৰূপ প্ৰকাশ পাইছে।

**৩.৪** কিছুমান গল্পত গল্পকাৰে প্ৰথম পুৰুষৰ বৰ্ণনা ৰীতিৰ কৌশল ব্যৱহাৰ কৰিছে। তেনে কেইটামান গল্প হ'ল 'ধ্ৰুৱক', 'দেউতা আৰু আমি', 'এহাত ডাবা', 'ষ্টুডিঅ'ত', 'চেলুনত', 'হাঁহি চম্পা', 'গোলাম' ইত্যাদি। তাৰে কেইটামান প্ৰথম পুৰুষ কথিত গল্প

নিজৰ বিষয়ে নহয়। প্ৰথম পুৰুষে দেখা, তেওঁৰ সংস্পৰ্শলৈ অহা বা কোনোবা অত্মীয়ৰ বিষয়েহে । এই ক্ষেত্ৰত 'প্ৰথম পুৰুষ' কথক কোনো ঘটনা বা চৰিত্ৰৰ পৰ্যবেক্ষক মাত্ৰ। 'ধ্ৰুৱক' গল্পৰ প্ৰধান চৰিত্ৰৰ বিষয় হ'ল। ৰেলষ্টেচনত কিতাপৰ দোকান দি একো উন্নতি কৰিব নোৱৰা দোকানীজন। 'হাঁহিচম্পা' গল্পৰ কথক প্ৰথম পুৰুষজন আকৌ হাঁহিচম্পাৰ মাক। প্ৰথম পুৰুষে মাকৰ ভূমিকা লৈ জীয়েকৰ জীৱনলৈ নামি অহা কাৰুণ্য প্ৰত্যক্ষ কৰিছে। 'গোলাম' গল্পৰ কথক প্ৰথম পুৰুষজনো এজন ব্যৱসায়ী। গল্পত তেওঁৰ কামৰ গুৰুত্ব থাকিলেও গল্পৰ মূল চৰিত্ৰ জীৱন-যুদ্ধত পৰাজিত ব্যক্তি, শিল্পী বেণু মিশ্ৰহে। কিন্তু 'আচ্ছন্ন' আদিৰ দৰে প্ৰথম পুৰুষত কথিত গল্পত মনৰ ভিতৰত চলা দ্বন্দ্ব, সংঘাতৰেই চিত্ৰ আছে। ইয়াৰ মাজেৰেই প্ৰথম পুৰুষ কথক চৰিত্ৰই নগৰীয়া জীৱনৰ স্বাৰ্থপৰতা, ক্ৰুৰতা, একাকীত্ব, নিঃসঙ্গতা উদাৰতা, মানৱীয়তা আদি প্ৰত্যক্ষ কৰে। সৌৰভ চলিহাৰ গল্পৰ প্ৰকাশভঙ্গী মহানগৰীয়া জীৱনক প্ৰকাশ কৰা প্ৰকাশভঙ্গী। তেওঁৰ তৃতীয় পুৰুষত বৰ্ণনা কৰা গল্প কিছুমানত সময় বিশেষে প্ৰধান চৰিত্ৰটোৱে পৰ্যবেক্ষকৰ ৰূপত প্ৰথম পুৰুষৰ দৰে ভূমিকা পালন কৰিব খোজে। 'ৰাতিৰ ৰেল' গল্পৰ জুনু গোস্বামীয়ে নিজৰ অতীত ৰোমন্থন আৰু পৰিবেশ পৰ্যবেক্ষণৰ মাজেৰে প্ৰথম পুৰষ চৰিত্ৰৰ ভূমিকা পালন কৰিব খোজে আৰু চৰিত্ৰৰ এই ৰূপ গঢ় দিয়াত প্ৰকাশভঙ্গীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

## পাদটীকা

১। চৈয়দ আব্দুল মালিক ঃ 'অসমীয়া চুটি গল্পৰ আঙ্গিক', তফজ্জুল আলি সম্পাদিত *মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য* গ্ৰন্থত অন্তৰ্ভুক্ত প্ৰবন্ধ, অভ্যৰ্থনা সমিতি, অসম সাহিত্য সভাৰ ৪১ শ অধিবেশন, মঙ্গলদৈ, ফেব্ৰুৱাৰী, ১৯৭৪, পৃঃ ২৫৮-৫৯

২। হৰেকৃষ্ণ ডেকা : 'সৌৰভ কুমাৰ চলিহাৰ গল্পত নাগৰিক জীৱন' ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী সম্পাদিত *সৌৰভ কুমাৰ চলিহা আৰু অন্যান্য প্ৰবন্ধ* গ্ৰন্থত অন্তৰ্ভুক্ত প্ৰবন্ধ, সমন্বয় গ্ৰন্থালয়, ১ম প্ৰকাশ, ১৯৯৫, নলবাৰী

| | | | | |
|---|---|---|---|---|
| ৩। | সৌৰভ কুমাৰ চলিহা | : | 'বীণা কুটিৰ' গল্প | পৃঃ ২১৩ |
| ৪। | ঐ | : | দূৰবীণ | পৃঃ ১৭৩ |
| ৫। | ঐ | : | লাখটকীয়াত | পৃঃ ৩০৪ |
| ৬। | ঐ | : | ঐ | পৃঃ ৩০৫ |
| ৭। | ঐ | : | ঐ | পৃঃ ৩০৫ |
| ৮। | ঐ | : | ঐ | পৃঃ ৩০৭ |
| ৯। | ঐ | : | বাসন্তিকা | পৃঃ ৬১ |
| ১০। | ঐ | : | ভ্ৰমণ-বিৰতি | পৃঃ ৩১৫ |
| ১১। | ঐ | : | অশান্ত ইলেক্ট্ৰন | পৃঃ ২৩ |
| ১২। | ঐ | : | ৰাতিৰ ৰেল | পৃঃ ২১২ |
| ১৩। | ঐ | : | দুপৰীয়া | পৃঃ ৯৬ |
| ১৪। | ঐ | : | ঘৰুৱা ঘটনা | পৃঃ ২৬৫ |

চতুৰ্থ অধ্যায়

# মোখনি

আগৰ তিনিটা অধ্যায়ত সৌৰভ কুমাৰ চলিহাৰ গল্পৰ তিনিটা প্ৰধান দিশত আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে। প্ৰথম অধ্যায়ত সৌৰভ কুমাৰ চলিহাৰ গল্পৰ পটভূমিৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰথম অধ্যায়ৰ আলোচনাত দেখা গ'ল যে সৌৰভ কুমাৰ চলিহাৰ গল্পৰ পটভূমি প্ৰধানকৈ নগৰ অঞ্চল। মূলত তিনিধৰণৰ নগৰৰ পটভূমিত সৌৰভ কুমাৰ চলিহাই গল্প লিখিছে ঃ-

১। অসমৰ মহানগৰ গুৱাহাটীৰ পটভূমিত লিখা গল্প।

২। ভাৰতৰ মহানগৰ, বিশেষকৈ কলিকতা মহানগৰৰ পটভূমিত লিখা গল্প।

৩। ভাৰতৰ বাহিৰৰ, প্ৰধানকৈ জাৰ্মান দেশৰ নগৰৰ পটভূমিত লিখা গল্প।

পটভূমি বিশ্লেষণত দেখা গৈছে যে নগৰীয়া জীৱনৰ বিভিন্ন উপাদান সৌৰভ কুমাৰ চলিহাই গল্পৰ অঙ্গীভূত কৰি লৈছে। গ্ৰাম্য পটভূমিৰ বিপৰীতে নগৰীয়া জীৱন যাপন কৰা লোকৰ সুবিধা, অসুবিধা, ক্ৰমবৰ্ধমান যান্ত্ৰিকতা, কোলাহলে কেনেকৈ মানসিকতা সলনি কৰি আনিছে, সেই কথা ওলাই পৰিছে।

দ্বিতীয় অধ্যায়ত সৌৰভ কুমাৰ চলিহাৰ গল্পৰ চৰিত্ৰ সমূহ বিশ্লেষণ কৰি দেখুওৱা হৈছে। চৰিত্ৰ বিশ্লেষণ কৰোঁতে এই কেইটা কথা প্ৰতীয়মান হৈছে ঃ-

১। নগৰীয়া জীৱনত আগৰ যৌথ পৰিয়াল ভাগি -ছিগি গৈছে আৰু ক'ৰবাত মাত্ৰ তাৰ অৱশিষ্ট ৰৈছেগৈ।

২। মানুহৰ অস্থিৰতা বাঢ়িছে আৰু আৰ্থিক নিৰাপত্তাহীনতা বা জীৱনৰ নিৰাপত্তাহীনতাই গা কৰি উঠিছে।

৩। নগৰীয়া জীৱনত মানুহৰ ওপৰত থকা বিশ্বাস ক্ৰমে কমি আহিছে। ইজনে সিজনৰ আঁৰে বিশ্বাসঘাটকতা কৰিছে।

৪। মানুহৰ স্বাৰ্থপৰতা বাঢ়িছে। জিঘাংসু স্বভাৱ একোটাই গা কৰি উঠা দেখা গৈছে। একো অপকাৰ নকৰা মানুহকো মানুহে অনিষ্ট সাধন কৰা দেখা

গৈছে।

৫। এচাম মানুহ জীৱন যুঁজত পাছ পৰি ৰৈছে। তাৰ বিপৰীতে বস্তুবাদী ধ্যান-ধাৰণাৰে আগবঢ়া এচাম মানুহে অৰ্থনৈতিক উন্নতি কৰিছে।

৬। মানুহৰ অন্তৰ্মুখিতা বৃদ্ধি হৈছে আৰু নিঃসঙ্গতা, একাকীত্বই গা কৰি উঠিছে।

৭। তাৰ মাজতো মানৱতাবাদী চেতনা কোনো কোনো চৰিত্ৰই বজাই ৰাখিছে। ঠায়ে ঠায়ে মানৱতাৰ সন্ধান চলিছে।

তৃতীয় অধ্যায়ত সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্ৰকাশ ভঙ্গীৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত নিম্নোক্ত দিশ কেইটা প্ৰতিফলিত হোৱা দেখা গৈছে —

১। সৌৰভ কুমাৰ চলিহাই পূৰ্বৰ পৰা অসমীয়াত চলি থকা মসৃণ ভাষা ত্যাগ কৰি আপাত দৃষ্টিত খহটা যেন লগা ভাষাৰ প্ৰয়োগ কৰিলে। মহানগৰীয়া কঠিন জীৱনৰ কথা প্ৰকাশ কৰাত এই ভঙ্গীৰ বিশেষ কাৰ্যকাৰিতা আছে।

২। মহানগৰৰ বিভিন্ন মানুহৰ কথা কোৱাৰ ভঙ্গিমা সৌৰভ কুমাৰ চলিহাৰ গল্পত দেখা গ'ল।

৩। নগৰীয়া জীৱন তুলি ধৰাৰ প্ৰয়োজনতে সৌৰভ কুমাৰ চলিহাই শ্লীল-অশ্লীল সকলো ধৰণৰ শব্দক ভাষাৰ মাজত স্থান দিলে। এই ধৰণৰ মিহলি ভাষা বিষয় আৰু নাগৰিক-জীৱন প্ৰকাশৰ বিশেষ সহায়ক হ'ল।

৪। তাৰ মাজতো সৌৰভ কুমাৰ চলিহাৰ প্ৰকাশভঙ্গী প্ৰতীক, সংকেত আদিৰ মাজেৰে কাব্যিক ভঙ্গী সৃষ্টি কৰিব পাৰিছে। অৱশ্যে এই কাব্যিক ভঙ্গী দেখা-দেখিকৈ আধুনিক কবিতাৰ ভঙ্গী।

দেখা গৈছে যে দিনে দিনে চহৰৰ গুৰুত্ব বাঢ়ি আহিছে আৰু আধুনিক জীৱনৰ স্পন্দন সঠিকভাৱে সৌৰভ কুমাৰ চলিহাই অনুভৱ কৰিছে পাৰিছিল। মাজে মাজে নগৰীয়া জীৱনৰ মাজত অস্থিৰ হৈ পৰা কোনো চৰিত্ৰই মহানগৰৰ কোনো উপাদান বা জীৱনৰ বিশেষ কৰ্ম বা স্মৃতিৰ মাজত নিজৰ মনৰ সুখ-শান্তিৰ অনুসন্ধান চলাইছে।

# গ্ৰন্থপঞ্জী


১। **অসমীয়া** :

১.১। **মূল আলোচ্য গ্ৰন্থ** :

সৌৰভ কুমাৰ চলিহা : *ছয় দশকৰ গল্প,* ষ্টুডেণ্টছ্ ষ্ট'ৰছ্,কলেজ হোষ্টেল ৰোড,গুৱাহাটী-১,প্ৰথম প্ৰকাশ-২০০১

১.২। প্ৰাসঙ্গিক পুথি

অপূৰ্ব বৰা (সম্পা) : *অসমীয়া চুটিগ্প, ঐতিহ্য আৰু বিৱৰ্তন,* যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ, যোৰহাট, ২০১২

অৰবিন্দ ৰাজখোৱা (সম্পা) : *অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি,* অসমীয়া বিভাগ, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়,প্ৰথম প্ৰকাশ ২০০৯

অৰিন্দম বৰকটকী (সম্পা) : *নিৰ্বাচিত অসমীয়া চুটিগল্প,* ক্ৰান্তিকাল প্ৰকাশন, নগাঁও ২০০৬

উদয় দত্ত *চুটিগল্প,* অসম সাহিত্য সভা, যোৰহাট ১৯৭৩

কুমুদ গোস্বামী,
ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য (সম্পা): *কুৰি শতিকাৰ অসমীয়া ব্যংগ সংকলন,* ময়ুৰ প্ৰকাশ,গুৱাহটী,১৯৮৩

জিতাঞ্জলী বৰপুজাৰ বৰঠাকুৰ (সম্পা) : *প্ৰবন্ধ সঞ্চয়ন,* অসমীয়া বিভাগ, মৰিয়নি কলেজ,প্ৰথম প্ৰকাশ ২০০৯

তফজ্জুল আলি(সম্পা) : *মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য,* অসম সাহিত্য সভা অভ্যৰ্থনা সমিতি, মঙ্গলদৈ, ১৯৭৪

ত্ৰৈলোক্যনাথ গোস্বামী : *আধুনিক গল্প সাহিত্য,* বাণী প্ৰকাশ,

গুৱাহাটী, ৩য় প্ৰকাশ ১৯৮৭

নগেন শইকীয়া : *সাহিত্যত বাদ-বৈচিত্ৰ্য,* কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ-২০০৩

নাৰায়ণ দাস

পৰমানন্দ ৰাজবংশী (সম্পা) : *অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ৩য় প্ৰকাশ ২০০৯

প্ৰফুল্ল কটকী : *সাহিত্য-সংজ্ঞা কোষ,* জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ,ডিচেম্বৰ ২০০৫

প্ৰফুল্ল মহন্ত : *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী,২য় প্ৰকাশ ২০০৯

প্ৰহ্লাদ কুমাৰ বৰুৱা : *অসমীয়া চুটিগল্প অধ্যয়ন,* বনলতা, ডিব্ৰুগড়, ১ম প্ৰকাশ ১৯৯৫

মহেন্দ্ৰ বৰা : বনলতা, ১ম প্ৰকাশ ১৯৮৮

মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* নিউ বুক ষ্টল, ৩য় প্ৰকাশ ১৯৬৬

যতীন বৰা : *সাহিত্য সমালোচনাৰ চমু বুৰঞ্জী,* বনলতা প্ৰথম প্ৰকাশ, ১৯৯৯

ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী (সম্পা) : *সৌৰভ কুমাৰ চলিহা আৰু অন্যান্য প্ৰবন্ধ,* সমন্বয় গ্ৰন্থালয়, নলবাৰী,১ম প্ৰকাশ-১৯৯৫

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* সৌমাৰ প্ৰকাশ, ১৯৮৮

হৰিনাথ শৰ্মাদলৈ : *অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস,* পদ্মপ্ৰিয়া লাইব্ৰেৰী, নলবাৰী, ২য় প্ৰকাশ ২০০৫

হৰেকৃষ্ণ ডেকা(সম্পা) : *সৌৰভ কুমাৰ চলিহাৰ স্বনিৰ্বাচিত গল্প,* নেশ্যনেল বুক ট্ৰাষ্ট, ১ম প্ৰকাশ ১৯৯৮

হীৰেন গোঁহাই : *সাহিত্যৰ সত্য,*লয়াৰ্চ বুক ,ষ্টল, গুৱাহাটী ১৯৯৪

হোমেন বৰগোহাঞি (সম্পা): *প্ৰবন্ধ চয়ন,* অসম সাহিত্য সভা, ১ম প্ৰকাশ ১৯৬৫

হোমেন বৰগোহাঞি (সম্পা)ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*-ষষ্ঠখণ্ড, অবিলেক, গুৱাহাটী, ১ম প্ৰকাশ,১৯৯৩

১.৩। **অসমীয়া প্ৰবন্ধ**

*নগেন শইকীয়া* ঃ 'সৌৰভ কুমাৰ চলিহাৰ গল্প,এটি ব্যক্তিগত ইম্প্ৰেছন' কথা ২, কথা পাব্লিকেছন, গুৱাহাটী - ২০০৪

বিনয়মোহন শইকীয়া ঃ 'সৌৰভ কুমাৰ চলিহা', আমাৰ অসম ( দৈনিক অসমীয়া বাতৰি কাকত) ৩/৯/২০০৬, ১০/৯/২০০৬, ১৭/৯/২০০৯, ২৪/৯/২০০৬ তাৰিখ।

মেদিনী চৌধুৰী ঃ 'প'ষ্ট মডাৰ্ণিজমৰ বাটকটীয়া অসমীয়া সাহিত্যিক', অসমীয়া প্ৰতিদিন কাকত, ১২/১১/২০০০

২.০ **ইংৰাজী গ্ৰন্থ :**

W.H.Hudson ঃ *An Introduction to the study of literature*, Kalyani publishers, 1/1 Rajindar Nagar, Ludhiana, 4th Edition,1971

F.L Lucus ঃ *Style,* Casseland company Ltd, London, 2nd Edition,1974

W.S Maugham ঃ *Point of view,* William Heineman Ltd, 3d Edition,1960